# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ০৪/০২/২০১৯ সোমবাৰ

**আজি ইংৰাজী ০৪-০২-২০১৯ তাৰিখে অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচীমতে ৰাতিপুৱা ৯ঃ৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশন,২০১৯ অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৩৪, শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ। Minister please.

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ(উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুৰ্নীতিমুক্ত মানে দুৰ্নীতি বেচি হোৱাকে বুজায় নেকি? কৰিমগঞ্জত ২,৩৬,৯১৪মানুহ affected হৈছে। আমি যদি এইটো চাওঁ তেতিয়া দেখিম যে,যিমান চাউলৰ প্ৰয়োজন হৈছিল তাতকৈ অন্যান্য বস্তুহে বেছি supply হৈছিল। তাৰ কাৰণটো কি? এইটো মোৰ কথা নহয়, file ত চালে আপুনি এই কথাটো গম পাব। অধ্যক্ষ মহোদয়, আটাইতকৈ ডাঙৰ কথাটো হৈছে ২০১৮ চনত আমাৰ কৰিমগঞ্জত বহুত genuine মানুহ affected হৈছে। Accordingly list খন পঠোৱা হৈছিল দিছপুৰলৈ। sanction হোৱাৰ পিছত দিছপুৰৰ পৰা যিটো list কৰিমগঞ্জলৈ গ'ল তেতিয়া list খন change হৈ গ'ল। যিসকল genuine মানুহ আছিল, তেওঁলোকে নাপায়। যিসকলে ৫০,০০০ টকা দিব তেওঁলোকৰ নামটো ভৰাই দিয়া হয়। এইটো মোৰ কথা নহয়, file ৰ কথা। গতিকে অধ্যক্ষ মহোদয়, এইটো চালি জাৰি চাই তাৰ ওপৰত যাতে এটা strong action লোৱা হয়, এইটো মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ কৰিমগঞ্জ জিলাৰ সন্মানীয় বিধায়ক কমলেক্ষ্য দে পুৰকায়স্থই যিটো প্ৰশ্ন আনিছে যে ২০১৮ চনত আমাৰ চুবুৰীয়া ৰাজ্য মিজোৰামৰ পৰা প্ৰবল সোতত পানী আহি সমগ্ৰ কৰিমগঞ্জ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ ৪ টা বিধানসভাৰ সমষ্টিয়ে বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। আমি জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি highest affected হৈছিলে পাথাৰকান্দি সমষ্টি, উত্তৰ কৰিমগঞ্জ, দক্ষিণ কৰিমগঞ্জ আৰু বদৰপুৰ। আমাৰ সন্মানীয় বিধায়ক ডাঙৰীয়াই কোৱাৰ দৰে যদি list সলনি হৈছে তাৰ ওপৰত তদন্ত কৰা হ'ব। অধ্যক্ষ মহোদয়, এটা কথা আপোনাক জনাবলৈ পাই সুখী হম যে, highest relief fund দিয়া হৈছিলে কৰিমগঞ্জ জিলাতে। mineral water, biscuit,cattle food ৰ পৰা আদি কৰি চাউল, দাইল সকলোখিনি availabe দিয়া হৈছিলে। মই সেই সময়ত মন্ত্ৰী নাছিলো। মাননীয় মুখ্যমন্ত্ৰীৰ পৰা যিখিনি তথ্য পাইছো, তেখেতে তদাৰক কৰি তাত highest relief দিয়াৰ ব্যৱস্থা কৰিছিল আৰু আমি গম পোৱা মতে তাৰ জনসাধাৰণ যথেষ্ঠ উপকৃত হৈছিল। বিধায়ক ডাঙৰীয়াই যিটো অভিযোগ আনিছে তাৰ তথ্য আমি তাৰ যি circle officer বা তহচিলদাৰ আছে, তেওঁলোকৰ লগত যোগাযোগ কৰি চাম আৰু সচাঁকে যদি list change হৈছে তাৰ correction কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** माननীয় অধ্যক্ষ মহোদয়, এইবাৰ আমাৰ বৰাকভেলী ত ভয়ঙ্কৰ বানপানী হৈছিল। চৰকাৰেও এইটো জানে। মন্ত্ৰী মহোদয়েও জানে। এইটো আমি অস্বীকাৰ কৰা নাই যে, তাত relief দিয়া হোৱা নাই বুলি। কিন্তু ক'ত দিয়া হৈছে, কেনেকৈ দিয়া হৈছে সেই বস্তুটো চাব লাগে। আমাৰ বৰাকভেলীৰ কাৰণে এটা ভাল package দিব লাগে কাৰণ ইমান ভয়ঙ্কৰ বানপানী হয়। গতিকে মই মন্ত্ৰী মহোদয়ক এবাৰ কৰিমগঞ্জলৈ যাবলৈ অনুৰোধ জনাওঁ আৰু আমাৰ যিখিনি বস্তু damage হৈছে তাৰ কাৰণে কৰিমগঞ্জ জিলাত এটা special package দি এই damage হোৱা বস্তুখিনি যাতে আমি ঠিক কৰিব পাৰো। এইটো মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কমলেক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই যিটো কথা কৈছে পৰবৰ্তী সময়ত আমি যাব পাৰিম। যদি কিবা লেকুনা আছে সেইখিনি আমি মাৰিবলৈ চেষ্টা কৰিম। মই আপোনাক জনাবলৈ পাই সুখী হম যে ২০১৮ চনৰ gratuity relief আছিলে ৯০৩৮ জন হিতাধীকাৰীৰ বিপৰীতে ২,৭৮,৫০,৯০০ টকা মুকলি কৰি দিয়া হৈছে। এই পইচাখিনি online যোগে দিয়া হয়। ইতিমধ্যে PWD আৰু Water Resource বিভাগৰ পৰা যথেষ্ঠ পুঁজি দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী কৃষ্ণান্দু পাল।

**শ্ৰী কৃষ্ণান্দু পাল (পাথাৰকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৮ চনৰ মাৰ্চ আৰু এপ্ৰিল মাহত এবাৰ ধুমুহা আহিছে আৰু তাৰ পিছত মিজোৰামৰ পৰা পানী আহি সকলোতকৈ যিটো area affected হৈছিলে সেইটো হৈছে পাথাৰকান্দি। পাথাৰকান্দিত বানপানী হোৱাৰ দিনাখনেই আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই লগে-লগেই জিলাধিপতিক নিৰ্দেশ দিছিল যাতে কোনো মানুহৰ কষ্ট নহয় তাৰ বিহিত ব্যৱস্থা লবলৈ। মই দেখাৰ ভিতৰত এইটোৱেই প্ৰথম য'ত বানপানীৰ পিছদিনাই relief গৈছে, শিশুখাদ্য গৈছে, cattle food দিয়া হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়া নিজেও গৈছিল। মন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো। পাথাৰকান্দি জিলাৰ প্ৰায় ৮০ শতাংশ affected মানুহেই পইচা পাইছে। প্ৰথমবাৰ তেওঁলোকে ৯৫,১০০ টকা পাই ঘৰটো বনাব পাৰিছে। তাৰ কাৰণে মন্ত্ৰী মহোদয় আৰু মুখ্যমন্ত্ৰী মহোদয় দুয়োজনকেই ধন্যবাদ জনাইছো। যদি ক'ৰবাত কিবা খেলিমেলি হৈছে তাৰ কাৰণে তদন্ত কৰিব লাগে। কিন্তু আমাৰ কৰিমগঞ্জত এইটো উদাহৰণ যে মন্ত্ৰী মহোদয়ে তাত এটা ভাল initiative লৈছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Next supplementary Ajiz Ahmed Khan.

**শ্ৰী আজিজ আহমেদ খান (দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ কথাটো মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ৬২৬৯ partial damage হৈছে । তাৰ list খন আহিছে কিন্তু আজিৰ দিনত এইটো সত্য নহয়। আজিলৈকে আমাৰ সমষ্টিৰ list খন অহা নাই। বানপানী পাথাৰকান্দি, উত্তৰ কৰিমগঞ্জ, দক্ষিণ কৰিমগঞ্জ সকলোতে হৈছে কিন্তু আমাৰ দক্ষিণ কৰিমগঞ্জৰ আজিলৈকে এখনো list অহা নাই। তাৰ কাৰণটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক আজিজ ডাঙৰীয়াই যিটো কথা কৈছে তাৰ উত্তৰত মই কওঁ যে দক্ষিণ কৰিমগঞ্জৰ যিখন list আমাৰ হাতত আহিছে জিলা

উপায়ুক্তৰ জৰিয়তে, ৬২৬৯ জন আৰু যদি কিবা বৈ গৈছে তেতিয়াহলে circle officer ৰ জৰিয়তে আপুনি পঠাই দিয়ক। আমি বিভাগৰ পৰা ready আছো। যিসকল ক্ষতিগ্রস্ত লোক আছে তেওঁলোকে relief টো পাব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** You please take up the matter with the Minister.Next question 35, Abdul Rasid Mandal is absent.Next question 36, Shri Binanda Kr. Saikia.Minister please.

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্রী বিনন্দ কুমাৰ শইকীয়া (চিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্রশ্ন উত্থাপন কৰিছিলো অসম চুক্তিৰ ৫ নং আৰু ৬ নং দফা আৰু চুক্তি ৰূপায়ণৰ ক্ষেত্রত বর্তমানলৈকে ৰাজ্য চৰকাৰৰ তৰফৰ লোৱা ব্যৱস্থা সমূহ সম্পর্কে। এই ক্ষেত্রত ইয়াত দিয়া উত্তৰত মই প্রায় সন্তুষ্ট হৈছো। তৎসত্বেও দুই এটা কথা ইয়াত উল্লেখ কৰিবলগীয়া আছে। প্রথমতে মই ধন্যবাদ জ্ঞাপন কৰিম কেন্দ্রীয় চৰকাৰক যে প্রথমবাৰৰ কাৰণে অসম চুক্তিৰ ৬ নং দফাৰ ক্ষেত্রত এক সদিচ্ছা প্রদর্শন কৰি কেন্দ্রীয় চৰকাৰে committe গঠন কৰাকে আদি কৰি কেইবাটাও বিষয় তৎকালীনভাৱে ব্যৱস্থা লৈছে। যদিও বা এই ক্ষেত্রত আমাৰ অসমৰ জনসাধাৰনৰ একাংশৰ মনত সন্দেহ আৰু সংশয় এতিয়াও আছে। এতিয়া মই কব বিচাৰিছো কেন্দ্রীয় চৰকাৰৰ যিখিনি তৎপৰতা সেইখিনিৰ লগত সংগতি ৰাখি, ৰাজ্য চৰকাৰৰ ফালৰ পৰা কি ধৰণৰ তাৎক্ষণিক ব্যৱস্থা গ্রহণ কৰা হৈছে, বা হ'ব বা খিলঞ্জীয়া জনসাধাৰণৰ মনত যি শংকা বা সন্দেহ হৈছে, এই ক্ষেত্রত আমাৰ ৰাজ্যচৰকাৰে ফলপ্রসুভাৱে কিবা তৎকালীন ব্যৱস্থা গ্রহণ কৰিব নেকি? বাকী মোটামোটি যিখিনি উত্তৰ দিছে, সেইখিনিত মোৰ বহুত বেছি কবলগীয়া নাই। ৰাজ্য চৰকাৰৰ এই ক্ষেত্রত আৰু বেছি তৎপৰতা আমি আশা কৰিছো, গতিকে মই এই ক্ষেত্রত মাননীয় মন্ত্রী মহোদয়ৰ পৰা এটা সৎ উত্তৰ বিচাৰিছো।

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী** ঃ- অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিখিনি কথা উত্থাপন কৰিছে যে ৰাজ্যচৰকাৰে এই ক্ষেত্রত বিশেষ তৎপৰতা লৈছে। আৰু অসম চুক্তি ৰূপায়ণ, আমাৰ চৰকাৰৰ এটা Priority Agenda গতিকে Priority Agenda যিহেতুকে , গতিকে আমাৰ চৰকাৰৰ তৰফৰ পৰা বিশেষকৈ মাননীয় মুখ্যমন্ত্রী মহোদয়ে, এই সম্পর্কত কেন্দ্রীয় চৰকাৰৰ লগত সঘনাই গোটেই বিষয়টো বিবেচনা কৰি আছে। আৰু আলোচনা কৰি আছে, আৰু সেই আলোচনা মর্মে অসম চুক্তি হোৱাৰ ১৯৮৫ চনৰ পৰা ৫নং আৰু ৬ নং দফাক আচলতে আমি বিশেষকৈ ৬ নং দফা যিটো আছে, সেইটোৰ ক্ষেত্রত কোনো সিদ্ধান্ত ইমান দিন হোৱা নাছিল। এতিয়া প্রথমবাৰৰ বাবে ভাৰত চৰকাৰে ৬ নং দফাৰ কথা বিবেচনা কৰিছে। যিটো ৬ নং দফাত এই কথাখিনি স্পষ্টভাৱে আছে, যে আমাৰ ৰাজ্যখনৰ বাবে Constitutional, Legislative আৰু Administrative এই গোটেই সুৰক্ষা দিয়াৰ যিটো ব্যৱস্থা আছে, আছু আৰু অসম গন সংগ্রাম পৰিষদৰ লগত এই চুক্তি হৈছিল। অধ্যক্ষ ডাঙৰীয়া এই চুক্তিৰ সাক্ষৰকাৰী অসম আন্দোলনৰ আলোচনা যেতিয়া প্রথম আৰম্ভ হৈছিল সেইখন শেষৰ খন যেতিয়াচুক্তি স্বাক্ষৰ হৈছিল , সিদিনা মইয়ো উপস্থিত আছিলো ইয়াত। আৰু এই ৬ নং দফাটো আচলতে দিয়া হৈছিল এই কাৰণেই, যে আমি ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈকে এটা ডাঙৰ burden আমি অসমত ল'লো। আৰু এই burden টো যে আমি ললো। গতিকে এই burden টো আমি লোৱাৰ কাৰণে এই ৬ নং দফাটো আচলতে অনা হৈছে, আৰু এই ৬ নং দফাটোৰ কাৰণে বহুটো debate হৈছিল আৰু

debate ৰ অন্তত চৰকাৰে তেওঁলোকক সৈমান কৰিবলৈ আমি সক্ষম হৈছিলো। গতিকে আজি ৬নং দফাটোৰ ক্ষেত্ৰত যিখিনি গুৰুত্ব পাব লাগিছিল, সেই গুৰুত্বখিনি হয়তো নাপালে ইমান বছৰ। কিন্তু for the first time ভাৰতবৰ্ষৰ মাননীয় গৃহমন্ত্ৰী ৰাজনাথ সিং ডাঙৰীয়াই আহি গুৱাহাটীতো কৈ গ'ল, যে আমি অসম চুক্তিৰ ৬ নং দফা আমি implement কৰিম। আৰু তাৰ কাৰণে যদি Constitution Amendment কৰিব লাগে আমি Constitution Amendment ও কৰিম। তাজ ভিভান্টাত প্ৰতিদিনৰ prize দিয়াৰ এখন meeting আছিল, সেই meeting খনত তেখেতে ৰাজহুৱাভাৱে ঘোষণা কৰিছে আৰু মই নিজে উপস্থিত আছো সেই meeting খনত। তাৰ পিছত এতিয়া আজিৰ দিনটোত এইটোৱে ভাল কথা যে ৬ নং দফা মতে অসমত আজি বিধানসভা সমূহত reservation ৰ কথা থাকিব। যিবিলাক নিকায় নিগম থাকিব পঞ্চায়তকে আৰম্ভ কৰি, তাত reservation ৰ কথা থাকিব। অসমৰ খিলঞ্জিয়া মানুহৰ, অসমৰ থলুৱা মানুহৰ। তাৰ উপৰিও চাকৰিৰ ক্ষেত্ৰতো এই বিলাক থাকিব। তাৰ উপৰিও মাজতে আমাৰ মাননীয় সদস্য এগৰাকীয়ে কৈছিল ইয়াতে বিধানসভাত আমাক যে ৫ নং দফা implement নকৰাকৈ ৬ নং দফা কেনেকৈ হ'ব? ক্লজ ৫ ইতিমধ্যে implement কৰাৰ ইয়াত এখন দীঘলীয়া তালিকা দিছো, মই সেইটো নকও সেইটো বহুত দীঘলীয়া হৈ যাব। প্ৰশ্নটোত আছে লিখিত ভাৱে। তাতকৈ ডাঙৰ কথা হ'ল ক্লজ ৫ ত যিটো আছে, detection, deletion and deportation দিয়া আছে। এই যিটো বিষয় আছে, এই বিষয়টো হ'ব লাগিলে আমাৰ ভিত্তি বছৰটো ১৯৭১ চনৰ ২৫ মাৰ্চ হৈছে। কিন্তু পৰৱৰ্তী দিনত ১৯৮৭ টো bill amend হৈছে। তাতো ৭১ ৰ যিটো clase, যিটো ৭১ ৰ ভিত্তি বছৰ তাতো অলপ খেলিমেলি হৈছে। ২০০৩ টো amendment হৈছে, তাতো খেলিমেলি হৈছে। গতিকে কথাটো হ'ল, যে আজিৰ দিনটোত ৰাজ্যচৰকাৰখনক এই সম্পৰ্কত আমি গোটেইখিনি আমি সকলোৰে লগত আলোচনা কৰি আমি এটা মডেল বনাইছো। বনাই আমি ভাৰত চৰকাৰকো দিছো। আৰু অধ্যক্ষ ডাঙৰীয়া আপুনি শুনি সুখ পাব যে ভাৰত চৰকাৰে এখন উচ্চ পৰ্য্যায়ৰ কমিটি গঠন কৰিছে। for the first time in Union Cabinat ত। এইটো এটা সিদ্ধান্ত হৈছে। গতিকে এই সিদ্ধান্তটো আজি House ও আমি সকলোৱে in respect of any political ideology, আমি House ৰ পৰা ভাৰত চৰকাৰক এটা ধন্যবাদ দিব লাগে, যে অসমৰ সুৰক্ষাৰ কথা আজি ভাৰত চৰকাৰে চিন্তা কৰিছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্যগৰাকীয়ে কোৱাৰ নিচিনাকৈ যে আমাৰ ৰাজ্যচৰকাৰে তৎপৰতা লৈছেনে নাই? আমি এইটো ক্ষেত্ৰত তৎপৰ আৰু তাতকৈ ডাঙৰ কথা আমাৰ ক্লজ ৫ ৰ যিটো কথা, আছে যে এই ১৯৭১ ৰ ২৫ মাৰ্চৰ এইটোৰ পিছতো যেতিয়া Subsequently, citizenship Act Amendment হৈ আছে দুবাৰ হৈছে আগতে, গতিকে ৭১ ৰ ২৫ মাৰ্চ এইটো যিমান পৰিমানে Computize হ'ব লাগিছিল অলপ Dilute হৈছে। সেয়ে তাৰ কাৰণে এটা ভিত্তি লাগিব। ভিত্তিটোৰ ক্ষেত্ৰত NRC আৰু মাননীয় Suprime Court যে যেতিয়া direction দিলে যে NRC হ'ব লাগে। তেতিয়া মাননীয় Suprime Court ৰ direction মতে ভাৰত চৰকাৰৰ Home Department ৰ RGI আৰু আমাৰ অসম চৰকাৰে Logistic পূৰ্ণ সহযোগিতা কৰি আজি সকলোৱে সকলো মাননীয় সদস্য, সকলো অসমৰ সহযোগত for the first time আমাৰ ৰাইজৰ NRC ৰ খচৰা প্ৰস্তুত হৈ গ'ল। গতিকে financial খৰচটো হৈ যোৱা মানে NRC খন যেতিয়া financial NRC ওলাই যাব। গতিকে সেইটো ক্লজ ৫ ৰ detection টোত সেইটো সহায় কৰিব। যাৰ NRC ত নাম আছে, তেওঁ স্বদেশী যাৰ নাম নাই তেওঁ বিদেশী।

গতিকে আমাৰ ক্লজ ৫ টো আমাৰ আটাইকৈ ডাঙৰ পইন্ট। আমি বাকী যিমান ক্লজ ৫ ত আমি কৰিছো, ইয়াতে ডাঙৰ List দিছো ইয়াত। এইখিনিৰ উপৰিও আমাৰ main কথা আছিল NRC, NRC খন হ'ল আটাইতকৈ important document to implement clause 5 . গতিকে সেইটো কৰা হৈছে। আপুনি দেখিছে অধ্যক্ষ মহোদয়, গতিকে আমি আমাৰ চৰকাৰৰ তৰফৰ পৰা এই ব্যৱস্থা গ্ৰহণ কৰিছো। আৰু মই পুনৰ দোহাৰিছো, যে repeat কৰিছো মই অসম চুক্তি ৰূপায়ণ কৰাটো অসম চৰকাৰৰ Priority Agenda.

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, সদস্য** ঃ- অধ্যক্ষ মহোদয়, মই ৫ নং দফাৰ ক্ষেত্ৰত যিখিনি উত্তৰ দিছে, মই সন্তুষ্ট বুলি মই আগতেই কৈছো। আৰু বিশেষভাৱে NRC ৰ জৰিয়তে যিটো detection ৰ ব্যৱস্থাটো অন্ততঃ এইবাৰ অসম চৰকাৰৰ তৎপৰতাত হৈছে। এতিয়া ৬ নং দফাৰ ক্ষেত্ৰত যিখন উচ্চ পৰ্য্যয়ৰ committee কেন্দ্ৰীয় চৰকাৰে গঠন কৰিছিল আমি ধন্যবাদ জনাইছো কেন্দ্ৰীয় চৰকাৰক যে ইমান বছৰৰ পাছত অন্ততঃ কেন্দ্ৰীয় চৰকাৰে এটা সদিচ্ছা প্ৰদৰ্শন কৰিলে। কিন্তু এই যে কমিটিখনৰ পৰা ২-১ জন সদস্যই পদত্যাগ কৰি এই বিষয়টো স্থবিৰতাৰ ফালে গৈছে যে যিটো সদিচ্ছাৰে কেন্দ্ৰীয় চৰকাৰে কামখিনি কৰিব বিচাৰিছিল, তাত যেন কিবা এটা স্থবিৰতা আহিছে। তেনেকুৱা অনুভৱ এটা আজি হৈছে, এই ৬ নং দফাটোৰ ক্ষেত্ৰত। গতিকে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কি ব্যৱস্থা ল'ব আৰু প্ৰয়োজনত ৰাজ্যচৰকাৰৰ ফালৰ পৰা কিবা সুকীয়া আইন কৰি হ'লেও অসমৰ খিলঞ্জিয়া মানুহখিনিক সাংবিধানিক ৰক্ষাকৱচ বিশেষ ভাৱে ভাষিক, সাংস্কৃতিক, সামাজিক পৰিচয় অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা ৰাজ্যচৰকাৰে ল'ব নেকি ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয় কেইজন মান সদস্যই আমাৰ যি কমিটি কৰিছিল, তাৰ পৰা তেওঁলোকে Resignation দিছে। কিন্তু মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা কও, ৰাজ্যখনত আজি আমাৰ যিটো ৬ নং দফা, প্ৰথম মই শ্ৰী বিনন্দ শইকীয়া ডাঙৰীয়াৰ দ্বিতীয় প্ৰশ্নটোৰ উত্তৰ দিছো যে, আমি কিবা আইন কৰিলো নেকি ? আমি আইন কৰিব লগা নাই। যি আইন কৰিব ভাৰত চৰকাৰে কৰিব। If necessary constitutional will be amended. তাতকৈ আৰু ওপৰত অসম চৰকাৰৰ আইনৰ কথা নাহে। গতিকে সেইটো এটা bold step ভাৰত চৰকাৰৰ। এইটো এটা ভাৰত চৰকাৰৰ ঐতিহাসিক bold step অধ্যক্ষ ডাঙৰীয়া, মই আজি নিজে অনুভৱ কৰো। অসম চুক্তিৰ স্বাক্ষৰকাৰী হিচাপে যে, যিটো provision ভাৰত চৰকাৰে কাশ্মীৰক দিয়া নাই, যিটো সুবিধা ভাৰত চৰকাৰে অন্য কোনো ৰাজ্যকে দিয়া নাই, হয়তো কৰবাত পাৰ-পত্ৰ দিছে বা inerline permit দিছে, that is a different thing.কিন্তু এই যে সকলো দিশৰ পৰা সুৰক্ষিত কৰি অসমখনক ৰখাৰ ভাৰত চৰকাৰে যিটো আজি প্ৰস্তাৱ আনিছে, মই এজন চুক্তিত স্বাক্ষৰকাৰী হিচাপে ১৯৮৫ চনত তাত উপস্থিত থকা জন সদস্য হিচাপে এইটো ক্ষেত্ৰত মই নিজে খুৱ গৰ্ব অনুভৱ কৰিছো আৰু আনন্দও অনুভৱ কৰিছো। কাৰণ যিটো provision কোনো state ক দিয়া নাই ভাৰত চৰকাৰে, সেইটো provision. If necessary by amamnding the constitution of India.ভাৰত চৰকাৰে এইটো অসমক দিব। তাতকৈ আৰু ডাঙৰ কথা অসমৰ কাৰণে কিবা হ'ব পাৰে নেকি ? গতিকে এইটো এটা কথা। তাৰোপৰি ডাঙৰ কথাটো হৈছে আজি এটা আন্দোলনেও হৈছে, বিভিন্ন সংগঠনে আন্দোলন কৰিছে। কোনে আন্দোলন কৰিছে কব নাযাও। গতিকে আন্দোলনত তাত এটা উচ্চাৰণ হৈছে যে, জাতি, মাটি, ভেটি। গতিক আমাৰ জাতি, মাটি, ভেটিৰ কথা এটা আন্দোলনত উঠিছে,

আজিৰ সময়ত। কিন্তু অধ্যক্ষ ডাঙৰীয়া, এইবাৰ যিখন দফা ৬ আছে, দফা ৬ ৰ জৰিয়তে এইবাৰ মাটিৰ যিটো ৰাইট, এই ৰাইটটো খিলঞ্জীয়াৰ হাততে থাকিব। এইটো আটাইতকৈ ভাল কথা। যদি মাটি থাকে আমাৰ হাতত, মাটিহে ভেটি থাকিব, মাটিৰ ওপৰতে ভেটিতো হ'ব। ভেটিতো আৰু শূণ্যত নহয়। মাটি থাকিলে ভেটি হ'ব, আৰু ভেটি যদি থাকে, তেতিয়া জাতি থাকিব। গতিকে এইটোৱে কথাতো। গতিকে এই যিটো কথা হৈছে, জাতি, মাটি, ভেটি এই কতাতো উচ্চাৰণ হৈছে, সেইটো আচলতে আমিহে কৰি আছো, এই বি জে পি চৰকাৰ, দিল্লী আৰু অসমৰ বিজেপী চৰকাৰে জাতি, মাটি, ভেটিটো আমিহে কৰি আছো। গতিকে ইটো এটটো এটা কথা আৰু যিসকল মাননীয় সদস্যই ৰিজাইন দিছে, মই এটা কথাতে দুখ প্ৰকাশ কৰিছো যে এইটো অসমৰ ৰাজনৈতিক ইতিহাসত এই মাননীয় সদস্য কেইগৰাকীৰ নাম সোণালী আখৰেৰে লিখা থাকিলহেঁতেন যে তেওঁলোকে অসমৰ সুৰক্ষাৰ কাৰণে তেওঁলোকে প্ৰস্তাৱ দিলে ভাৰত চৰকাৰে মানি ললে, আৰু এইকেইজন অসমৰ সুযোগ্য সন্তানৰ নাম অসমৰ Political History of Assam ত তেওঁলোকৰ নাম সোণালী আখেৰেৰে লিখা থাকিলেহেঁতেন। এতিয়া তেওঁলোকে কি ভিত্তিত, কি কৰি কেনেকৈ ৰিজাইন দিছে মই নাজানো। কিন্তু ভাৰত চৰকাৰে কমিটি গঠন কৰাটো নিৰ্ণয় লৈছে আৰু সেইমতে কমিটি গঠন হ'ব, ৰিপোৰ্ট দিব, সেইমতে আমাৰ প্ৰটেকশ্যন হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মামুন ইমদাদুল হক চৌধৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধৰী, (নাওঁবৈঠা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ৫ নং দফা সম্পৰ্কত খুব ভালেকেইদিন কথা কৈছে আৰু written reply য়ে দিছে। সেইখিনিৰ কাৰণেআজি আপোনাক ধন্যবাদ জনাইছো। কিন্তু আপোনালোকৰ কেন্দ্ৰীয় চৰকাৰৰে citizenship amenment bill যিখন আনি আছে, আপুনি অনুভৱ নকৰেনে যে, এই বিলখন যদি পাছ হয়, তেনেহ'লে আপুনি ইয়াত কোৱা কথাবিলাক নিমিলিব। তাৰমানে clause 5, violate হ'ব, এক নম্বৰ কথা। দ্বিতীয়তে, অসম চুক্তিৰ শেষত, কেন্দ্ৰীয় চৰকাৰে কেইটামান উন্নয়নমূলক প্ৰস্তাৱ অসমৰ কাৰণে দিছিল। তাৰে একেবাৰে শেষৰ ফালে মাননীয় মন্ত্ৰী মহোদয়ে চায়, দেখা পাব , কেন্দ্ৰীয় চৰকাৰে অশোক কাগজ কল, আৰু মৰাপাট কল পুণৰ খোলাৰ অৰ্থে ৰাজ্য চৰকাৰলৈ সম্পূৰ্ণ সাহাৰ্য আগবঢ়াব। এতিয়া কথাটো হ'ল যে, আমাৰ সেই অসম চুক্তি মতে, দুয়োটা পেপাৰ মিলৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে পূঁজি দিছিল, কিন্তু আজি কেইবছৰৰ মানৰ পৰা কিন্তু এইটো বন্ধ হোৱাৰ উপক্ৰম হৈছে আৰু ইয়াতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সন্মুখত অশোক কাগজ কলৰ ছাত্ৰ-ছাত্ৰী সকল আহি কন্দা-কটাও কৰিছিল, আজিৰ পৰা দুবছৰৰ আগতে।

**মাননীয় অধ্যক্ষ ঃ** মই ভাৱো যে, আপুনি মূল চাপ্লিমেণ্টৰীটো কৰক। তাতকৈ বেলেগে নাযাব।

**শ্ৰী মামুন ইমদাদুল হক চৌধৰী, (নাওঁবৈঠা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ কথাকৈ আছো।

**মাননীয় অধ্যক্ষ ঃ** চুক্তি নহয়। ৫ নং আৰু ৬ নং দফাটো প্ৰদানকৈ আছে। তথাপিও মই Allow কৰিছো, এটা পইণ্টতে তাতকৈ বেছি বহলাই নকৰিব।

**শ্ৰী মামুন ইমদাদুল হক চৌধৰী, (নাওঁবৈঠা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শেষ কৰি দিছো। মাননীয় মন্ত্ৰী মহোদয়, চুক্তি স্বাক্ষৰকাৰী সংগঠনৰ আগশাৰী নেতা আছিল, কিন্তু আপুনি কোৱাৰ দৰে, আপুনি চুক্তিত স্বাক্ষৰকাৰী নাছিল। আপুনি কৈ গৈছে, সেইটো ৰেকৰ্ড থাকি যাব এচেম্বলীত। চুক্তিত স্বক্ষৰকাৰী আছিল শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু ফুকন আৰু বিৰাজ শৰ্মা। তাৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ পৰা আছিল Home Secretary আৰু অসম চৰকাৰৰ Chief Secretary. গতিকে

এই বস্তুটো ডিলেট কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাৰ কথাটো বুজিছো। In their presence.

**শ্ৰী মামুন ইমদাদুল হক চৌধৰী, (নাওঁবৈঠা) ঃ** They are presence, they are not secret. Thank you.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ**.মাননীয় অধ্যক্ষ ডাঙৰীয়া, সদৌ অসম ছাত্ৰসন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদৰ গোটেই Executive member¯ সকলো সেইদিনা পেজেণ্ট আছিলে চুক্তি স্বাক্ষৰ কৰাৰ সময়ত । ময়ো আছো তাতে। স্বাক্ষৰকাৰী গণ সংগ্ৰাম পৰিষদৰ বিৰাজ শৰ্মা আছিল, সেইটো সকলোৱে জানে। গতিকে প্ৰশ্নটো হ'ল যে, ৫ নং দফাৰ কথা, তেখেতে যিটো কৈছে, সেইটো এটা বেলেগ প্ৰশ্ন। তাৰ কাৰণে মই প্ৰস্তুত আছো উত্তৰ দিয়াৰ কাৰণে। সেইটো ইয়াৰ লগত contradictory নহয়, আৰু দ্বিতীয় কথাতো হ'ল যে, অশোক পেপাৰ মিলৰ কথাতো কৈছিল আৰু মৰাপাট মিলৰ কথাতো কৈছে। এতিয়া আমি মৰাপাট কলৰ কথাতোৰ এটা সিদ্ধান্ত লৈছো, অসম চৰকাৰে অলপতে নগাওঁ মৰাপাট কলৰ আৰু অশোক পেপাৰ মিলৰ ক্ষেত্ৰত আমি আপোনাসকলক জনাও যে, অশোক পেপাৰ মিল এতিয়া বন্ধ হৈ আছে ঠিক, আৰু অশোক পেপাৰ মিলটো বন্ধ হোৱাৰ পাছত,আমি এতিয়া অশোক পেপাৰ মিলৰ চাৰিওফালে বাউণ্ডেৰী ৱালৰ কাম আৰম্ভ কৰিছো, এতিয়া। বৰ্তমান কাম চলি আছে। আশোক পেপাৰ মিলটো আমি খোৱলাৰ কাৰণে এটা ব্যৱস্থা অসম চৰকাৰে চিন্তা-চৰ্চা কৰি আছে আৰু কেইবাটাও কোম্পেনীৰ লগতো এই সম্পৰ্কত মই নিজে উদ্যোগ মন্ত্ৰী হিচাপে মই কথা পাতি আছো, আৰু তাতে অশোক পেপাৰ মিলৰ এটা কমপ্লেক্স হ'ব। এনেকুৱা ধৰণৰ এটা প্ৰস্তাৱ আমি উদ্যোগ বি ভাগৰ পৰা ইতিমধ্যে গ্ৰহণ কৰি আছো। গতিকে আজি গোটেই বস্তুটো এটা কমপ্লিট এটা প্ৰপ'জেল নহাৰ কাৰণে মই স্পষ্টভাৱে কব নোৱাৰিম। কিন্তু গোটেই কথাখিনি চলি আছে যে, মই ভালকৈ এটা কথা কোৱাৰ কাৰণে যে অসম চুক্তিৰ শেষৰ ফালে কাগজকল, ইটো-সিটো আছিল। গতিকে সেইবোৰ কিয় নহ'ল? সেইটো কথা কোৱাৰ বাবে মই ভাল পাইছো। কিয়া নহ'ল কাৰণেইটো গণ্ডগোল হৈছে আচলতে, আৰু আমি কৰিছো কাৰণে আজিদিনটোত আমাৰ ওচৰতে হামলা হৈছে। এইটোৱে গণ্ডোগল হৈছে। গতিকে সেইকাৰণে কথাটো হ'ল যে, কিয় নহ'লেতো কোৱাৰ কাৰণে মই খুব ভাল পাইছো। কাৰণ যিসকলে নকৰিলে, তেওঁলোকে যে আন্দোলন কৰিছে, জাতি, মাটি, ভেটিৰ আৰু যি আমি কৰিলো আৰু আমি আজিৰ দিনটোত কি হ'ল, আমি জাতি, মাটি, ভেটি বিক্ৰী কৰাৰ নিচিনা ? গতিকে এইবিলাক কথা।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চুক্তি স্বাক্ষৰ কৰাৰ সময়ত আজি মাননীয় মন্ত্ৰী সেই সময়ত উপস্থিত আছিল, আৰু মইও আছিলো। কিন্তু প্ৰশ্নটো হ'ল যে মই উপস্থিত থাকি এই চুক্তিখন নসাৎ কৰিব বিচৰা নাই। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, দুখৰ কথা যে, মাননীয় মন্ত্ৰী মহোদয় , সেই চুক্তি উপস্থিত থাকি এই চুক্তিখন নসাৎ কৰিব গৈ আছে। এতিয়া প্ৰশ্নটো হৈছে, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে, চুক্তি কেনেকৈ নসাৎ হ'ব। চুক্তি নসাৎ হ'ব নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬। এতিয়া, মোৰ প্ৰশ্নটো হ'ল যে, খিলঞ্জীয়া যিটো মাটি, ভেটি ৰক্ষাৰ কথা কৈছে, সাংবিধানিক ৰক্ষা কৰাৰ কথা কৈছে এতিয়া মোৰ প্ৰশ্নটো হৈছে খিলঞ্জীয়াৰ সংজ্ঞাটো আমাৰ ৰাজ্য চৰকাৰে কৰিলেনে নাই। যদি কৰিছে মোৰ ক'বলগীয়া নাই কিন্তু যদি কৰা নাই মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব লাগে। খিলঞ্জীয়াৰ সংজ্ঞাটো প্ৰকৃতাৰ্থত হৈছেনে নাই ,

যদি হোৱা নাই কিয় হোৱা নাই? আমি ভাল পাইছো অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে এখন উচ্চ পৰ্য্যায়ৰ কমিটি গঠন কৰাৰ সিদ্ধান্ত লৈছে । কিন্তু প্ৰশ্নটো হৈছে আৰু ১ টা মাহ পিছত আমাৰ লোকসভাৰ নিৰ্ব্বাচন। কেন্দ্ৰীয় চৰকাৰে এই উচ্চ পৰ্য্যায়ৰ কমিটিখন যদি আজি অন্তিম সময়ত নকৰি আৰু দুই বছৰ আগতে কৰিলেহেঁতেন তেতিয়া হ'লে কেন্দ্ৰীয় চৰকাৰৰ আন্তৰিকতাটো প্ৰতিপন্ন হ'লহেঁতেন। তেতিয়াহ'লে হয়তো আমি আদৰণি জনালোহেঁতেন। এতিয়া অধ্যক্ষ মহোদয়, খিলঞ্জীয়াৰ অধিকাৰৰ যিটো কথা কৈছে, সাংবিধানিক ৰক্ষা কবচৰ যিটো কথা কৈছে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মন্ত্ৰীমহোদয়ৰ পৰা জানিব বিচাৰিছো এই ক্ষেত্ৰত কিভাবে কমিটি কৰি কেতিয়া কৰাৰ কথা চিন্তা কৰিছে ?

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো আপোনাৰ ঠিকে আছে কিন্তু বেছি দীঘল হ'লে উত্তৰ দিয়াত সময় লাগিব।

**শ্ৰীৰমেন্দ্ৰ কলিতা, পশ্চিম গুৱাহাটী ঃ** মহোদয়, আপোনাৰ নিৰ্দ্দেশ মই আখৰে আখৰে পালন কৰিম কিন্তু এইটো এটা গুৰুত্ব পূৰ্ণ প্ৰশ্ন । আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো। আপুনি যদি বহিব দিয়ে মই বহি যাম কিন্তু এইটো গুৰুত্বপূৰ্ণ প্ৰশ্ন, অসম চুক্তি নস্যাৎ কৰা হ'লনেকি?

**মাননীয় অধ্যক্ষ ঃ** আপুনি খিলঞ্জীয়াৰ ৰক্ষা কবচৰ কথাটো কৈছে, আৰু খিলঞ্জীয়াৰ সংজ্ঞাটোৰ কথা কৈছে।..... মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো অসম চুক্তি সেইখন নস্যাৎৰ কোনো প্ৰশ্ন উত্থাপন হোৱা নাই। এইটো ক্ষেত্ৰত যদি বেলেগধৰণৰ প্ৰশ্ন আনে চৰকাৰৰ ফালৰ পৰা ক্লিয়েৰ কৰি দিব পাৰিলে আমি ভাল পাম। আমি ক্লিয়েৰ কৰিবলৈ প্ৰস্তুত আছো । কিন্তু আজি যদি লাগে সকলোখিনি কোৰেশ্বন আৱাৰৰ প্ৰশ্ন বাদ দিব লাগিব আমি তন্ন তন্নকৈ ক্লিয়েৰ কৰিবলৈ ৰাজী আছো। অধ্যক্ষ ডাঙৰীয়া, অসমীয়াৰ সংজ্ঞা নিৰূপণৰ বাবে আমাৰ বহু প্ৰচেষ্টা চলিছিল কিন্তু বৰ্ত্তমানলৈ হোৱা নাই। ইয়াৰ আগতে পূৰ্ব্বৰ চৰকাৰে ডাঃ ভূমিধৰ বৰ্মন ডাঙৰীয়াৰ সভাপতিত্বত এখন কমিটি কৰিছিল। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত সেই সময়ত তেখেতে যথেষ্ঠখিনি চেষ্টা কৰিছিল। কিন্তু তথাপিও কোনো সৰ্ব্বসন্মত সিদ্ধান্ত নহ'ল । তাৰ পিছত যেতিয়া প্ৰণৱ গগৈ ডাঙৰীয়া অধ্যক্ষ হৈছিল তেতিয়া তেখেতেও প্ৰায় ৫৩ সংগঠনৰ লগত আলোচনা কৰিছিল। গতিকে এই খিলঞ্জীয়া সংগঠনসমূহৰ লগত আলোচনা কৰাৰ পিছতো অসমৰ খিলঞ্জীয়াৰ সংজ্ঞাটো আজিলৈকে নিৰূপণ হোৱা নাই। কিন্তু মই মাননীয় সদস্য কলিতা ডাঙৰীয়াৰ লগত একমত যে আমি খিলঞ্জীয়াৰ সংজ্ঞাটো সকলোৱে মিলি নিৰূপণ কৰিব লাগিব। গতিকে পৰৱৰ্ত্তী দিনত যিখিনি প্ৰচিডিঙ আছে সেইখিনি লৈ- আৰু বৰ্ত্তমান যদি কাৰোবাৰ মতামত আছে সেইবিলাক লৈ খিলঞ্জীয়াৰ সংজ্ঞাটো নিৰূপণ কৰাৰ বাবে নিশ্চয় আমি আগন্তুক দিনত ব্যৱস্থা ল'ম ।

**শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** অসম চুক্তিৰ ৬ নং দফাত অসমীয়া বুলি আছে। এইটো সংশোধন কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** প্লিজ...... প্লিজ মাজত নক'ব। মই সকলোকে ক'বলৈ অনুমতি দিম।.... এতিয়া কমলেখ্য দে পুৰকায়স্থ।

**শ্ৰীকমলেখ্য দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** অধ্যক্ষ মহোদয়, ক্ল'জ-৫ মতে অধ্যক্ষ মহোদয়ে যিটো কথা ক'লে- ডিলিশ্যন- ডেপুটেশ্যন- মই মন্ত্ৰী মহোদয়ক আপোনাজৰিয়তে সুধিব বিচাৰিছো কিমান মানুহক বাংলাদেশলৈ পঠোৱা হ'ল। বাংলাদেশৰ লগত কিবা ট্ৰিটি আছেনে নাই? আৰু

যিটো কথা শ্বেৰমান আলি ডাঙৰীয়াইক'লে অসম চুক্তিত ক্লিয়েৰলী লিখা আছে। Legislative - Administrative safeguard কথা আছে Assamese People ৰ safegurdৰ কথাটো আছে। ইয়াত আকৌ খিলঞ্জীয়াৰ কথাটো কিয় আহি গ'ল? এই Contradictory আকৌ কিয় আহি গ'ল? Clause-5 ত Contradictory, হৈ আছে- Clause-6 ত Contradictory হৈ আছে? এইবোৰ লৈ কি পৰি বেশ হৈ আছে মই আপোনাৰ জৰিয়েত মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টভাৱে জানিব বিচাৰিছো। যিহেতু অসমত বিভিন্ন community ৰ মানুহ আছে, এই কাৰনে যিটো Committee থাকে যাতে বিভিন্ন Cast-Community ৰ representative থাকে এইটো কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টকৈ জানিব বিচাৰিছো।

**মানননীয় অধ্যক্ষ ঃ** ..... মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** অধ্যক্ষ মহোদয়, যিটো কথা কৈছে খিলঞ্জীয়াৰ কথাটো কিয় আহে? এইটো মই অনা নাই। মাননীয় সদস্যগৰাকীয়ে কোৱা বাবেহে মই কৈছো। সেইটো মোক দোষাৰোপ কৰিলে নহ'ব। দ্বিতীয় কথাটো হৈছে- আমাৰ সকলোকে লৈ Committee কৰা হ'ব এইটো ঠিক। আপোনালোকে নিশ্চিত থাকক। সকলোৰে মনৰ ভাব-মতামত লৈ কমিটি কৰা হ'ব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইদিনা ৰাজ্যপালৰ ভাষণৰ ওপৰত কৈছে যে সকলোকে সাঙুৰি লৈহে আমি যাব লাগিব। তেখেতে Team Assam ৰ কথা পুনৰ উল্লেখ কৰিছে ইয়াত। Team Assam মানে আপোনাক সকলোৰে। ইয়াত কোনেও সন্দেহ কৰিব নালাগে আৰু কিমান বিদেশী গ'ল বুলি প্ৰশ্ন কৰিছে- ১৯৮৫ চনৰ পৰা ২০১৮ চনলৈকে বিদেশী নাগৰিকৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰ হ'ল— ৬,২৬,৭৯৩ আৰু ট্ৰিবুনেলৰ দ্বাৰা ভাৰতীয় ঘোষণা হৈছে ১,০৮,৮১৫ জন । বিদেশী ঘোষণা হৈছে ১,৩৭,৭৬৪ আৰু মুঠ বিদেশী বহিষ্কৰণ হৈছে ২৯ ৮২৯ জন। এইখিনি।

**মাননীয় অধ্যক্ষ ঃ** ডাঃ নোমল মোমিন।

**ডাঃ নোমল মোমিন, বোকাজান ঃ** অধ্যক্ষ মহোদয়, Clause-5 অসম চুক্তিৰ অধীনত মন্ত্ৰী মহোদয়ে এতিয়া ক'লে Foreigner detect হৈছে ১০,৩৭,০০০ কিন্তু ইয়াত দেখুৱাইছে ৯৪০০০ । এই খেলিমেলিটো কিয় হৈছে ? Officerৰ ভূলৰ বাবে হৈছেনে নে কাৰ বাবে হৈছে চাব লাগে দ্বিতীয়তে মোৰ কথাটো হৈছে যে, ৯৪৪২৫ detect হৈছিলে ১৯৮৫ ৰ পৰা ২০১৮লৈকে । আৰু ২৯ ৮২৯ deport কৰা হ'ল। বাকী ৬৪৫৯৬ কি হ'ল ? বাকীসকলক deport কৰা হ'লনে নহ'ল। কি পৰ্য্যায়ত আছে?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী..

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** অধ্যক্ষ ডাঙৰীয়া Foreigner Tribunalত যেতিয়া কেচটো যায়, বিচাৰ চলি থাকে। তেখেতে সমস্যাটো খেলিমেলিৰ যিটো কথা কৈছে- এইটো এই কাৰণে যে Border Police এ যেতিয়া Foreigner Tribunal লৈ কেচটো পঠিয়াই তেতিয়া Foreigner Tribunal কিছুমান স্বদেশী আৰু কিছুমানক বিদেশী ঘোষণা কৰি দিয়ে । বিদেশী ঘোষণা হোৱা কিছুমানে আকৌ High Court কৰে তাৰে কিছুমানে আকৌ detention Campত থাকে ।কিছুমান মানুহ আকৌ Untrace হৈ থাকে । তেওলোকক বিচাৰিয়ে নাপায়। এইটোৱে কথা। এতিয়া retrate কৰাৰ Procedure এতিয়াহে আৰম্ভ হৈছে। ইমান দিনে systematic ভাৱে হোৱা নাছিল , আৰু নোহোৱা কাৰণ আছিল Push back । আমাৰ আগৰ চৰকাৰৰ দিনত কি হৈছে- কৰোবাক বিদেশী বুলি ঘোষণা কৰি দিলে - Push back কৰি দিলে। বাংলাদেশ বৰ্ডাৰত দি দিলে। এতিয়া বাংলাদেশে ল'লেনে নাই নে পিছত আহি আকৌ ঘুৰি আহি

ঘৰ পালে, এইটো কোনেও নাজানে। কিন্তু এতিয়া আমি সেইটো কৰা নাই। বাংলাদেশ চৰকাৰৰ লগত এই সম্পৰ্কত আলোচনা হৈছে। ভাৰত চৰকাৰৰো হৈছে। এতিয়া retrate কৰাৰ ব্যৱস্থা হৈছে। গতিকে যিয়ে যাব systematic ভাৱে যাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে- এতিয়া কোৱেশ্বনং-৩৭, শ্ৰীআব্দুল খালেক । যিকেইটা আনুসংঙ্গিক কথা ক'ব বিচাৰিছে কোৱেশ্বন আৱাৰৰ পিছত আপোনালোকক সকলোকে অলপ সময় দিম। At 10.30 I will allow you . so Minister will also be present.

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** আমি চাৰ walk out কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। প্ৰশ্ন নং ৩৭।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ উত্তৰত জনালে যে এতিয়ালৈকে ২৯,৮২৯ জন বিদেশীক স্বদেশলৈ উভতাই পঠোৱা হৈছে। তাৰ আগতেও আগৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কলে যে Push back কৰিছে ভগৱানে জানে সেই দেশলৈ গ'ল নে নাই। এই প্ৰশ্নটোত কিন্তু মই, মোৰ প্ৰশ্নটো আছিল যে কেইজন বিদেশী চিহ্নিত ডি ভোটাৰক স্বদেশলৈ উভতাই পঠোৱা হৈছে? উত্তৰত জনালে যে ২৯,৮২৯ জনক স্বদেশলৈ পঠোৱা হৈছে, আৰু তাৰে এজনহে ডি ভোটাৰ। এতিয়া মই জানিব খুজিছো যে এইসকলক সীমান্তত এৰি থৈ আহিলে নে তেওঁলোক যি দেশৰ পৰা ইয়ালৈ আহিছিলে সেই দেশত গ'ল? কাৰণ স্বদেশলৈ উভতাই পঠোৱা বুলি কৈছে। সীমান্তত এৰি থৈ আহিলে স্বদেশলৈ পঠোৱা নুবুজায়। সেইটো এক নম্বৰত জানিব খুজিছো অধ্যক্ষ মহোদয়। দ্বিতীয়তে মোৰ প্ৰশ্নৰ 'খ' প্ৰশ্নৰ উত্তৰত জনাইছে যে যিমান আমাৰ ডি ভোটাৰ আছে তাৰ ১,১৮,৩২৮ টা গোচৰ ৩১ আগষ্ট ২০১৮ চনলৈকে নিষ্পত্তি কৰা হৈছে। নিষ্পত্তি হোৱা গোচৰসমূহৰ ভিতৰত ২৩,৪৩৭ জনক বিদেশী বুলি ঘোষণা কৰিছে। এতিয়া দেখা গ'ল অধ্যক্ষ মহোদয়, যে ৮৮,৪৯৯ জন মানুহ স্বদেশী মানুহ। মই মন্ত্ৰী মহোদয়ৰ তথ্যৰ পৰা কৈছো। প্ৰধান মন্ত্ৰী মহোদয়ে যেতিয়া ২০১৪ চনত, তেতিয়া তেখেত প্ৰধান মন্ত্ৰী হোৱা নাছিলে, শিলচৰৰ নিৰ্বাচনী প্ৰচাৰত কৈছিলে যে তেখেত প্ৰধান মন্ত্ৰী হ'লে বা বিজেপিৰ চৰকাৰ হ'লে Detention Camp সমূহ গুৰিয়াই ভাঙি পেলোৱা হ'ব। এতিয়া আমি জানিব খুজিছো অধ্যক্ষ মহোদয়, এই যে ৮৮,৪৯৯ জন স্বদেশী মানুহ হাৰাশাস্তি হ'ল কি Metrologyৰ অধীনত ডি ভোটাৰৰ নটিচ পঠোৱা হ'ল? কাৰণ ৮৮,৪৯৯ জন মানুহৰ এজনো, চৰকাৰে কৈছে যে এজনো ভাৰতীয় নাগৰিক হাৰাশাস্তি হ'ব নালাগে। কিন্তু দেখা গৈছে ১,১৮,৩২৮ ৰ ভিতৰত ৮৮,৪৯৯ জন স্বদেশী ভাৰতীয় নাগৰিক হাৰাশাস্তি হ'ল। গতিকে মই জানিব খুজিছো আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা যে এনেকুৱা কি Metrology কৰিছে আৰু ভৱিষ্যতে কি Metrology কৰিব? বিদেশীমুক্ত অসম কৰিবই লাগিব। কিন্তু একেই সময়ত যি সকলক ভাৰতীয় নাগৰিক, যদি মোক বিদেশী বুলি কয় বা আপোনাক বিদেশী বুলি কয়, তেতিয়া আমাৰ সকলোৰে অনুভূতিত আঘাত লাগে। সেই কাৰণে যাতে এজনো ভাৰতীয় নাগৰিক হাৰাশাস্তি নহয় তাৰ কাৰণে চৰকাৰে কি Metrology ল'ব? সেইটো জানিব খুজিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, যেতিয়া এজন মানুহ সন্দেহযুক্ত বুলি ধাৰণা কৰা হয় তেতিয়া তেওঁৰ পৰা Border Police য়ে তথ্য বিচাৰে। বহুত সময়ত বহুত মানুহে হয়তো তথ্য দিব নোৱাৰে বা যিখিনি প্ৰয়োজনীয় তথ্য হয়তো সেইখিনি তেওঁলোকৰ লগত নাথাকে। তেতিয়া কেছটো তেওঁলোকে ৰেফাৰ কৰে। এতিয়া আমাৰ কথাটো হ'ল যে আমি এটা কথাত স্পষ্ট যে কোনো ভাৰতীয় নাগৰিক হাৰাশাস্তি হ'ব নালাগে। এইটো আমাৰ চৰকাৰৰ দৃঢ় মত।

গতিকে কোনো ভাৰতীয় নাগৰিক যাতে হাৰাশাস্তি নহয় তাৰ কাৰণে আপোনাৰ এই ১,১৮,৩২৮ টা গোচৰ নিষ্পত্তি ক'ৰা হৈছে। তাৰমানে তেওঁলোকক এটা Scope দিয়া হৈছে যে আমি যেতিয়া তোমালোকৰ ওচৰত গৈ সুধিছিলো তোমালোকে তথ্য দিব পৰা নাছিলা বা তোমালোকৰ যিখিনি লাগতিয়াল Supplement কৰিব লাগিছিল সেইখিনি তোমালোকে Supplement কৰিব নোৱাৰিলা। গতিকে এতিয়া তাত যোৱাৰ পিছত তেওঁলোকৰ যিটো অসুবিধা থাকে, তেওঁলোকৰ নথি-পত্ৰ বা অন্যান্য যিখিনি কাগজ পত্ৰ থাকে সেইখিনি হয়তো তেওঁলোকে প্ৰস্তুত কৰে আৰু প্ৰস্তুত কৰাৰ পিছত FTয়ে তেওঁলোকক স্বদেশী বুলি ঘোষণা কৰে। এইটোৰ দ্বাৰা এইটো প্ৰমাণ হৈছে যে কোনো ভাৰতীয় নাগৰিক আচলতে হাৰাশাস্তি হোৱা নাই। গতিকে ৮৮,৪৯৯ জন মানুহ যে তাত গ'ল, এইটোৰ নটিচ যে দিলে, নটিচ দিয়াৰ সময়ত বা হয়তো তেওঁলোকে নটিচ দিয়াৰ আগত তথ্যখিনি দিব পৰা নাছিল আৰু তথ্যখিনি দিব নোৱাৰাৰ কাৰণে ৮৮,৪৯৯ জন মানুহ Free হৈ গ'ল। FT ত তেওঁলোকে তথ্য দিলে বা কোৰ্টত তেওঁলোকে তথ্য দিলে। কোনোবা হয়তো বিদেশী বুলি FT পোৱাৰ পিছত হাইকোৰ্টো কৰে কিছুমানে। গতিকে এই যিটো কথা আছে, এইটোৰ জৰিয়তে আমাৰ সকলোকে এই সুবিধাখিনি FTত প্ৰদান কৰা আছে। গতিকে কাৰোবাক যদি ভাৱে যে কোনোৱা এজন ভাৰতীয় নাগৰিক কিন্তু তথ্য দিব নোৱাৰাৰ কাৰণে FTত কেছ কৰিবলগীয়া হ'ল, গতিকে এটা সুবিধাৰ কাৰণে এই সুবিধাখিনি প্ৰদান কৰা হৈছে আৰু এয়ে প্ৰমাণ কৰে যে ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা কোনো Intension চৰকাৰৰ নাই।

**শ্ৰী আব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, মই প্ৰথমতে যি কথা জানিব খুজিছিলো সেইটো কথা নজনালে সীমান্তত এৰি থৈ আহিলে নে তেওঁলোকৰ সংশ্লিষ্ট দেশ সমূহলৈ পঠোৱা হ'ল? সেই প্ৰশ্নটোৰ উত্তৰ মন্ত্ৰী মহোদয়ে নিদিলে। দ্বিতীয়তে, মই জানিব খুজিছিলো Metrology ৰ কথা। এই যে ৮৮,৪৯৯ জন, মন্ত্ৰী মহোদয়ে যিমানে কওঁক, চৰকাৰ যাৰে নহওঁক, ৮৮,৪৯৯ জন স্বদেশী মানুহে কিন্তু অধ্যক্ষ মহোদয়, Criminalলৈ যাব ল'গা হ'ল, তেওঁলোক উচ্চ ন্যায়লয়লৈ যাব ল'গা হ'ল, উচ্চতম ন্যায়লয়লৈ যাব লগা হ'ল আৰু আইনী প্ৰক্ৰিয়া এই সদনত আপোনাকে ধৰি কেইবাজনো আইনীবিদও আছে, একেবাৰে দুখীয়া মানুহে ন্যায় পোৱাটো ইমান সহজ কথা নহয়। সেই কাৰণে যি চৰকাৰে নহওঁক যাতে প্ৰতিজন দুখীয়া মানুহ যি সকল ভাৰতীয় নাগৰিক, যি সকল স্বদেশী তেওঁলোকে যাতে ন্যায় পায়, তেওঁলোকে যাতে অনাহকত হাৰাশাস্তিৰ সন্মুখীন নহয়। আমি বিদেশী মুক্ত কৰিবলৈ একেই সময়ত সেইটোও আমি হিত চিন্তা কৰিব লাগিব অধ্যক্ষ মহোদয়। অধ্যক্ষ মহোদয়, আমাৰ সীমাস্থলীত চৰকাৰে এনেকুৱা এটা ব্যৱস্থা কৰক যাতে ভৱিষ্যতে এজনো বিদেশী সীমান্তইদি আমাৰ ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰে। বৈদ্যুতিক চৰ্ট খটাওক, ওখ দেৱাল নিৰ্মাণ কৰক যাতে আমাৰ সীমান্তইদি কোনো বিদেশী সোমাব নোৱাৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, এই যিখিনি নাগৰিক স্বদেশলৈ পঠোৱা হৈছে, আমি বাংলাদেশলৈ পঠিয়াই দিছো। যিহেতু বাংলাদেশৰ লগত আমাৰ আজিৰ দিনটোত এখন Violation Act ত চুক্তি হোৱা নাই।

**শ্ৰী আব্দুল খালেক ঃ** কেনেকৈ পঠিয়ালে।

**মাননীয় অধ্যক্ষ ঃ** Let the answer.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** শুনক, মই কৈ আছো। আপুনি কথা কৈ থাকোতে মই কোৱা নাই নহয়, মই শুনি আছো, আপুনিও শুনক। গতিকে আগৰ যিটো System আছিল যে বাংলাদেশৰ ব'ৰ্ডাৰত তেওঁলোকক নি এৰি দিয়া হয়। তেনেকৈ এৰি দিয়া হৈছে তেওঁলোকক। এইটো আজিৰ

কথা নহয়। এতিয়া হাৰাশাস্তি হোৱাৰ যিটো কথা কোৱা হৈছে যে ১৯৯৭ চনত যেতিয়া AGP দলে, তেওঁলোকে boycott কৰিলে, ১৯৯৭ চনত অসম গণ পৰিষদৰ চৰকাৰ আছিল, প্ৰথম ডি ভোটাৰ অসম গণ পৰিষদ দলত আছিল তেতিয়া, ময়ো মন্ত্ৰী আছিলো তেতিয়া। মই কলো নহয়, দায়িত্ব স্বীকাৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Please please give the answer.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** ১৯৯৭ চনতে প্ৰথম সৰ্বমুঠ ২,০২,০৯২ জন ডি ভোটাৰ। তাৰ পিছত কংগ্ৰেছ চৰকাৰৰ দিনত ২০০৫ চনত ১,৬০,০৫১ জন আৰু ১৫-০৯-২০১৮ চনলৈকে ১,১৯,৫৫৯ জন ডি ভোটাৰ হৈছে। এতিয়া কথাটো হৈছে যে এইটো Election Commission য়ে ১৯৯৭ চনত এইটো কথা কৈছিল যে যাক সন্দেহযুক্ত বুলি ধৰা যায় তেওঁৰ নামৰ againstতেডি লগাব লাগে। এইটো Election Commission of India ৰ নিৰ্দেশ আছিল আৰু সেইমতে এজিপি চৰকাৰৰ দিনত ১৯৯৭ চনত এই কামখিনি আৰম্ভ হৈছিল। গতিকে এতিয়া কথাটো হৈছে যে আজিৰ দিনটোত আমাৰ যিখিনি মানুহ শেহতীয়া ভাৱে Deportation হৈছে, শেহতীয়া ভাৱে Deportation হওঁতে এইটো এটা কথা হৈছে আমাৰ অসম আৰু বাংলাদেশৰ যিটো সীমান্ত তাত বাংলাদেশৰ যিখিনি তেওঁলোকৰ BDI বা অন্যান্য থাকে আৰু অসম পুলিচৰো, এতিয়া তেওঁলোকে মিলাপ্ৰীতিৰে এইটো কাম কৰি আছে। এতিয়া যিখিনি Deportation হৈছে সেইখিনি বাংলাদেশে ঘুৰাই লৈছে। যদিও Violation Act হোৱা নাই কোনো চুক্তি এখন হোৱা নাই, কিন্তু এতিয়া সেই হিচাপত বৰ্তমান Deportation টো কৰা আছে। আগন্তুক দিনত মই ভাৱো তেনেকুৱা গতিৰে গৈ, এইটো আচলতে আগতে সিদ্ধান্তটো ল'ব লাগিছিল, ১৯৮৫ চনতে সিদ্ধান্তটো ল'ব লাগিছিল। নোৱাৰিলো যি কাৰণতে নহওঁক। Successive চৰকাৰ খিনিয়ে এইটো সিদ্ধান্ত ল'ব লাগিছিল, যি কাৰণতে হওঁক নোৱাৰিলে। সেই কাৰণে অধ্যক্ষ মহোদয়, আপোনাক এইখিনিতে এটা কথা জনাও যে আজিৰ দিনটোত যিখিনি মানুহ Register কৰা হ'ব বা হৈছে, এইখিনি কিন্তু বাংলাদেশৰ যিটো পইন্ট, এই পইন্টত আমাৰ অসম পুলিচ আৰু বাংলাদেশৰ পুলিচ তেওঁলোকে মিলিপ্ৰীতিৰে তেওঁলোকৰ মানুহখিনিক তেওঁলোকে accept কৰিছে।

**প্ৰশ্নকালীন ঘন্টা**

**প্ৰশ্ন নম্বৰ ৩৭**

**শ্ৰী আব্দুল খালেক (মাননীয় বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান মই D-voter লৈ যোৱা নাই, বিদেশী উভতাই পঠাই, ২০১৬ চনৰ ১৩ জুনত Push back কৰা হৈছে, ২০১৬ চনত ২৬ জনক Push back কৰা হৈছে ২০১৭ চনত ৬৫ জনক Push back কৰা হৈছে, ২০১৮ আৰু ২০১৯ চনত ২৬ জন, এই কথাটো চৰকাৰে স্পষ্ট কৰিব লাগে। অন্তত এই চৰকাৰৰ দিনত তাত যদি আমি সীমান্তত থৈ আহো আকৌ অহা সম্ভাৱনা আছে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে কৈছে বাংলাদেশৰ যি Police Force আছে, তেওঁলোকে গতাই দিয়াৰ কথাটো কৈছে, মই যিটো বুজি পাইছো সেইটো কেতিয়াৰ পৰা হৈছে আপোনাৰ হাতত তাৰিখটো আছে নেকি?

**শ্ৰী আব্দুল খালেক (মাননীয় বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মহুৰ্তত কব লাগে বুলি কথা নাই, সদনক জনালে হয়, এইখিনি মানুহক এই এই মানুহ নাম কেইটা সহ এই মানুহক আমি

বাংলাদেশ আৰক্ষীৰ হাতত আমি অৰ্পন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Please, give the details to the House later on.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিখিনি সংখ্যাৰ কথা ক'লে আপুনি এইখিনি আমি বাংলাদেশ চৰকাৰৰ হাতত গোটাই দিয়া হৈছে আৰু তাৰে ভিতৰত আছে বাংলাদেশৰ পৰা অহা মানুহ আছে আৰু ম্যানমাৰৰ পৰা অহা ৰহিংগীয়াও আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ হাতত যিখিনি data আছে সেইখিনি দি দিলে হ'ব। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা প্ৰশ্নৰ উত্তৰ কৈছে, এটা কথা আমি দেখা পাইছো যে প্ৰত্যকজন মানুহৰ D-Voter ৰ case বোৰ Foreigners Tribunal ক Refer কৰি কয়, SP জনে এটা report দিব লাগে যে তেওঁ কি কি Documents বিচাৰিছিল, পাইছে নে পোৱা নাই আৰু সেই report, যিটো format প্ৰায় ৬ page মান ডাঙৰ। এই format যেতিয়া ফিলাপ কৰি পঠাই তাত নাম আৰু Address বিলাক খালী থাকে। গতিকে এই কথাটো ভালকৈ তদন্ত কৰিবলৈ মই অনুৰোধ জনালো আৰু লগতে Deportation আৰু Push back ৰ কথা কোৱা হৈছে, Deportation টো বেলেগ System আৰু Push back টো হ'ল Illegal ইয়াৰ ভিতৰত কিমান Deportation আৰু Push back এইটো ভাঙি দিয়া নাই। Push back টো আন্তৰ্জাতিক মানৱ অধিকাৰ আইনৰ পৰিপন্থী। তেওঁলোকক ৰাতি মনে মনে গৈ পেলাই Border এৰি থৈ গুচি অহা, গতিকে আমি ভাবো বাংলাদেশৰ লগত Bilateral Talks অতি সোনকালে কৰাৰ কাৰণে আমাৰ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাবী জনাওঁক যাতে তাত আনুষ্ঠানিক ভাবে গোটেইখিনি গতাই দিব পাৰো। তাত যাতে কোনো আইন আমান্য কৰিব লগীয়া নহয়, অধ্যক্ষ মহোদয়, আপুনি এই বিষয়টোত বিশেষ এটা All party ৰ meeting এটা আপোনাৰ Chamber ত সেইদিনা আমাৰ IGP আৰু Home Secretary তেওঁলোক সকলো আছিলে। সেইদিনা এটা সিদ্ধান্ত লোৱা হৈছিলে, এতিয়াৰ পৰা নতুনকৈ কোনো মানুহক D-Voter বনোৱা নহয়, দেখা গ'ল তাৰ পিছৰ পৰা এতিয়া লৈকে Notice আহিয়ে আছে যি বিলাক আগতে D-Voter নাছিলে, কোনো তদন্ত নোহোৱাকৈ এতিয়াও আগৰ নিচিনাকৈ Notice আহিয়ে আছে। আপুনি দিয়া সিদ্ধান্তটো কাৰ্য্যকৰী হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মোক তথ্যখিনি দি দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Border Police এ যেতিয়া Notice বিলাক দিয়ে, Notice তেওঁলোকে ভিত্তিৰ ওপৰত বা সন্দেহৰ ওপৰত দিয়ে। আপুনি কৈছে এতিয়া D-Voter আহিছে, কোনোৱা genuine মানুহৰ Against ত যদি আপুনি Specific case আমাক দিব পাৰে, তেতিয়া হলে চৰকাৰে বিবেচনা কৰিব। দ্বিতীয় কথাটো হ'লে আমাৰ Border Police বিভাগে এতিয়া Public ক সহায় কৰিবৰ কাৰণে যিটো কথা আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কৈছে Border বিভাগে। To Provide facilities to the pepole যিয়ে গোটেই বিষয়খিনি নেজানে তেওঁলোকক সেইটো Provide কৰাৰ কাৰণে Border police এ Cell খুলিছে, আমাৰ Head office ত তেনেকুৱা ধৰণৰ ব্যৱস্থা কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতীয় ঘোষণা

হোৱা নাগৰিকৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যিমান সহজভাবে কৈছে, তেওঁলোকে Tribunal ত গৈ এটা সুযোগ পায়, এইটো হাৰাশাস্তি নহয় কথাটো এনেকুৱা সহজ নহয় আজি যদি মন্ত্ৰী মহোদয়ক D-Voter কৰি ১০/১৫ বা ২০ বছৰ তেওঁৰ ভোটাধিকাৰ হৰণ কৰা হয় তেওঁৰ ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা নাপায়, তেওঁ চাকৰি নাপাব এইটো হাৰাশাস্তি নহয় জানো। Is it not a huge harassment to the person? এতিয়া মন্ত্ৰী মহোদয়ে, কৈছে যে Notice দিয়া হৈছে কিন্তু তেওঁ কোনো তথ্য পাতি দেখুৱাব পৰা নাই। আচল কথটো হ'ল মাননীয় অধ্যক্ষ মহোদয়, Many of the cases are controversial. Police এ Field ত নাযায়, তেওঁলোকক Notice নিদিয়ে আৰু তেওঁলোকে বহু ক্ষেত্ৰত নাজানে যে ex-parte judgement হয়। আজি এটা দুটা ক্ষেত্ৰত তেনেকুৱা হলে আমাৰ কব লগীয়া নাছিলে। যদি ১০০ টা Case ৰ ভিতৰত এটা যদি ভাৰতীয় বুলি ঘোষণা হৈছে, তেতিয়া হলে কথা নাছিল। That means the police force should applied its mind before referring a case to the Court. যদি ১০০ টা case ৰ ভিতৰত ৮০/৯০ টা যদি ভাৰতীয় হয় What does it mean? The Police was not performing its duty with responsibility and applying its mind. Sir, Universal Decleration of Human Rights and India is a signatory. ইয়াত লিখা আছে Clause 11 ত Every one charge with a panel offence has the right to be presumed innocent, untill proved guilty according to a Law. This is the Clause of the Universal Decleration of Human Rights.

**মাননীয় অধ্যক্ষ ঃ** সময় কম আছে আপোনাৰ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শেষ কৰিম আৰু তেওঁ ভাৰতীয় হয় নে বিদেশী হয় সেইটো নিৰ্ণয় হোৱা নাই He is not proved by a Court of Law, how his all rights including the right to franchise, including the right of citizen is deprived. Is it not a crime, performed by the State . দ্বিতীয়তে, ছাৰ Article 15, "Everyone has the right to a nationality". বিদেশী বুলি ঘোষণা হ'ল It is the duty of the State Government to contact with his Country of origin and send him back but State Government insted of doing it, they are pushed back. How is it correct formula? I would like to have a declare from the Hon'ble Minister.

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক, এইটো তেনেকৈ নহব, এতিয়া মন্ত্ৰীয়ে কব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই যিটো কথা কৈছে যে Police য়ে Mind apply কৰা নাই এই কথাত মই একমত নহয়। ..........(গণ্ডোগল)...........

**মাননীয় অধ্যক্ষ ঃ** Please, lets him give the answer.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (মাননীয় বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিয় নহ'ব এইটো, তেখেতে তথ্য সহকাৰে কৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Police এ Mind apply নকৰা কথাটো মই মানি নলওঁ। ..........(গণ্ডোগল)...........

**মাননীয় অধ্যক্ষ ঃ** Please, Please, ..........(গণ্ডোগল)........... You have the patient

to hear him. ২মিনিট শুনক আপোনালোকে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি এটা কথা কিয় মানি নলওঁ যে অসমত বিদেশী সমস্যা আছিল, ৬ বছৰ অসম আন্দোলন হৈছিল তাৰ কাৰণে বিষয়টো sensitive হৈছে, এইটো বিহাৰত হোৱা নাই। ..........(গণ্ডোগল)..........

**মাননীয় অধ্যক্ষ** ঃ কিয় আপোনালোকে বাৰে বাৰে গণ্ডোগল কৰি আছে, কিয় আপোনালোকে মন্ত্ৰীক উত্তৰ দিব নিদিয়ে। আপোনালোকে ১ মিনিট সময় অপেক্ষা কৰক মই দিম নহয় ৰুলিং খিনি। মই আছো I will judge it,you can not judge. ..........(গণ্ডোগল).......... এতিয়া প্ৰশ্নকালীন ঘন্টা শেষ হ'ল।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** - **"Question Hour"** is over. Please sitdown. I will allow every body to raise all the **"Point Of Order"**. মই এটা কথা ক'ব বিচাৰিছো যে **"Question Hour"** টো কি ? আপোনালোকে নিজে কিতাপখন পঢ়িব। মাত্ৰ দুটা চাপ্লিমেন্টৰি দিয়া হৈছে। মই চাৰিটালৈকে দিছো, কাৰণ আমাৰ চাৰিটা বিধায়িনি দল আছে। কথাটো হৈছে তাৰ মাজত আমাৰ ফ্লেকচিবিলিটি থাকে। মোৰ যিখিনি ফ্লেকচিবিলিটি থাকে তাৰ ভিতৰত মই সহায় কৰিব চাওঁ। কিন্তু আপোনালোকে এইটো নাভাবিব হাউচত যিখিনি কৈছে তাৰ উত্তৰ ইয়াতে আমি পালো আৰু ইয়াতেই বিষয়টো শেষ হৈ গল। আমি হাউচত কিয় কওঁ, কি কেছো , কি কোৰা নাই, জনসাধাৰণে আমাক চাইছে, পেপাৰ অৰ্থাৎ সংবাদ মাধ্যমে চাইছে, T.V.এ লিখিব। আমাৰ কথাখিনিৰ কোনটো গুৰুত্বপূৰ্ণ আৰু কোনটো গুৰুত্বপূৰ্ণ নহয় Public analysis ভালকৈ কৰিব, because we are all Public Representatives. গতিকে "Question Hour" আমাৰ যিটো নিয়ম আছে সেই বিষয়টো যদি আপোনালোকে সলনি কৰিব বিচাৰিছে কৰক। আজি ২০টা প্ৰশ্নৰ মাত্ৰ তিনিটাহে হল, বাকী ১৭জন বিধায়কে প্ৰশ্ন সুধিবলৈ সুবিধাই নাপালে। সেইকাৰণে কৈছো, আপোনালোকে Rules Committee ৰ জড়িয়তে Rule টো সলনি কৰক। গতিকে মই এটায়ে কথা কব খুজিছোযে আপোনালোকৰ "Point Of Order"ৰ সকলো শুনিম কিন্তু সাধাৰণ Rules ত কৈছে দুটাকৈ "Supplementary Question" দিব। প্ৰশ্নকৰ্তাজনে দুটাকৈ পাৱ আৰু বাকী এটা এটাকৈ দুজনে পাব। মই পাৰিলে সকলোকে accomodate কৰো, কিন্তু accomodate কৰাৰো এটা সীমা আছে। I could complete it with three questions. Is it not injustice to the other questionaire? আগতে আমি নতুন MLA হৈ থাকোতেও frustrated হৈ যাওঁ। Same frustration is with the newa MLAs' perhapes.

গতিকে মই এইটো বিচাৰো যে আজি কেইটামান গুৰুত্বপূৰ্ণ কথা ওলাইছিল। এই কথাটোও হয় যে আপোনালোকে হয়তো মনে বিচৰা উত্তৰ নাপাব পাৰে, কোনোবাই হয়তো মনে বিচৰা মতে প্ৰশ্নটো কৰিব নোৱাৰিবও পাৰে, সেইটো বেলেগ কথা। কিন্তু মই বিচাৰো যে We have to see the House of Meghalaya. তাতো এনেকুৱা হয়, কিন্তু তেওঁলোকে হাউচটো চলিবলৈ এলাউ কৰে। এই কাৰণে এতিয়া "Point Of Order" টো আহক আৰু শেষৰ প্ৰশ্নটোত মই যিটো শুনিছো পুলিচ পক্ষত তেখেতে থিয় দি কৈছে আমি কাকো কৰা নাই, আপোনালোকে কৈছে কৰাৰ বহুতো উদাহৰণ আছে, এইটোৰেই কথা। আপোনালোকে তথ্য মতে আছে বুলি কৈছে আৰু তেখেতে নাই বুলি কৈছে। আমাৰ তথ্য সকলোৰে আছে। গতিকে proof হবই। কিন্তু কথাটো হৈছে Push Back. মই আগতেওঁ কৈছো De-

tention Camp is a sensitive thing. মই এটা Statement সেইকাৰণেই বিচাৰিছো, আপুনি যিহেতু কথাটো কলে, এটা লিখিত আকাৰত দিব। It is a right way to ask the question. Push Back টোৰ সলনি দুয়োখন চ ৰকাৰৰ Police force কথা পাতিছে যে, কেতিয়াৰ পৰা আৰম্ভ হৈছে, কিমানজন কেনেকৈ গৈছে that can be a good example. কাৰণ এইটো - আজি হোৱা নাই, বহুত আগৰ পৰাই হৈ আছে। গতিকে মই ভাৱো আপোনালোকৰ যিখিনি কথা আছে এই বিলাক sensitive কথা। অসম চুক্তি আজি কিমান বছৰ হৈ গল, কি হৈ আছে দেখি আছে। আমি অসমত যিখিনি মানুহ আছো আমি নিজৰ ভাষা সংস্কৃতি সকলো সংৰক্ষিত কৰিব লাগিব। ইয়াত যি বিভিন্ন ধৰণৰ ভাষা কোৱা মানুহ, বিভিন্ন খিলঞ্জীয়া যি গ্ৰুপ আছে আমি সকলোৱে মিলি কৰিব লাগিব, যিহেতু অসমখন এটা গ্ৰুপৰ নহয়। মন্ত্ৰী ডাঙৰীয়াই চৰকাৰক প্ৰতিনিধিত্ব কৰিছে, Police Torture হোৱা নাই বুলি কব লাগিছিল নেকি ? আপুনি মন্ত্ৰী হোৱা হলে একেটা কথাই কলেহেঁতেন। আমি উলিয়াব লাগিব যে কেনেকৈ হৈছে, সেইখিনি কথা ময়ো জানিবলৈ ইচ্ছুক।

এতিয়া "Point Of Order" কাৰ কাৰ আছে কওঁক। ৰকিবুল হুচেইন ডাঙৰীয়া, আপুনি "Point Of Order" ৰ কথা কৈছিলে।

**শ্ৰী ৰকিবুল হুচেইন, MLA** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ "Point Of Order" নহয়। আপুনি কৈছিল যে প্ৰশ্নটোৰ শেষত মোক কবলৈ দিব। যিহেতুকে "Point Of Order" নহয়, গতিকে প্ৰশ্নটোৰ আঁত ধৰি মোক বক্তব্য ৰাখিবলৈ অনুমতি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ-** মই কৈছিলো যে - অসম চুক্তিৰ বিতৰ্কত আমাৰ সদস্য কলিতাহঁত সদনৰ পৰা ওলায় গল আৰু "Question Hour" ৰৰ সময়ো ইতিমধ্যে পাৰ হৈ গল। এই বিষয়টোৰ ওপৰত ৫ টা প্ৰশ্ন সোধা হৈ গল, তথাপিতো আজি যিহেতু বাজেটৰ ওপৰত হব লগা আলোচনাৰ বাহিৰে বেলেগ বিষয়বস্তু নাই গতিকে মই ভাবিছিলো আপোনালোকক কবলৈ অলপ সময় দিয়াত মোৰ কোনো আপত্তি নাই। কিন্তু তাৰ আগতে মই "Point Of Order" কেইটা শুনি লওঁ।

**শ্ৰী ৰকিবুল হুচেইন, MLA** ঃ- অধ্যক্ষ মহোদয়, মই আপোনাক আনুৰোধ কৰিব বিচাৰিছো যে "Point Of Order" ৰৰ আগতে আমাক বক্তব্য ৰাখিবলৈ সুবিধা দিলে ভাল হয়, কাৰণ কবলৈ নিদিয়াৰ বাবে "অসম গণ পৰিসদ" দলৰ সদস্য সকল সদনৰ পৰা ওলায় গল, মই কিন্তু ওলায় নগলো।

**মাননীয় অধ্যক্ষ ঃ-** মোক অকণমান সদনখন চলাবলৈ দিয়কচোন, মন্ত্ৰী যিহেতুকে আছেই গতিকে - - - - **(সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)**

**শ্ৰী ৰকিবুল হুচেইন, MLA** ঃ- মই আগতে বিৰোধীতা কৰি বক্তব্য ৰাখিব বিচাৰোতে আপুনি "Point Of Order" খিনি কওঁতে মোক তেতিয়া বহিবলৈ কলে, মই বহি গলো। এতিয়া আকৌ বহিব কৈছে, আমিওঁতো সদনখন চলাবলৈকে ওলায় আহিছো।

**মাননীয় অধ্যক্ষ ঃ-** মই মাত্ৰ সদনৰ পৰা Concensus টোহে বিচাৰিছো, কাৰণ "Point Of Order" হৈছে Interpretation of Rule। সেই কাৰণে মই preference টো দিবলগীয়া হৈছে। মইটো কাকো নিদিও বুলি কোৱা নাই। যদি কোনো সন্মানীয় সদস্যই "Point Of Order" নুঠাই, নালাগে। আপোনালোকৰ বিধায়িনী দলৰ মানুহখিনিয়ে কৈ আছে। গতিকে I have to give importance on "Point Of Order".

**শ্ৰী শ্বেৰমান আলী আহমেদ, MLA** ঃ- অধ্যক্ষ মহোদয়, আপুনি কৈছে যে মাত্ৰ দুটা বা তিনিটা প্ৰশ্নহে উত্থাপন কৰিব পৰা যায়, বাকী বিলাক বঞ্চিত হব লগা হয়। এতিয়া মাননীয় অধ্যক্ষ মহোদয়, এই সদন লাখ লাখ টকা খৰছ কৰি বহিছে। ইয়াত যদি ৰাজ্যৰ এটা জলন্ত সমস্যা বিষদ ভাৱে আলোচনা নহয় আৰু কেৱল পালমৰা উত্তৰ দি বিৰোধীক বশীভুত কৰাৰ কাৰণে উত্তৰ দিয়া হয় তেতিয়া হলে চাৰ সদন নবহায়ে ভাল। **(সদনত পুনৰ হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)**

**মাননীয় অধ্যক্ষ ঃ-** এই বিলাক ঘটনা আজিয়েই হৈছেনে আগতেওঁ হৈছে? আপুনি মূল কথাটোলৈ আহক। We understand our responsibility. Govt. should be careful in giving the answer.

**শ্ৰী শ্বেৰমান আলী আহমেদ, MLA** ঃ- চাৰ, আপুনি প্ৰমাণৰ কথা কৈছে, আপুনি মোক ১০০ টা কাম entrust কৰিছে, ৯০ টা মই ভুলকৈয়ে কৰিলো Am I doing my duty rightly by applying my mind properly ?

**মাননীয় অধ্যক্ষ ঃ-** আপুনি কোৱা কথাটো কি অসমৰ মানুহে বুজা নাই নেকি ?

**শ্ৰী শ্বেৰমান আলী আহমেদ, MLAঃ-** সেইকাৰণে মন্ত্ৰী মহোদয়ে responsibility এটা লৈ উত্তৰবোৰ দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, MLA** ঃ- মাননীয় অধ্যক্ষ মহোদয়, যিহেতু চৰকাৰখনে কৈ আছিলে দুৰ্ণীতি মুক্ত আৰু বিভিন্ন ধৰণৰ কথাবোৰ, গতিকে এই ক্ষেত্ৰত বাতৰি কাকতত এজন মন্ত্ৰী চিট ফাণ্ডত জড়িত থকাৰ কথা উল্লেখ কৰা হৈছে , গতিকে চৰকাৰৰ ফালৰ পৰা এটা বিবৃতি দিলে ভাল হয়। ---- **(সদনত পুনৰ হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)**

**শ্ৰী নুমল মো মিন, MLA** ঃ- মোৰ "Point Of Order" টো হল শ্ৰী বিনন্দ কুমাৰ শইকীয়াৰ তৰাচিহ্নিত প্লশ্ন নং ৩৬ ৰ "অসম চুক্তি"ৰ ওপৰত থকা প্ৰশ্নটোৰ উত্তৰ দিছিল যে Tribunel ৰ দ্বাৰা বিদেশী ঘোষণা কৰা হৈছিল ১,৩৭,০৬৪ জন। মোৰ ৫৭নং তৰাবিহীন প্ৰশ্নৰ উত্তৰত লিখিছে যে, Number of foreigners detected from 1985 to August, 2018 ত ৯৪,৪২৫ জন। এফালে লিখিছে ১,৩৭,০৬৪ জন আৰু আনফালে লিখিছে ৯৪,৪২৫ জন। এটা অৱশ্যে ইংৰাজীত লিখা আৰু আনটো অসমীয়াত লিখা। এইটো কাৰণে গণ্ডগোল হৈছে নে তেখেত সকলে দায়িত্বহীন ভাৱে উত্তৰটো দিছে। কাৰণ দুয়োটা সংখ্যাৰ মাজত যথেষ্ট ব্যৱধান দেখা পোৱা যায়। গতিকে অসম চুক্তি এতিয়াও সমাধান নোহোৱা চুক্তি। ইয়াৰ ওপৰত উত্তৰ বিলাক দিওঁতে গুৰুত্বসহকাৰে দিব লাগে আৰু sensitive দিশটো বুজি উত্তৰটো দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ-** এই পইন্ট টো অতি গুৰুত্বপূৰ্ণ, মন্ত্ৰীয়ে এইটো ন'ট কৰি লব লাগে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, MLA** ঃ- অধ্যক্ষ মহোদয়, আমি আইন সভাৰ সদস্য হিচাপে গৰ্ববোধ কৰো। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে আইন হাতত তুলি লোৱা নহব। কালি লাচিত নগৰত ----- অধ্যক্ষ মহোদয়, কবলৈ দিয়ক আমি just apprise ----

**মাননীয় অধ্যক্ষ ঃ-** To apprise the House you have another devices. You can put the matter on 201 and 301 --- This is not the way. ( **আকৌ সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)**

**শ্ৰী ৰকিবুল হুচেইন, MLA** ঃ- আপুনি যদি কব নিদিয়ে আমি কিন্তু ওলাই যাম।

**(আকৌ সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয় আৰু বিৰোধীয়ে সদন ত্যাগ কৰে)।**

**মাননীয় অধ্যক্ষ ঃ** ....... আৰু কাৰোবাৰ point of order আছে নেকি?

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ ঃ** যোৱা বছৰ মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে হাইলাকান্দিৰ পুলিছৰ খালী হৈ থকা পদ বিলাক পূৰণ কৰিব কিন্তু আজিলৈকে পূৰণ কৰা নহ'ল। এইবিলাক কেতিয়ালৈকে পূৰণ কৰিব? এইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তেখেতে কৈছিলে, কেইদিন মানৰ ভিতৰতে পূৰণ কৰিম। কিন্তু আজি এবছৰ ধৰি পূৰণ কৰা নাই। গতিকে এইবিলাক কেতিয়া পূৰণ কৰিব?

**Hon'ble Speaker :** Minister please. You should take note of this and give the answer.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** তেখেতৰ যোৱাবাৰৰ প্ৰশ্নখিনি মোৰ মনত আছে। আমাৰ পুলিছ ফৰ্চ্ছৰ যিখিনি কম আছে, তাৰে ইতিমধ্যে কনিষ্টবল আৰু চাব ইন্সপেক্টৰৰ পৰীক্ষাৰ কাৰণে সকলো ঠিক ঠাক কৰা হৈছে। যিহেতু আজিকালি এজেঞ্চী বিলাকে পৰীক্ষা পাতে আৰু তেওঁলোকে পৰীক্ষা পতাৰ সময়ত যিটো এজেঞ্চী চিলেকশ্যন হৈছিল তাৰে পাৰটিচিপেটেড কোনোবা এটা এজেঞ্চীয়ে গৈ হাই কোৰ্ট কৰিছিল আৰু হাইকোৰ্ট কৰাৰ কাৰণে এই নিযুক্তি সমূহ বৰ্তমান হাইকোৰ্টে বন্ধ কৰি ৰাখিছে। গতিকে আমি হাইকোৰ্টৰ লগত লাগি আছো। হাইকোৰ্টৰ পৰা সেইটো ক্লিয়াৰ হোৱাৰ লগে লগে যিটো এজেঞ্চীয়ে পাইছে সেইটোৰে নিযুক্তিৰ কামখিনি কৰিব আৰু নিযুক্তিৰ প্ৰক্ৰিয়াটো আৰম্ভ হোৱাৰ লগে লগে অকল তেখেতৰ সমষ্টিয়ে নহয় য'ত য'ত আমীৰ খালী আছে সেই খালী ঠাই সমূহৰ পুলিছৰ খালী পদ সমূহ পূৰণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মামুন ইমদাদুল হক আপোনাৰ কথাটো কি আছিল?

**শ্ৰী আনোৱাৰ হুছেইন লস্কৰ ঃ** এজেঞ্চী বিলাকক দিব নালাগে চাৰ। এই এজেঞ্চীবোৰৰ পৰাই দুই নম্বৰী বিলাক চলি আছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ ৬ নং দফা, এইটো লে খুব ব্যাপক প্ৰচাৰ, অপ-প্ৰচাৰ বহুত কিছু চলে। আমাৰ অসমখন এখন ফুলৰ বাগিছাৰ নিচিনা। ইয়াত বিভিন্ন ধৰণৰ জাতি, ধৰ্ম, বৰ্ণৰ মানুহ থাকিব। ভাৰতীয় নাগৰিক থাকিব। শান্তিৰ সহৱস্থান কৰিব। মাননীয় মন্ত্ৰী মহোদয়ে ৰিপ্লাইত কৈছিলে যে খিলঞ্জীয়াৰ ৰক্ষা কৱচ। মই কোনো controversy ত যাব বিচৰা নাই। কাৰো অন্তৰত আঘাট দিব বিচৰা নাই। জাষ্ট মই লাইনটো ৰিপিট কৰি দিব বিচাৰিছো। যিহেতুকে আপুনি অসম চুক্তি সাক্ষৰ হওঁতে তাত present আছিল। ইয়াত ৬ নং দফাত কি কৈছে, " অসমীয়াৰ সাংস্কৃতিক , সামাজিক, ভাষিক তথা পৰম্পৰা সমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ কাৰণে প্ৰয়োজন অনুসাৰে সাংবিধানিক বিধিগত আৰু প্ৰশাসনিক সুৰক্ষা প্ৰদান কৰা হ'ব। ইয়াত খিলঞ্জীয়া বুলি কোৱা নাই। ইয়াত অসমীয়া বুলি কৈছে। ঠিক একেই এটা প্ৰশ্ন মাননীয় বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই আজি আনিছিলে unstarted question 49 ত ইয়াত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে "অসম চুক্তিৰ ৬ নং দফাত উল্লেখ থকা "Assamese people" "অসমীয়া" ৰ সজ্ঞা চৰকাৰে নিৰ্ধাৰণ কৰা নাই। গতিকে অসম চুক্তিত স্পষ্টকৈ "অসমীয়া" উল্লেখ আছে আৰু আপোনালোকে কৈ আছে অসমীয়াৰ সজ্ঞা নিৰ্ধাৰণ হোৱা নাই। তেতিয়াহ'লে খিলঞ্জীয়া সকলৰ সুৰক্ষা কৱচ কথাটো ক'ৰ পৰা আহিল? গতিকে এই কথাটো লৈ কোনো ধৰণৰ ৰং চিগনেল, ৰং মেছেজ যাব নালাগে। আমি অসমৰ মানুহ। সকলো জাতি, বৰ্ণ, ভাষা, নিৰ্বিশেষে সুখে শান্তিৰে আমি থাকিব বিচাৰো। ইয়াৰ জৰিয়তে কোনো ধৰণৰ ৰাজনীতি হ'ব নালাগে। কিন্তু

চৰকাৰ পক্ষৰ পৰাও ৰাজ্যপালৰ ভাষণত খিলঞ্জীয়াৰ সুৰক্ষা কৰচ, কিন্তু ইয়াত খিলঞ্জীয়াৰ কথাটো নাই। গতিকে এই কথাটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰকিবুল হুছেইন।

**শ্ৰী ৰকিবুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কোনো উত্তৰ বা contradiction ৰ কথা অহা নাই। অসম চুক্তিৰ কথাটো আলোচনা হোৱাটো ভাল কথা। মাননীয় মন্ত্ৰী ডাঙৰীয়াই ভালকৈ কৈছে যে তেওঁ চুক্তিৰ স্বাক্ষৰকাৰী। তেওঁ হয়তো উপস্থিত আছিল গণ সংগ্ৰাম পৰিষদৰ সদস্য হিচাপে আৰু আছুৰ সদস্য হিচাপে তেওঁলোকে চুক্তি কৰিছিল। কিন্তু পৰিৱৰ্ত্তিত পৰিবৰ্তনত তেওঁলোকৰ স্থান বিলাক সলনি হৈছে। স্থান বিলাক এতিয়া আছুত ও নহয় গণ সংগ্ৰাম পৰিষদতো নহয় আৰু এটা ঢাকি ৰাখিছে যে চুক্তি স্বাক্ষৰ কৰোতে কংগ্ৰেছ দলো আছিল। কংগ্ৰেছ দলৰ পৰা জিকি গৈ প্ৰধানমন্ত্ৰী আছিল। যদিও ঢাকি ৰখা হৈছে কংগ্ৰেছ কিন্তু একেটা স্থিতিতেই আছে। আজি কংগ্ৰেছ দলে প্ৰধানমন্ত্ৰী থাকি সদিচ্ছা দেখুৱাই এই চুক্তিখন কৰিলে। মাননীয় অধ্যক্ষ মহোদয়, ৬ নং দফাতো হৈছে খুব গুৰুত্বপূৰ্ণ দফা। এই দফা আখৰে আখৰে পালন কৰিব লাগে। চুক্তি স্বাক্ষৰকাৰী দল হিচাবে আমি একেবাৰ বদ্ধপৰিকৰ। জাতি, মাটি, ভেটি, ৬ নং দফা কমিটি কৰি, পালন কৰি জাতি,মাটি, ভেটি এনেকুৰা গজগজীয়া কৰিব যে তাত অন্য কোনোৱে ঘৰ বনাব নোৱাৰিব, মাটি আমাৰ সুৰক্ষা হ'ব। নাগৰিকত্ব সংশোধনী বিল মতে যিসকল আহিব সেই লোকসকলে মাটিৰ অধিকাৰ নাপাব নেকি, ৰাজনৈতিক ক্ষমতা নাপাব নেকি? নাগৰিকত্ব বিল আইনত পৰিণত হ'লে যিসকলক আমি নাগৰিকত্ব দিম বুলি সপোন দেখুৱাইছো মন্ত্ৰী ডাঙৰীয়াই কৈছে যে সেইসকলে মাটিৰ অধিকাৰ নাপায়, ৰাজনৈতিক ক্ষমতা নাপায়, সেইলোকসকলে খালী ভোটাধিকাৰ পাব, সেইলোকসকলে কেৱল second class citizenship হে পাব সেই কথাটো নেকি অধ্যক্ষ মহোদয়?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই দিনাখন মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই Human rights ৰ যিটো কথা ক'লে আচলতে যিখন Foreigners Act ৰ section 9 মতে যিসকলে illegal migrants ৰ নটিচ পাইছে তেওঁলোকক owners of prove that he is an Indian বুলি তেওঁলোকক দিয়া আছে। According to UNO reports তাত human rights violate হোৱা নাই।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, বিধায়ক (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ লগত এক মত নহয়। মাননীয় মন্ত্ৰী মহোদয়, আপোনালোকৰ বিধায়কৰ ওপৰত দ্বি-ভোটাৰ notice কৰিছিল। আপুনি এতিয়া reply দিবলৈ গৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া, অহা কালি আমাৰ বাজেট Speech হ'ব। You can give lots of argument there. এতিয়া মাননীয় মন্ত্ৰী মহোদয়ক ক'বলৈ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সংসদীয় পৰিক্ৰমা মন্ত্ৰী বাবে মই বহু সংযত আৰু শালীনতা ৰক্ষা কৰি কথা কৈ আছো। এতিয়া কথাটো হৈছে যে যিসকল লোকক দ্বি-ভোটাৰ notice দিয়া হৈছে, পুলিচে যে দায়িত্ব লোৱা নাই বুলি উল্লেখ কৰিছে। আচলতে পুলিচে এনেকুৰা কাম কৰা নাই। কংগ্ৰেছ চৰকাৰৰ দিনত পুলিচে যি ধৰণে দ্বি-ভোটাৰৰ ক্ষেত্ৰত চালি-জাৰি চাই কাম কৰিছিল, বৰ্তমান সময়তো পুলিচে একেধৰণেই কাম কৰি আছে। মাননীয় সদস্য হক ডাঙৰীয়াই কৈছে যে খিলঞ্জীয়াৰ কথাটো কিয় আহিল? মই

খিলঞ্জীয়াৰ কথাটো এইকাৰণেই ব্যাখ্যা কৰিছো, কিয়নো মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই এই কথাটো আনিছিল। মই আগতেও এই কথাটো উল্লেখ কৰিছো যে অসম চুক্তিৰ ৰূপায়ণ কৰাটো আমাৰ এজেণ্ডাত প্ৰথমে অগ্ৰাধিকাৰ দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নম্বৰ-২। যোৱা ৩০ জানুৱাৰী তাৰিখে আমি যিখন কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকত বহিছিলো, তাত বিৰোধী দলৰ সদস্য আৰু শাসক দলৰ সদস্যই আলোচনা কৰি নিম্নোক্ত মঞ্জুৰী দুটা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ আজি বাঁচনি কৰা হৈছে। মঞ্জুৰী দুটা হৈছে ২৬- শিক্ষা, উচ্চ শিক্ষা। ৭১-প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা। এই মঞ্জুৰী দুটাৰ ওপৰত যি ৩টা কৰ্ত্তন প্ৰস্তাৱ আছে, এটা মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী আনটোত মাননীয় ভৰেন্দ্ৰ নাথ ভড়ালী আৰু তেখেতৰ সহযোগী আৰু মাননীয় হাফিজ বচিৰ আহমেদ ডাঙৰীয়া -এই তিনিটা কৰ্ত্তন প্ৰস্তাৱ আছে। এতিয়া শিক্ষা মন্ত্ৰী ডাঙৰীয়া আপুনি, কওঁক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী,শিক্ষা ইত্যাদি ঃ** Hon'ble Speaker, On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs.16044.79 lakhs be granted to the Minister- in-charge to defray the certain charges which will come in the course of payment during the year ending the 31st March,2019 in connection with " Education (Higher)". This is Grant No.-26.

I again go to Grant No 71.On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs.18002.46 lakhs be granted to the Minister- in-charge to defray the certain charges which will come in the course of payment during the year ending the 31st March,2019 in connection with " Education (Elementary, Secondary.)".

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই ক'ব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মঞ্জুৰী নং- ২৬, **"শিক্ষা (উচ্চ)"** শিতানত আমি প্ৰস্তাৱ কৰিব বিচাৰিছো যে "২০১৮-১৯ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকাৰ ৭১-৭৫ পৃষ্ঠাত থকা উচ্চ শিক্ষা শিতানৰ ২৬ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১৬০৪৪.৭৯ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থ্যৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৬০৪৪.৭৯ লাখ টকাৰ ১০০ টকাৰ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ভৰেন্দ্ৰ নাথ ডাঙৰীয়াই কওঁক।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী, বিধায়ক (দেৰগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মঞ্জুৰী নং- ২৬, **"শিক্ষা (উচ্চ)"** শিতানত আমি প্ৰস্তাৱ কৰিব বিচাৰিছো যে "২০১৮-১৯ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকাৰ ৭১-৭৫ পৃষ্ঠাত থকা উচ্চ শিক্ষা শিতানৰ ২৬ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১৬০৪৪.৭৯ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থ্যৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৬০৪৪.৭৯ লাখ টকাৰ ১০০ টকা হ্ৰাস কৰা হওঁক।

এতিয়া মই দ্বিতীয়টো কৈছো মঞ্জুৰী নং- ২৬, **"শিক্ষা (উচ্চ)"** শিতানত আমি প্ৰস্তাৱ কৰিব বিচাৰিছো যে "২০১৮-১৯ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকাৰ ২৪১-২৫১ পৃষ্ঠাত থকা "শিক্ষা(প্ৰাথমিক,মাধ্যমিক আদি)" শিতানৰ ৭১ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা

সমগ্ৰ ১৮০০২.৪৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৮০০২.৪৬ লাখ টকাৰ ১০০ টকা হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ, "২০১৮-১৯ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকাৰ ৭১-৭৫ পৃষ্ঠাত থকা উচ্চ শিক্ষা শিতানৰ ২৬ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১৬০৪৪.৭৯ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থ্যৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৬০৪৪.৭৯ লাখ টকাৰ ১০০ টকা হ্ৰাস কৰা হওঁক আৰু "২০১৮-১৯ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকাৰ ২৪১-২৫১ পৃষ্ঠাত থকা "শিক্ষা(প্ৰাথমিক,মাধ্যমিক আদি)" শিতানৰ ৭১ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১৮০০২.৪৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৮০০২.৪৬ লাখ টকাৰ ১০০ টকা হ্ৰাস কৰা হওঁক। মই ভাৱো অধ্যক্ষ মহোদয়, দুয়োটা মঞ্জুৰীৰ আলোচনা একেলগে কৰিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** দুয়োটা মঞ্জুৰীৰৰ আলোচনা একেলগে কৰা হ'ব। সেয়েহে একলেগে move কৰি দিয়া হৈছে। এতিয়া মাননীয় সদস্য সত্যব্ৰত কলিতাই কওঁক।

**মাননীয় সদস্য শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ সদনত উথাপিত ২০১৮-১৯ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে যি ধন বিচাৰিছে, সেই সম্পৰ্কত আমি সদনৰ আনুষ্ঠানিকতা ৰক্ষা কৰি ইয়াৰ কৰ্তনৰ দাবী জনাইছো যদিও শিক্ষাটো এটা অতি গুৰত্বপূৰ্ণ বিষয়। আমাৰ যি সমাজ ব্যৱস্থা, যি সভ্যতা, যি সংস্কৃতি এই সকলোবোৰতে মূলতঃ শিক্ষা জড়িত। সেই কাৰণে চাণক্যই কৈছিল, "স্ব-দেশে পূজতেঃ ৰাজা, বিদ্যান সৰ্বতো পূজতেঃ" অৰ্থাৎ ৰজা নিজৰ দেশত পূজিত হয় কিন্তু বিদ্যানলোকক সমগ্ৰ দেশত বা সমগ্ৰ পৃথিৱীতেই পূজা কৰা হয়। শিক্ষা সম্পৰ্কত সদনত কেইবাবাৰো আলোচনা হৈছে, বিশেষভাৱেও আমি আলোচনা কৰিছো আৰু এই বিষয়ত মই সেই দিনাও ইয়াত এটা বিশেষ প্ৰশ্ন আনিছিলো যে আমাৰ অসমৰ বৰ্তমান শিক্ষা ব্যৱস্থাটো কি হৈ আছে । এই বিষয়ে বিভিন্ন আলোচনাও চলিছে। আজি যদি আমি চাওঁ, আমাৰ অসমত প্ৰায় ২৫ খন বিশ্ববিদ্যালয় আছে। তাৰ ভিতৰত ১৩ খন বিশ্ববিদ্যালয় এতিয়াও আছে, বে- চৰকাৰী খণ্ডত প্ৰায় ৩ খন বিশ্ববিদ্যালয় আছে আৰু প্ৰস্তাৱিত বিশ্ববিদ্যালয় যেনে- মাধৱদেৱ বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, কৃষ্ণগুৰু বিশ্ববিদ্যালয় আদিকে ধৰি ৬ খনকৈ বিশ্ববিদ্যালয় আছে। আমাৰ অসমত ২ খনকৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আছে। অসম চুক্তিৰ সম্পৰ্কত আমি যিমানেই বেয়া দিশ আলোচনা নকৰো কিয় তাৰ মাজতেই ক'ব লাগিব যে, ২ খনকৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু IIT, অসম চুক্তিৰ যোগেদি বা অসম আন্দোলনৰ ফল হিচাপে লাভ কৰিবলৈ সক্ষম হৈছিলো। আজিৰ পৰা কিছু বছৰ আগতে মাত্ৰ গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু অসম কৃষি বিশ্ববিদ্যালয় আছিল। তাৰ পিছত, দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় হ'ল আৰু কেইবছৰ মানৰ ভিতৰতে অসমত বহু বিশ্ববিদ্যালয়ে জন্ম লাভ কৰিছে। কিন্তু তাৰ পিছতো, অতি দুৰ্ভাগ্যজনক কথা যে এই বিশ্ববিদ্যালয় বিলাকৰ যি অভাৱ-অভিযোগ, ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিৰ ক্ষেত্ৰতে হওঁক, তাত যি ধৰণৰ পৰিৱেশৰ প্ৰয়োজন সেই পৰিৱেশ দিব পাৰিছো নে নাই তাত আমাৰ সন্দেহ আছে। মই যিহেতু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাধাৰণ সম্পাদক আছিলো, সেই কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নামটো প্ৰথমে ল'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, আজিৰ তাৰিখত দুখ লাগে যে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিচিনা বিশ্ববিদ্যালয়

এখনত এগৰাকী স্থায়ী উপাচাৰ্য নিযুক্তি দিবলৈ সক্ষম হোৱা নাই। গোপীনাথ বৰদলৈ, মাণিক চন্দ্ৰ বৰুৱা, ডঃ ভূৱনেশ্বৰ বৰাকে ধৰি প্ৰসিদ্ধ ব্যক্তি সকলৰ চেষ্টাত ১৯৪৮ চনত যেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়খন আৰম্ভ হৈছিল, কেৱল কেইজনমান ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰী উলিয়াবৰ বাবে এই বিশ্ববিদ্যালয়খন স্থাপন হোৱা নাছিল। আজি অলপ দিন আগতে কোকৰাঝাৰ বিশ্ববিদ্যালয়ত উপাচাৰ্য নিযুক্তি হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি অন্য ১৩ খন যি বিশ্ববিদ্যালয় আছে, এই বিশ্ববিদ্যালয় সমূহত যি ভাৱে আমি উপাচাৰ্য নিযুক্তি দিব লাগিছিল সেই হিচাপে নিযুক্তি দিব পৰা নাই। তাত শিক্ষাৰ পৰিৱেশ নাই, শিক্ষক তথা ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন সময়ত আন্দোলন কৰিব লগীয়া হৈছে। অৰ্থাৎ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আৰম্ভ হোৱা উচ্চ শিক্ষাৰ অনুষ্ঠানকে ধৰি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পৰিস্থিতি সমূহ যদি আমি বৰ্তমান সময় ছোৱাত চাওঁ, তেন্তে ইয়াৰ গোটেই পৰিৱেশটো আমি উপলব্ধি কৰিবৰ বাবে সক্ষম হ'ব পাৰিম। গুৱাহাটী বিশ্ববিদ্যালয়খন যেতিয়া আৰম্ভ হৈছিল, তেতিয়া সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ 'জিলিকাব লুইতৰ পাৰ' শীৰ্ষক গীতটিত এটা বৰ সুন্দৰ স্তৱক অন্তৰ্ভূক্ত কৰিছিল, "সাঁচিপাতে ভাষা দিব, চিফুঙে আশা দিব, ৰংঘৰে মেলিব দুৱাৰ, সমাজে সাৰটিব মহান মানৱতা, বিজ্ঞানে আনিব জোৱাৰ"। এতিয়া সাঁচিপাত আমাৰ মাজত বন্ধ হৈ গ'ল, ৰংঘৰে দুৱাৰ মেলি আমাৰ সাংস্কৃতিক অৱক্ষয়ৰ দিন আহিছে। গতিকে, বিজ্ঞানক জোৱাৰ আনিবলৈ দিবৰ বাবে এই বিশ্ববিদ্যালয় খনে নেতৃত্ব দিবলৈ কিমান সক্ষম হৈছে, এই সকলোখিনি কথা জড়িত হৈ আছে। মোৰ গোটেই কথাৰ মূলতঃ হ'লে যে, আমি শিক্ষা ক্ষেত্ৰক যিমান গুৰুত্ব দিব লাগিছিল, সেই ক্ষেত্ৰত মই আশা কৰিছো আমাৰ নৱ নিৰ্বাচিত শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত শিক্ষা বিভাগে এটা নতুন মাত্ৰা পাব। কিন্তু আমি প্ৰত্যেক গৰাকী বিধায়ক যেতিয়া সমষ্টিলৈ যাওঁ আৰু শিক্ষানুষ্ঠান সমূহত যেতিয়া আমাক নিমন্ত্ৰণ কৰে, তেতিয়া মোৰ যাবলৈ ভয় লাগে কাৰণ কোনোবাখন স্কুলে ক'ব যে তেওঁলোকৰ অফিচ ৰুম নাই, কাৰোবাৰ ডেস্ক-বেঞ্চ নাই, কোনোবাখন স্কুলত আকৌ ৫০-৬০ বছৰ পুৰণি বিল্ডিং ভাঙি যোৱা বুলি ক'ব আৰু তাতোকৈ ডাঙৰ কথা অধ্যক্ষ মহোদয়, কোনোবা স্কুলে ক'ব যে আমাৰ স্কুলত ৭-৮ জনকৈ শিক্ষক নাই। ভেঞ্চাৰ স্কুল সমূহৰ কথা মই বাদেই দিলো। চৰকাৰী শিক্ষানুষ্ঠানসমূহ আজি এই সমস্যাত ভূগি আছে। গতিকে, শিক্ষকৰ অভাৱৰ সমস্যাটো যে অকল কমলপুৰ সমষ্টিৰ এনে নহয়, অসমৰ গোটেই ১২৬ টা সমষ্টিৰেই ই মুখ্য সমস্যা । মই যোৱা বছৰো কৈছিলো যে, ভেঞ্চাৰ স্কুল প্ৰাদেশিকীকৰণ কৰা প্ৰক্ৰিয়াটো ওলমি থাকিল। আমি নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতি দিছিলো যে ভেঞ্চাৰ স্কুলসমূহ চৰকাৰীকৰণ হ'ব। কিন্তু , মই ব্যক্তিগত ভাৱে অনুভৱ কৰা কথা এটা ক'ব বিচাৰিছো যে আমাৰ শিক্ষানুষ্ঠানসমূহত কিছুমান Contractual Teacher থাকে। গাওঁ অঞ্চলৰ আটাইতকৈ মেধা ছাত্ৰ-ছাত্ৰী সকলক Contractual Teacher হিচাপে নিযুক্তি দিয়াত তেওঁলোকে ১৫ হাজাৰ টকা দৰমহা পায়। আনহাতে, কোনো প্ৰকাৰে মেট্ৰিক পাছ কৰি শিক্ষক হোৱা সকলে ৫০ হাজাৰ টকাকৈ দৰমহা পায়। এইটো এটা অন্যায় হৈ থকা নাই নে, অধ্যক্ষ মহোদয়? মেধা ছাত্ৰ-ছাত্ৰীসকলক আমি মাত্ৰ ১৫ হাজাৰ টকাকৈ দৰমহা দি শিক্ষকতা কৰিবলৈ দিছো। মই ভাৱো এই ক্ষেত্ৰত আমি চৰকাৰে অন্যায় কৰি আছো। গতিকে অধ্যক্ষ মহোদয়, এই শিক্ষকখিনিক আমি নিয়মীয়া কৰিব লাগে। ভেঞ্চাৰ স্কুলৰ ক্ষেত্ৰত যি বিধেয়ক আহিছিল, তাত এটা কথা স্পষ্টকৈ কোৱা আছিল যে, যিসকল শিক্ষকৰ TET বা D.EL.Ed নাথাকে, তেওঁলোকৰ যদি যোগ্যতা নাই, তেওঁলোকক আমি শিক্ষক বুলি নকৈ Tutor বুলি ক'ম আৰু এই কথাটো তেওঁলোকে মানিও লৈছে কিয়নো ২০-২৫ বছৰ ধৰি যিহেতু এখন ভেঞ্চাৰ স্কুলত কাম কৰিছে

গতিকে Tutor কৰি হ'লেও কাম কৰিবলৈ সুযোগ দিয়াটো তেওঁলোকে বিচাৰিছিল। অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে, ভেঞ্চাৰ স্কুল সমূহত যিসকল উপযুক্ত শিক্ষক আছে, এই শিক্ষক সকলক আমাৰ খালী হৈ থকা পদসমূহত Tutor হিচাপে নিযুক্তি দিব নোৱাৰি নেকি ? এনে কৰিলে অন্ততঃ শিক্ষকৰ অভাৱ কিছু পৰিমাণে হ'লেও পূৰ্ণ হ'ব। মই ভাৱো এই ব্যৱস্থাটো কৰিলে ভেঞ্চাৰ স্কুলৰ বোজাও কিছু পৰিমাণৰে কমিব লগতে আমাৰ শিক্ষানুষ্ঠানবোৰত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নথকাৰ অভাৱটো পূৰ্ণ কৰি তেওঁলোকক ন্যায় দিবলৈ সক্ষম হ'ব পাৰিম। অধ্যক্ষ মহোদয়, Amalgamation ৰ জৰিয়তে কিছু সমাধান হৈছে । কিন্তু, আজিও এনেকুৱা বহু শিক্ষানুষ্ঠান আছে য'ত দুজন ছাত্ৰ- ৬ জন শিক্ষক, ৭ জন ছাত্ৰ-৩ জন শিক্ষক আছে আৰু তাৰ বিপৰীতে কোনোবাখন স্কুলত ৪০০-৫০০ জন ছাত্ৰ-ছাত্ৰীৰ বাবে মাত্ৰ ২-৩ জন শিক্ষককেহে শিক্ষকতা কৰি আছে। মোৰ কমলপুৰ সমষ্টিত বহু অৱসৰ প্ৰাপ্ত শিক্ষক বা গাঁৱৰ উপযুক্ত ল'ৰাক মাতি আনি ক'ব লগীয়া হয় যে তোমালোকে দুটা class কৰি দিয়া। এখন স্কুলত যদি এজন প্ৰধান শিক্ষক বা এগৰাকী শিক্ষয়িত্ৰী অৱসৰ প্ৰাপ্ত হয়, তেন্তে সেই স্কুলখনত তাৰ পিছদিনাৰ পৰা তাত তেওঁলোকৰ ঠাইত আন শিক্ষক দিবলৈ নাথাকে। তেতিয়া S.M.C. ক ক'ব লগীয়া হয় যে আপোনালোকে কোনো প্ৰকাৰে চলাই দিয়ক আৰু তাৰ ১-২ মাহৰ পিছতহে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা হয়। অধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰীৰ মূল সংযোগ-শিক্ষক সকলকেই যদি আমি নিযুক্তি দিব নোৱাৰো, তেন্তে আমাৰ শিক্ষানুষ্ঠানসমূহ কেনেকৈ আগবাঢ়ি যাব ? আজিৰ প্ৰধান প্ৰশ্নটোৱেই হ'ল যে শিক্ষানুষ্ঠানসমূহত শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থাটো তৎপৰতাৰে আৰম্ভ কৰিব লাগে। আমি যদি শিক্ষক নিযুক্তি দিব নোৱাৰো তেন্তে চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠানসমূহ বৰ্তি ৰখাত আমাৰ বাবে নিশ্চিত ভাৱে অসুবিধাৰ সৃষ্টি কৰিব। তদুপৰি কিছুমান উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু হাইস্কুল সমূহত আমি লক্ষ্য কৰিছো যে, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট কম । তাত বিষয় শিক্ষক নাই যাৰ ফলত অন্য শিক্ষকে Physics, Chemistry বিষয় সমূহ পঢ়াব নোৱাৰে। এনেধৰণে আজি আমাৰ শিক্ষানুষ্ঠান সমূহ চলি আছে। তাতোকৈ ডাঙৰ কথা যে, শিক্ষানুষ্ঠানসমূহৰ কাঠামোৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যথেষ্ট টকা দিয়া বুলি কয় । গুণোৎসৱৰ সময়ত শিক্ষানুষ্ঠান সমূহ খুব সুন্দৰকৈ ৰং দিয়া হয়। যিসকল অফিচাৰ যায় তেওঁলোকক চাহ-ভাত খুওৱা হয়। কিন্তু সেই গুণোৎসৱৰ পিছত সেই শিক্ষানুষ্ঠানখনৰ কি অৱস্থা হৈছে আমি কোনেও খবৰ নলওঁ। গতিকে আমাৰ বাবে ই অতি দুৰ্ভাগ্যজনক কথা যে গুণোৎসৱৰ পতাৰ পিছতো স্কুলবোৰৰ মানদণ্ড, শ্ৰেণী কোঠাৰ মানদণ্ড, ছাত্ৰ-ছাত্ৰী তথা শিক্ষ কৰ মানদণ্ড বৃদ্ধি কৰিবলৈ সক্ষম হোৱা নাই। - সভাপতি মহোদয়, মই আপোনাৰ যোগেদি মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো আন এটা কথা যে অসমত এশ বছৰতকৈও অধিক পুৰণি বহু শিক্ষানুষ্ঠান আছে। মোৰ সমষ্টিতে ২-৩ খন আছে। কৰৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়খন ১৮৭৫ চনতে স্থাপন হৈছিল। তেনেদৰে অসমত প্ৰায় ৫০ খনতকৈও অধিক শিক্ষানুষ্ঠান আছে যিবিলাকৰ বয়স ১০০ বছৰতকৈও বেছি হৈছে। এই ১০০ বছৰতকৈও বেছি বয়স হোৱা শিক্ষানুষ্ঠান সমূহৰ কাৰণে মই ভাৱো মাননীয় মন্ত্ৰী মহোদয়ে দায়িত্ব লৈ চৰকাৰৰ তৰফৰ পৰা এটা ব্যৱস্থা কৰিব লাগে যাতে এই সমূহ আমি Heritage Institute হিচাপে গঢ়ি তুলিব পাৰো। এই স্কুল সমূহে এটা সময়ত অসমৰ সমাজ ব্যৱস্থাৰ এটা মানদণ্ড দাঙি ধৰিছিল। গতিকে এই সমূহ চৰকাৰীভাৱে সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব লাগে। পুৰণি ঘৰ সমূহ বিজ্ঞান সন্মত ব্যৱস্থাৰে সংৰক্ষণ কৰি খুব সুন্দৰভাৱে ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে এটা পুথিভঁৰাল গঢ়ি তুলিব পাৰো বা অন্য ভাৱে শিক্ষানুষ্ঠানৰ সম্পত্তি হিচাপে গঢ়ি তুলিব পাৰো,

তেতিয়াহলে আৰু দুশ তিনিশ বছৰলৈ এই শিক্ষানুষ্ঠান সমূহে অসমৰ এটা ধ্বজা বাহক হিচাপে নিশ্চয় কাম কৰিবলৈ সক্ষম হ'ব। তাৰ কাৰণে মই ভাৰো এটা সুকীয়া পুঁজিৰ ব্যৱস্থা কৰিব লাগে যি পুঁজিৰ জৰিয়তে এনেধৰণৰ পুৰণি শিক্ষানুষ্ঠান সমূহক সংৰক্ষণ কৰি তাক নতুনকৈ নিৰ্মাণ কৰিব পাৰো।

অধ্যক্ষ মহোদয়, মাজতে মই এখন পত্ৰ পাইছিলো। এই পত্ৰখনত লিখা আছিল কোনোবা এখন বিদ্যালয়ৰ দেৱাল নিৰ্মাণ কৰা হ'ব, তাৰ কাৰণে ৮ লাখ টকা শিক্ষা বিভাগৰ পৰা দিয়া হ'ব আৰু ৮ লাখ টকা বিধায়ক পুঁজিৰ পৰা দিয়া হ'ব। কিন্তু এই ৮ লাখ টকাটো যে বিধায়ক পুঁজিৰ পৰা দিয়া হ'ব এই কথাটো বিধায়ক জনক কিয় সোধা নহয়? বিধায়কজনক শুধিব লাগে যে কোনখন স্কুলত এই পইচাটো দিয়া হ'ব। প্ৰতিজন বিধায়কে জানে যে, তেওঁৰ সমষ্টিত কোনখন বিদ্যালয়ত বেছি পুঁজিৰ প্ৰয়োজন। এই কথাবোৰ আমাৰ লগত কোনো ধৰণৰ আলোচনা নকৰাকৈ তেওঁলোকে আমাৰ চিঠি দিয়ে। আজিৰ দিনত কিন্তু বহু এনেকুৱা শিক্ষানুষ্ঠান আছে যিবিলাক একেবাৰে জৰাজীৰ্ণ। যোৱাবাৰ আমাক এখন চিঠি দিয়া হ'ল যে, মেট্ৰিক পৰীক্ষাৰ চেণ্টাৰ থকা বিদ্যালয় সমূহত যদি দেৱাল দিয়া নহয়, তেতিয়া মেট্ৰিক চেণ্টাৰটো তাৰ পৰা উঠি যাব। একেবাৰে মূৰামূৰি সময়ত এখন Notice দিয়ে। Principal বা Head Master য়ে আহি আমাক উত্তেজিত হৈ সোধে যে এনেকুৱা ধৰণৰ আমি চিঠি পাইছো। তাৰ পাছত আমি ৰাতিৰ ভিতৰতে লাচিতৰ গড় বন্ধা দি দেৱাল বান্ধিব লাগে। যদি দেৱাল নিদিওঁ তেতিয়া তাৰ মেট্ৰিকৰ চেণ্টাৰটো উঠি যাব। এই কথাটো শিক্ষা বিভাগে আগতেই কিয় নাভাৱে? এই কথাটো আজি মই শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে জনাইছো।

আজিৰ এই কৰ্তন প্ৰস্তাৱত ১৬০ কোটি টকা বিচাৰিছে শিক্ষা বিভাগত। মই ভাৰো ১৬০০ কোটি টকাই দিয়ক শিক্ষা বিভাগক, যাতে আমি নতুন পুৰুষটো গঢ়াৰ কাৰণে শিক্ষানুষ্ঠান সমূহ ঠিক কৰিব পাৰো। তেতিয়া ক'ব নোৱৰিম কিয় আজি ছাত্ৰ-ছাত্ৰী সকল ব্যক্তিগত শিক্ষানুষ্ঠান সমূহলৈ গৈ থাকে? কাৰণ মানুহে এটা পৰিবেশ বিচাৰে। প্ৰত্যেকে বিচাৰে নিজৰ লৰা-ছোৱালী ভাল হওক। আজিকালি অকল চহৰতেই ন হয় গাওঁ অঞ্চলতো এনেকুৱা ব্যক্তিগত খণ্ডৰ বিদ্যালয় গঢ়ি উঠিল। য'ত ২০০০-৩০০০ টকা দৰমহা পোৱা শিক্ষকৰ ওচৰত ছাত্ৰী-ছাত্ৰী পঢ়ি বলৈ যায় কিন্তু ৪০-৫০ হাজাৰ টকা দৰমহা পোৱা শিক্ষকৰ ওচৰত পঢ়িবলৈ নাযায়। এইটো এটা ডাঙৰ প্ৰশ্নবোধক চিন। তাৰমানে নিশ্চয় এই ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহে কিবা আশা দিছে, কিবা এটা পৰিবেশ দছে। এই কথাটো আমি শিকিব লাগিব। গতিকে প্ৰথম কথাটো হ'ল শিক্ষানুষ্ঠান সমূহৰ আন্তঃগাঁথনিৰ যি মানদণ্ড সেইটো উন্নত কৰিব লাগিব। যেতিয়া মেট্ৰিকৰ ৰিজাল্ট ওলায় বা অষ্টম শ্ৰেণীৰ ৰিজাল্ট ওলায়, ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহৰ কমিটিৰ মানুহ তেওঁলোকৰ ঘৰে-ঘৰে গৈ সেই ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়াকৈ তেওঁলোকৰ বিদ্যালয়ত পঢ়াৰ সুবিধা দিব বিচাৰে। কিন্তু আমাৰ চৰকাৰী খণ্ড বিদ্যালয় সমূহে সেই ধৰণৰ approach নকৰে। আমাৰ শিক্ষা বিভাগেও এই কথাটো ক'ব লাগিব যে আপোনালোকও যাওক, ভাল ছাত্ৰ- ছাত্ৰী আনক। কাৰণ আমাৰ এনেকুৱা বহু শিক্ষানুষ্ঠান আছে য'ত ২৫ জন ছাত্ৰ-ছাত্ৰী আছে। গতিকে স্কুলখন বন্ধ হৈ যাব। এই শিক্ষানুষ্ঠানৰ শিক্ষক সমূহে আহি মোক অনুৰোধ কৰে যে আমাৰ বিদ্যালয়খন ৰাখক। মই তেখেত সকলক কওঁ যে শিক্ষানুষ্ঠানখন ৰাখিব পাৰি, মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিব পাৰিম। কিন্তু আপোনালোকে ৩০ জন ছাত্ৰ-ছাত্ৰী তাত গোটাই দিয়ক। মাত্ৰ ৩০ জন ছাত্ৰ-ছাত্ৰী গোটোৱাৰ কাৰণে আমি ক'বলগা হৈছে। গাওঁ অঞ্চলত এই চৰকাৰী শিক্ষানুষ্ঠান সমূহৰ দুটা কথাৰ প্ৰতি

অনীহা আছে, এটা হৈছে তাত আন্তঃগাঁথনি নাই, দ্বিতীয়তে, যিভাৱে শিক্ষক দিব লাগে সেই শিক্ষক দিব পৰা নাই। এই কেইটা আমাৰ প্ৰধান সমস্যা হিচাপে থিয় দিছে। গতিকে সভাপতি মহোদয়, মই আপোনাৰ যোগেদি আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে, এই দুটা কথাৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ পৰিবেশটো আমি যদি সৃষ্টি কৰিব নোৱাৰো তেতিয়াহলে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠান সমূহ বৰ্তাই ৰখাটো যথেষ্ট কষ্ট হ'ব। গতিকে তাৰ কাৰণে আমি যথেষ্ট ধন খৰচ কৰিব লাগিব, যথেষ্ট পুঁজি আৱণ্টন দিব লাগিব। যেতিয়াহে আমি এটা ভাল পৰিবেশ সৃষ্টি কৰিব পাৰিম।

ইয়াৰ লগতে আৰু এটা কথা মই ক'ব বিচাৰিছো। মই ভাৱো বিভিন্ন venture school ৰ শিক্ষক নিশ্চয় বিভিন্ন বিধায়কৰ ওচৰলৈ গৈ সুধিছে যে আমাৰ কি হ'ব? সভাপতি মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আজি এই পবিত্ৰ সদনত অনুৰোধ কৰিছো যাতে এই ব্যৱস্থাটো শেষ কৰা হয়। এই venture school সমূহ চৰকাৰীকৰণ কৰি অতি সোনকালে এই venture school ৰ ব্যৱস্থাটো নাইকিয়া কৰিব লাগে। আশা কৰো যাতে পৰবৰ্তী বিধানসভা অধিবেশনত venture school ক লৈ কোনো ধৰণৰ আলোচনা কৰিবলগীয়া নহয়। **(Hon'ble Speaker on the Chair)** মাননীয় অধ্যক্ষ মহোদয়, ১৯০০ আৰু ১৯০১ চনৰ ভিতৰত high school ত ছাত্ৰ-ছাত্ৰী আছিল ৪৩০ জন, প্ৰাথমিক বিদ্যালয়ত আছিল ৪০৬৩ জন। আজি ৪-৫ হাজাৰ আমাৰ শিক্ষানুষ্ঠান আছে। ছাত্ৰ-ছাত্ৰী বাঢ়িছে। কিন্তু তাৰ বিপৰীতে শিক্ষক নিযুক্তি দিয়া হোৱা নাই।

আজি মই এই কথাও ক'ব বিচাৰিছো যে শিক্ষাবিভাগক যে মাজতে আমি দীনদয়াল উপাধ্যায় দেৱৰ নামত আমি বহু কিতাপ পুথিভড়াল সমুহত ললো। আজি যদি আমি চাওঁ আমি যেতিয়া আগবাঢ়ি যাব লাগে, যে digital Library ৰ কথা কোৱা হৈছে, আমি Library ৰ কথা কৈছো আজি সভাপতি মহোদয়, আপুনি চাব যে বেছিভাগ শিক্ষানুষ্ঠানতে মই ভাৱো 60% শিক্ষানুষ্ঠানত কিন্তু আজিৰ তাৰিখৰ digital Library হোৱাৰ দিনত, এটা পুথিভঁড়ালেই নাই। digital concept টো বাদেই দিয়ক আমাৰ পুথিভড়াল এটাই নাই। পুথিভড়ালৰ নামত এটা ঘৰ নাই। আমাৰ শিক্ষানুষ্ঠানত Girls Common Room নাই। Girlsৰ কাৰণে যিখিনি সুবিধা লাগে, সুবিধাটো নাই বা boys ৰ কাৰণে যি সুবিধা লাগে, সুবিধাখিনি নাই। খেলাৰ সামগ্ৰী নাই। এই digital Library ৰ দিনত এতিয়া আমাৰ ওচৰলৈ বহু প্ৰধান শিক্ষক আহে, আৰু কয় যে আমাৰ বিদ্যালয়ত এটা Library দিয়ক। আপোনাৰ ফাণ্ডৰ পৰা এটা ২ লাখ টকা দিয়ক। ২ লাখ ৩ লাখ টকাত আজি কিমানখিনি আমি Libraryকৰিব পাৰিম। গতিকে মই আশা কৰো যে আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই এই ব্যৱস্থাটো লওঁক যাতে প্ৰতিখন শিক্ষানুষ্ঠানতে আমি সৰুকৈ হ'লেও, আমি ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নপুষ্টি, বা অধ্যয়নৰ মনোভাৱটো বৃদ্ধি কৰিবৰ কাৰণে এটা সৰুকৈ হ'লেও Library ৰ ব্যৱস্থা কৰিব পাৰো। সেই পুথিভড়াল সমুহত যাতে অসমৰ ভাষা সংস্কৃতিৰ জড়িত থকা কিতাপ পত্ৰ আমি পঢ়িবলৈ দিব পাৰো। আমি ৰাজনীতি কৰা মানুহ, অসমখনক ভালপোৱা মানুহ বুলি demand কৰো। কিন্তু অসমখনক আমি যেতিয়া ভাল পাম, সিমান ব্যক্তিয়ে আজি অসমৰ বুৰঞ্জী নাজানে, মই আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াক যোৱা বিধান সভাত কিছুদিন অনুপস্থিত আছিল। তেতিয়া clause 6 ৰ কথা ইয়াত আলোচনা হওঁতে তেখেতৰ পিতৃ গৌৰীশংকৰ ভট্টাচাৰ্য্য দেৱে লিখা এখন কিতাপ "ভূমিপুত্ৰৰ মৰ্ম বেদনা" বুলি ইয়াত দোহাৰিছিলো। ইয়াত যিখিনি কথা আছে, অসমৰ ছাত্ৰ-ছাত্ৰী সকলে জানেনে? আজি হেড়ম্ব বৰপূজাৰী, সূৰ্য্য কুমাৰ

ভূএগ্রা, জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণু ৰাভা, শংকৰ দেৱৰ কথা বা গুৰুজনাৰ কথা মাধৱদেৱৰ কথা নকয়। যিখিনি আধুনিকতাৰ দিশত আগবাঢ়ি যোৱাৰ দিশত যিখিনি মানুহে আজি অসমখনক আগবঢ়াই নিছিল, সেই সকলৰ কিতাপ পঢ়াটো বাদেই দিয়ক সেই সকলৰ নাম জনা বহু ছাত্ৰ-ছাত্ৰীৰ আজি অভাৱ হৈছে। গতিকে এটা উপযুক্ত যদি পুথিভড়াল আমি প্ৰত্যেখন শিক্ষানুষ্ঠানত যদি দিব নোৱাৰো, তেনেহ'লে আমি ছাত্ৰ-ছাত্ৰী সকলক, নতুন প্ৰজন্মক আমি কি যুক্তিৰে ক'ম তোমালোকে শংকৰদেৱৰ কথা নাজানা? তোমালোকে মাধৱদেৱৰ বিষয়ে নাজানা? তোমালোকে জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাক, ভূপেন হাজৰিকাক নাজানা? আমি কি যুক্তিত কি মুখ লৈ তেওঁলোকক ক'ব পাৰিম যে তোমালোকে শংকৰদেৱৰ বিষয়ে জানিব লাগিব। শংকৰদেৱৰ বিষয়ে জানিব লাগিলে মাধৱদেৱৰ বিষয়ে জানিব লাগিব। তেওঁলোকক এটা পৰিৱেশ দিব লাগিব।

সেই পৰিবেশটো দিয়াত কিন্তু আমি চৰকাৰেই হওঁক বা আমাৰ যি সকল জ্যেষ্ঠ্য আছিল আমি সকলোৱে ব্যৰ্থ হৈছো। আপোনাৰ যোগেদি অসমৰ মাননীয় শিক্ষামন্ত্ৰীক অনুৰোধ কৰিব খোজো যে অন্ততঃ তেখেতৰ নেতৃত্বত অসমৰ প্ৰতিখন শিক্ষানুষ্ঠানত সৰুকৈ হ'লেও এটা পুথিভড়াল স্থাপন হওঁক। এটা এটা খুব সুন্দৰ ঘৰ হওঁক। ছাত্ৰ-ছাত্ৰীৰ অনুপাতে তাত শিক্ষক দিয়াৰ ব্যৱস্থা কৰক। তেখেতৰ নেতৃত্বত বহু দিন ওলমি থকা এই ভেঞ্চাৰ স্কুলৰ সমস্যাটোৰ তেখেতে সমাধান কৰক। আৰু ভেঞ্চাৰ স্কুলৰ বিষয়টো আমি সকলো দল, সংগঠন, সকলোলৈ, বিধান সভাৰ ১২৬ জন বিধায়কে আমি মিলিত হৈ সকলোৱে আমি প্ৰতিশ্ৰুতি বদ্ধ হওঁ যে ইয়াৰ পিছত যদি শিক্ষানুষ্ঠান লাগে অসম চৰকাৰে পাতিব। সেই কথা ইতিমধ্যে আগৰ শিক্ষামন্ত্ৰীয়ে ইয়াত কথা দিছিল যদি কিবা শিক্ষানুষ্ঠান দৰকাৰ হ'লে চৰকাৰে পাতিব। গতিকে চৰকাৰে শিক্ষানুষ্ঠান পাতক কিন্তু তাৰ আগতে যি ২০-২৫ বছৰ ধৰি এখন ভেঞ্চাৰ স্কুলত তেখেতৰ গোটেই জীৱনটো অৰিহনা আগবঢ়ালে, সেই অৰিহণা আগবঢ়োৱা শিক্ষক সকলৰ প্ৰতি শ্ৰদ্ধাশীল হৈ আমিও ভেঞ্চাৰ স্কুলৰ সমস্যাটো সমাধান কৰিব লাগে। তাৰ আগে আগে মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যে ভেঞ্চাৰ স্কুলত যি সকল শিক্ষকে কাম কৰিছে, সেইখিনিৰ যোগ্যতা আছে। সেইখিনিক tutor কৰি হ'লেও যেনেকৈ contractual teacher আমি দিছো ঠিক তেনেকৈ contractual teacher ৰৰ নিচিনাকৈ আমি খালী হৈ থকা পদ সমূহত কিছু শিক্ষক আমি নিযুক্তি দিব পাৰো যেতিয়া লৈকে TET বা DLED ৰ আমি পৰীক্ষা পাতিবলৈ দিব পৰা অৱস্থালৈকে নাযাওঁ অন্ততঃ কাৰোবাৰ ২ বছৰ চাকৰি আছে, তেওঁৰ ভেঞ্চাৰ স্কুলত কাম কৰা আৰু চৰকাৰী স্কুলত কাম কৰাৰ কোনো পাৰ্থক্য নাথাকিব। তেওঁ ডিমাণ্ডো নকৰে যে তেওঁক চৰকাৰী স্কুলৰ সমান দৰমহা দিয়ক, তেওঁ tutor হিচাপে এখন ওচৰৰ স্কুলত আমি নিয়োগ কৰিব পাৰো, তেনেহ'লে ভেঞ্চাৰ স্কুলৰ লোডটো মই ভাবো কিছু পৰিমানে চৰকাৰৰ ওপৰত বা শিক্ষা বিভাগৰ ওপৰত কমি যাব। আৰু আমাৰ শিক্ষানুষ্ঠান বিলাকত যিটো শিক্ষকৰ অভাৱ, সেই শিক্ষকৰ অভাৱটো তাত কমি যাব বুলি মই ভাবিছো। গতিকে মই আশা কৰো শিক্ষা বিভাগে এই দুটামান বিষয় ইয়াত যদিও মই কৰ্ত্তন প্ৰস্তাৱত ভাগলৈছো, কেইটামান বিষয় মই মনৰ পৰা জুকিয়াই আপোনাৰ যোগেদি ইয়াত মই কলো। মই ভাবো শিক্ষামন্ত্ৰী ডাঙৰীয়াই এই কথাটো গুৰুত্বসহকাৰে ল'ব আৰু ইয়াৰ পাছতো ব্যক্তিগত খণ্ডৰ শিক্ষাৰ কথা আছে যিবোৰ আমি বিভিন্ন সময়ত ক'বলৈ পাৰিম। গতিকে মই আশা কৰো আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই অন্ততঃ এই যি কেইটা প্ৰস্তাৱ দাঙি ধৰিলে অকনমান যুক্তিসহকাৰে তেখেতে গ্ৰহণ কৰিব বিশেষকৈ মই পুনৰবাৰ মনত কৰিছো যে অসমৰ যি সকল শিক্ষানুষ্ঠানে অসমৰ বুৰঞ্জীত যি কটন কলেজ আছিল, আজি কটন বিশ্ববিদ্যালয় হ'ল।

আজি ইয়াত তেনেকৈ বহুত শিক্ষানুষ্ঠান আছে, গুৱাহাটী বিশ্ববিদ্যালয় আছে, যি এটা সময়ত অসমীয়া ভাষা সংস্কৃতিক এসময়ত নেতৃত্ব দিছিলে, ঠিক তেনেকৈ ১৯০০ চনত যিবিলাক হৈছিল, ১৮৭৫ চনত বা তাৰ আগতে যিবিলাক শিক্ষানুষ্ঠানৰ জন্ম হৈছিল, সেই জন্ম হোৱা ১৮৩৭ চনৰ পৰা ইয়াত শিক্ষানুষ্ঠান বৃটিছ সকলে ইয়াত আৰম্ভ কৰিছিল, বহু শিক্ষানুষ্ঠান তেওঁলোকে দিছিল। ঠিক তেনেধৰণে, সেই শিক্ষানুষ্ঠানৰ নেপথ্যত থকা সেই শিক্ষানুষ্ঠান যিবিলাকে অসমত অসমীয়া ভাষা সংস্কৃতিৰ পোহৰ বিলাবলৈ চেষ্টা কৰিছিল, সেইখিনি শিক্ষানুষ্ঠানক অন্ততঃ Heritage Institute হিচাপে ঘোষণা কৰি সম্পুৰ্ণ ৰক্ষণা-বেক্ষণৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিব লাগে। তাৰ কাৰণে প্ৰয়োজনীয় ধন শিক্ষামন্ত্ৰী ডাঙৰীয়াই বিছাৰে মই ভাৱো আমাৰ বিধান সভাৰ প্ৰতিজন সদস্যই অতি আন্তৰিকতাৰে সেই ধনখিনি দিবৰ কাৰণে আগবাঢ়ি আহিব লাগে। দৰকাৰ হলে শিক্ষামন্ত্ৰী ডাঙৰীয়াই আৰু ধন বিচাৰক। আমাৰ আপত্তি কৰিব লগীয়া নিশ্চয় কাৰো নাথাকিব। গতিকে এই খিনি মুলতঃ সমস্যা। শিক্ষা বিভাগত আৰু বহু সমস্যা আছে, আজিৰ তাৰিখত যদি চাওঁ প্ৰধান শিক্ষক বিলাকক কেনেকৈ নিযুক্তি দিব ? সেই বিষয়ে কোনো প্ৰথা নাই। বহু শিক্ষানুষ্ঠানত, সভাপতি ডাঙৰীয়াৰ যোগেদি মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰো, শিক্ষানুষ্ঠানত amalgamation হৈ যায়, ME ৰ জন হেড মাষ্টৰ হ'বনে ? হাই স্কুলৰ জন হ'ব ? কোন চিনিয়ৰ কোন জুনিয়ৰ এই বিলাক কৰোতে বহু স্কুলত গোচৰ হয়। শিক্ষানুষ্ঠান তাৰ কাৰণে পিছুৱাই যাব লগা হয়। বহু শিক্ষানুষ্ঠানত কি হয় যে বি এড পাছ নকৰিলে বহু শিক্ষক হেড মাষ্টৰ হ'ব নোৱাৰে। কিন্তু তাত উপযুক্ত এজন বিএড শিক্ষক নাই। in-charge Head Master দি থব। in-charge Head Masterজনৰ কোনো financial power নাথাকে। তেওঁ IS office আৰু Director office লৈ দৌৰি থাকিব লাগে। আগতে এচ আই বিলাক স্কুল Inspector বিলাক স্কুলত গৈছিল, DI বিলাক আগতে স্কুলত গৈছিল। কিন্তু আজি কালি ওলোটাকে প্ৰধান শিক্ষক গৰাকী, বা অধ্যক্ষ গৰাকী IS Office আৰু DPI office ত বেছিকৈ আহিব লগীয়া হৈছে। তেওঁ স্কুলখন চাব নোৱাৰে। শৈক্ষিক দিশটো চাব নোৱাৰে। তেওঁ কি চায় ? পইচাটো ঠিককে হ'ল নে নাই ? দৰমহাটো ঠিককে হ'লনে নাই ? টি এ, ডিএ টো ঠিককে হ'লনে নাই ? সেইটো কাৰণতে বেছিভাগ প্ৰধান শিক্ষকৰ সময় যায়। সেই কথাবিলাক এটা System ত সেই কথাবিলাক এটা পদ্ধতিগত ভাৱে কিন্তু অনাৰ প্ৰয়োজন আছে। আৰু সেইখিনি কথাত মই বিশ্বাস আৰু আস্থা ৰাখিছো যে আমাৰ মাননীয় নতুন শিক্ষা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়াৰ নেতৃত্বত এইখিনি গঢ়ি উঠক। ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱৰ যিখিনি দিলো, আমি পইচা কাটিব খোজা নাই, ১০০ টকাকৈ কমাব বিচাৰিছো। আৰু পৰৱৰ্তী সময়ত যদি শিক্ষামন্ত্ৰী ডাঙৰীয়াই বিচাৰে মই ভাৱো এই দিশত অধিক ধন দিয়াৰ প্ৰয়োজন আছে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**সভাপতিঃ** Thank you. আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-** মাননীয় সভাপতি মহোদয়, আজি শিক্ষা বিভাগৰ পৰিপূৰক দাবীমঞ্জুৰীৰ কৰ্তন প্ৰস্তাৱক সমৰ্থন জনাই মই আজি ক'ব বিচাৰিছো যে অসমত যিমান কেইটা চৰকাৰী বিভাগ আছে, ইতিপূৰ্বেও মই অসম বিধান সভাত এই কথাটো কৈছিলো যে, আটাইতকৈ ৰুগ্ন বিভাগটো হ'ল শিক্ষা বিভাগ। এই শিক্ষা বিভাগত যথেষ্ট কেৰোণ, বহুত আঁসোৱাহ, বহুত সমস্যা সুদীৰ্ঘ কালৰ পৰাই আছে। মই নতুনকৈ হোৱা বুলি কোৱা নাই। আৰু তাৰ কাৰণেই এই শিক্ষা বিভাগটোৱেই আশা কৰা ধৰণে মানৱ সম্পদ গঢ় দিয়াত ব্যৰ্থ হৈছে আৰু আজি এটা কথা সৰ্বত্ৰে আলোচিত হয় যে আমাৰ যি সকল হয়তো বহু মন্ত্ৰী বিধায়ক, চৰকাৰী বিষয়া আমোলা

তেওঁলোকৰ সতি-সন্ততিক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ায়। Private School ত দিয়ে। শিক্ষা বিভাগৰ আমোলা বিষয়া সকলেও নিজৰ বিভাগটোৰ নিজে দায়িত্ব চলাই যোৱা, নিজৰ বিভাগটোৰ ওপৰত নিজৰ আস্থা নাই যাৰ কাৰণে তেওঁৰ নিজৰ সন্তানক ইংৰাজী মাধ্যম বা ব্যক্তিগত বিদ্যালয়ত তেওঁ পঢ়াই আছে আৰু সেই কাৰণে আমি ভাৱো যে, এইটো কেৱল সংবাদ-মাধ্যমক এনেকৈ দোষাৰোপ কৰি থাকিলে নহ'ব। এইটো বাস্তৱ সন্মত, বিজ্ঞানসন্মত পৰ্য্যালোচনা কৰি শিক্ষা বিভাগৰ কিছুমান বৈপ্লৱিক সংস্কাৰ সাধন কৰিব লাগিব, যাতে আমাৰ চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠান সমূহে, ব্যক্তিগত খণ্ডৰ শিক্ষাৰ লগত যাতে প্ৰতিযোগিতা কৰিব পাৰে , ফেৰমাৰি যাতে ভাল প্ৰদৰ্শন কৰিব পাৰে। এতিয়া চৰকাৰী খণ্ডৰ বিদ্যালয়ত আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল যে, ইয়াত কৰ'বাত যদি শিক্ষক যথেষ্ট আছে, ছাত্ৰ কম আছে, যদি কৰ'বাত ছাত্ৰ বহুত আছে, তেনেহ'লে শিক্ষক নাই বা কৰ'বাত যদি শিক্ষক আছে, ছাত্ৰও আছে, শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি নাই।Combination টো যেনেকৈ চাৰিওফালে মিলিব লাগে, দেখা গ'ল আমাৰ সমস্যাবিলাক এই Combination ত মিলি থকা নাই। যাৰ কাৰণে সমস্যাটো দিনে দিনে আৰু বেছি গভীৰৰ পৰা গভীৰ এটা সমস্যা হৈ পৰিছে। ইতিমধ্যে মাননীয় বিধায়ক শ্ৰীসত্যব্ৰত কলিতা ডাঙৰীয়া, তেখেতে বহুকেইটা সমস্যা আঙুলিয়াই দিছে আৰু আমি এটা কথা দেখা পাইছো যে, এই শিক্ষানুষ্ঠান সমূহত শিক্ষকৰ যিটো সমস্যা, এই সমস্যাটা প্ৰায় বিগত ৩০-৪০ বছৰেও সমাধান হোৱাতো দেখা নাই। প্ৰায় এটা অভিযোগ যে এজনীয়া শিক্ষকৰ এনেকুৱা বহু বিদ্যালয় আছে, য'ত তিনিশ চাৰিশ ছাত্ৰ- ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক, আকৌ সেইজন শিক্ষকক এন আৰ চি ৰ কামত নিয়োজিত কৰি থৈ দিছে, সেইটো যিহেতু এটা National Duty, সেই এজনীয়া শিক্ষক জনে এন আৰ চিৰ কামত লাগি থকাৰ কাৰণে এনেকুৱা বহু বিদ্যালয় আছে, মই নিজেও চাইছো চৰ-চাপৰিত মোৰ সমষ্টিতো, এজনেই শিক্ষক তেওঁ এন আৰ চিৰ কামত নিয়োজিত, এন আৰ চিৰ কাম কৰি থাকিব লাগে। এতিয়া ছাত্ৰ-ছাত্ৰী আহে, আহি এক দুই ঘণ্টা খেলা-ধূলা কৰি গুচি যায়, কিছুমান আহে, নাহে। গতিকে এই ক্ষেত্ৰত শিক্ষক সকলৰ recruit কৰিব যাওতেও যদি আমাৰ বি অ' বা ডি অ'ৰ পৰা তেওঁলোকে আগতে লিষ্ট ল'লে হয়, যদি ক'ত বেছি শিক্ষক আছে, বা তেনেকুৱা শিক্ষক দিলে হয়, বা এজনীয়া শিক্ষক যদি নিদিলে হয়, হয়তো শিক্ষানুষ্ঠান বিলাক বাঢ়ি গ'ল হয়। গতিকে এই শিক্ষকৰ সমস্যাটো কাৰণ এনেই এজনীয়া শিক্ষক। এজনীয়া শিক্ষকে বৰ্তমান নিম্ন প্ৰাথমিক বিদ্যালয়ত পাঁচটা শ্ৰেণী , উচ্চ প্ৰাথমিক বিদ্যালয়ত তিনিটা শ্ৰেণীত এজন শিক্ষক শিক্ষক য'ত আছে, তাত সমস্যাটো কোনো পদ্ধেই সম্ভৱ নহয়।। তাতে যদি শিক্ষকজনৰ আকৌ recruit কৰি লৈ যায়। তেতিয়াতো আৰু এই গোটেই ল'ৰা-ছোৱালীৰ ভৱিষ্যত অন্ধকাৰ কৰি দিয়া হ'ল আৰু তাৰ লগতে আজি অসমত কেইবাখনো বিশ্ববিদ্যালয় স্থাপন কৰি চৰকাৰে চমক ল'ব বিচাৰিছো। আমি দেখিছো যে, নতুনকৈ যিবিলাক বিশ্ববিদ্যালয় কৰা হৈছে, তাত আন্তঃগাঁথনি অতি দুৰ্বল, শিক্ষকৰ সমস্যা নাই অসমৰ একমাত্ৰ মহিলা বিশ্ববিদ্যালয় যোৰহাট, সেই মহিলা বিশ্ববিদ্যালয়তো ছাত্ৰ-ছাত্ৰী আন্দোলনত নামিব লগা হ'ল, উপাচাৰ্য্য নাই, তাত কৃষিবিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, তেওঁক টেম্পৰেৰী দায়িত্ব দিয়া হৈছিল, কিন্তু তেওঁলোকে স্থায়ী উপাচাৰ্য্য বিচাৰিছিল আৰু বিভিন্ন বিভাগৰ বিষয় শিক্ষক নাই আৰু এনেকৈ কেইবাখনো বিশ্ববিদ্যালয় দেখা গ'ল, বিশ্ববিদ্যালয় কৰিলো বুলি নাম জাহিৰ কৰি দিয়া হ'ল। কিন্তু সেই বিশ্ববিদ্যালয় সুচাৰু ৰূপে চলাবলৈ যিটো ষ্টাফ পেটাৰ্ণ, উপাচাৰ্য্য সেইখিনি পূৰণ কৰা নহ'ল। গতিকে তাতো ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি কৰি, বিপদত পৰিছে। ট্ৰান্সফাৰ লৈও যাব নোৱাৰে। ঠিক সেইদৰে কলেজ

বিলাকতো দেখা পাইছো যে, কলেজ বিলাকত বহুত Subject concurence বহুত দেৰিকৈ হৈছিল, তাত শিক্ষক দিয়া হোৱা নাই আৰু বহুত Subject ত এনেকুৱা আছে পৰ্য্যাপ্ত শিক্ষক নাই, আনকি এই কলেজবিলাকত বিজ্ঞান শাখাত আটাইতকৈ বেছি সমস্যাটো, যোৱা বছৰ অসম বিধান সভাত বিধান মই এটা প্ৰশ্নৰ উত্তৰত পাইছিলো, তেতিয়া অৱশ্যে পূৰ্বৰ শিক্ষামন্ত্ৰী গৰাকী আছিলে যোৱা বছৰ হাইয়াৰ চেকেণ্ডাৰী ষ্ট্ৰীমত গোটেই অসমত ৪৯ হাজাৰ ছাত্ৰ-ছাত্ৰী হাইয়াৰ চেকেণ্ডাৰীৰ পৰা pass out হৈছিল, তাৰ পাছত যেতিয়া degree ত admission ল'ব গ'ল গোটেই অসমত degree ত বিজ্ঞান শাখাৰ চিট আছিল মাত্ৰ ২২ হাজাৰ। ২২ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে বি এচ চি ত তেওঁলোকে admission ল'ব পাৰিলে। ২৭ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে সেইবছৰ admission ল'ব নোৱাৰিলে, যিহেতু চিট নাই। তেওঁলোকে আকৌ এটা বছৰ ৰ'ব লগা হ'ল, Next Year ৰ সুবিধাৰ কাৰণে আৰু তেতিয়া মই দাবী কৰিছিলো, আৰু পূৰ্বৰ শিক্ষামন্ত্ৰী গৰাকীয়ে বিধান সভাত এটা প্ৰতিশ্ৰুতি দিছিল যে, প্ৰত্যেক সমষ্টিত এখনকৈ বিজ্ঞান কলেজ দিয়া হ'ব। কিন্তু দেখা গ'ল যে, যিখন লিষ্ট কৰা হ'ল কিছুসংখ্যক সমষ্টি সামৰি লোৱা হ'ল, বহু সমষ্টি সামৰি লোৱা নহ'ল। এতিয়াও কিন্তু হাইয়াৰ চেকেণ্ডাৰীৰ পৰা বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে ডিগ্ৰীত বি এচ চি এডমিশ্যনৰ কাৰণে কিন্তু এতিয়াও তেওঁলোকে বিভিন্ন কলেজত দৌৰি থাকিব লগা হয়, পিছত গৈ চিট নাপায়। সমস্যাটো সমাধান কৰাৰ কাৰণে আমি দুইবছৰ ধৰি সদনত কৈ আছো, কিন্তু চৰকাৰে এতিয়ালৈকে বাস্তৱসন্মত ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই। তাৰপাছত দেখা গ'ল যে, শিক্ষক নিযুক্তিৰ কাৰণে যিবিলাক টেট অনুষ্ঠিত কৰা হৈছে, সেই টেট পৰীক্ষাৰ পৰা কেইবাৰো আমি দেখিছো নিযুক্তি দিয়া হৈছে। কিন্তু সেই টেট পৰীক্ষাত এটা এম টেট (মাদ্ৰাছা টেট) তিনিবছৰ আগতে অনুষ্ঠিত হৈছিল আৰু সেই মাদ্ৰাচা টেটত যিসকল qualified হৈছিল, সেই qualified মাদ্ৰাচা বিলাকৰ অৱস্থা এনেকুৱা হ'ল চিনিয়ৰ মাদ্ৰাচাত যদি ১৫ টা পদ আছে, তাৰ ভিতৰত ১২ টাই খালি আছে। বিভিন্ন মাদ্ৰাছাত এনেকুৱা অৱস্থা হৈ আছে যে, যদি ১৩ টা পদ আছে, ১০ টা পদ খালি হৈ আছে আৰু সেই পদৰ বিপৰীতে ইতিমধ্যে টেটত কেণ্ডিডেটটো আছে। টেটত উত্তীৰ্ণ হ'ল তিনিবছৰ ধৰি এপইণ্টমেণ্ট দিয়া হোৱা নাই আৰু মাদ্ৰাছাৰ যিবিলাক সাধাৰণ বিষয়ৰ গণিত , বিজ্ঞান, সমাজ বিজ্ঞান, ইংৰাজী, অসমীয়া সেই সাধাৰণ বিষয়ৰ কাৰণে যিটা টেট হৈছিল, তাত স্নাতক প্ৰাৰ্থী সকলে আবেদন কৰিছিল আৰু স্নাতক সেই প্ৰাৰ্থীৰ অধিকাংশই তাত কিন্তু যিসকল সাধাৰণ পদৰ কাৰণে আবেদন কৰিছিল, তাত সকলো ধৰ্মৰ সকলো গোটৰ কিন্তু তাত বাচনি হৈ আছে। কিন্তু সাধাৰণ বিষয় বিলাকো পূৰণ কৰা হোৱা নাই আৰু অন্য তত্ত্বমূলক বিষয় বিলাকতো কিন্তু এতিয়ালৈকে পৰিপূৰ্ণ কৰা হাৱা নাই। তাৰ পিছত কোৱা হ'ল কিছুদিন পূৰ্বে যেতিয়া এম ই স্কুল আৰু এল পি স্কুলত খালি পদবিলাক পূৰণ কৰিব দিয়া হ'ল, তেতিয়া এখন জাননী দিয়া হ'ল যে, মাদ্ৰাছা টেটত যিসকল স্নাতক শিক্ষক, সাধাৰণ বিষয়ৰ কাৰণে বাচনি হৈছিল, তেওঁলোকেও আবেদন কৰিব পাৰিব। তেওঁলোকে আবেদন কৰিলে এম ই আৰু এল পি স্কুলৰ পদৰ কাৰণে, তাৰ পিছত বাচনিৰ আগে আগে আৰু এখন জাননী উলিয়াই দিয়া হ'ল যে মাদ্ৰাছা টেটত যিসকল উত্তীৰ্ণ হৈছিল, তেওঁলোক যদি এল পি, এম ই স্কুলৰ কাৰণে আবেদন কৰিছে, তেওঁলোকক ইয়াত নযুক্তিপত্ৰ দিয়া নহ'ব। বাতিল কৰি দিয়া হ'ল তেওঁলোকৰ আবেদনখন। তেতিয়া তেওঁলোকে কৈছে যে, আমি একেই তেওঁলোকৰ নিচিনা স্নাতক। আজি এল পি বা এম ই স্কুলৰ কাৰণে যিসকলে টেটত বহিছে, তেওঁলোকে যিটো স্নাতক, আমি একেই স্নাতক, তেওঁলোকে যি কলেজৰ পৰা পঢ়িছে, আমিও একেই কলেজৰ পৰাই পঢ়িছো। তেওঁলোকৰ চাৰ্টিফিকেট, আমাৰ

চাৰ্টিফিকেট একে, আমাৰ যোগ্যতা একে। গতিকে আমি মাদ্ৰাছা টেটৰ কাৰণে যোগ্যতাপ্ৰাপ্ত হৈছিলো, মাদ্ৰাছা জেনেৰেল পোষ্ট পূৰণ কৰা নাই। এল পি এম ই ৰ কাৰণে এপ্লাই কৰিব দিছে, এপ্লাই কৰিলে, ইণ্টাৰভিউ দিলে, তাৰপিছত তেওঁলোকক দিয়া নহ'ব। এই কথা লৈ টা সাংঘাটিক অৰাজকতা হৈ আছে। গতিকে recruitment পৰ্য্যায়ত ইমান কিছুমান আমি বেমাৰ পাই আছো, যে সেই বেমাৰ বিলাকৰ কাৰণে এতিয়া পদবিলাক পূৰণ হৈ থকা নাই। আৰু দ্বিতীয়াতে সেই ছাত্ৰ-ছাত্ৰী সকলে বছৰৰ পাছত বছৰ গৈ আছে, তেওঁলোকে কিছুমান বিষয়ৰ শিক্ষকেই পোৱা নাই। গতিকে যিসকল ছাত্ৰ-ছাত্ৰী আজি কিছুমান বিষয়ত শিক্ষক নোহোৱাকৈ তেওঁলোকে আজি পঢ়ি পাৰ হৈ যাব লগা হৈছে, সেই particular knowledge টোও পোৱা নাই আৰু সেই knowledge নোপোৱালৈকে যেতিয়া তেওঁলোকে পাৰ হৈ গৈ আছে, ভৰিষ্যতে তেওঁলোকৰ কেৰিয়াৰ কি হ'ব। তেওঁলোকে কিছুমানে গণিত, বিজ্ঞান পঢ়িবই পৰা নাই, হিন্দী শিক্ষকে হিন্দীত পঢ়াব পৰা নাই। এনেকৈ তিনি-চাৰি বছৰীয়া পাঠ্যক্ৰম পাৰ কৰি তেওঁলোক আগুৱাই গ'ল। ভৰিষ্যতে গৈ তেওঁলোকে সেই যিকেইটা বিষয়ৰ knowledge পোৱা নাই, তেওঁলোকৰ কি হ'ব। এটা ডজ যদি কম পায়, তেতিয়া বেমাৰী এজমৰ কাৰণে বহুত ক্ষতি হৈ যায়। গতিকে মই এদিন এই পবিত্ৰ সদনত কৈছিলো যে, ইংলেণ্ডৰ এটা ঘটনা আমি শুনা পাইছিলো যে, ইংলেণ্ডত এখন স্কুলত এজন গোৱালে তেওঁ গাখীৰ চাপ্লাই দিয়ে, লেজাৰৰ সময়ত। তেওঁ পাঁচশ লিটাৰকৈ দিনে দিয়ে। এজন ছাত্ৰই আধালিটাৰকৈ খায়। এদিন তেওঁৰ চাৰিশ সত্তৰ লিটাৰ গাখীৰ তেওঁ পালে, ত্ৰিছ লিটাৰ গাখীৰ তেওঁ গোটাব নোৱাৰিলে। সেইবাবে তেওঁ বহুত চিন্তাত আছিল। এজন ভাৰতীয় মানুহে তেখেতক লগ পাই ক'লে যে আপুনি ইমান কিয় ইমান চিন্তা কৰি আছে। তেতিয়া তেওঁ ক'লে যে, মই এজন স্কুলত পাঁচশ লিটাৰ গাখীৰ দিও, আজি মোৰ চাৰিশ সত্তৰ লিটাৰ যুগুটাব পাৰিলো, ত্ৰিছ লিটাৰ মই যুগুটাব নোৱাৰিলো এতিয়া মই কি কৰিম? যে কিছুমান ছাত্ৰ-ছাত্ৰীয়েটো কমকৈ গাখীৰ খাব লাগিব। তেতিয়া ভাৰতীয় বন্ধুজনে তেওঁক এটা সহজ বুদ্ধি দিলে যে, বন্ধু আপুনি এইটো লৈ ইমান চিন্তা কৰি আছে। পাচশ লিটাৰৰ ভিতৰত চাৰিশ সত্তৰ লিটাৰ যুগুটোৱা হৈ গ'ল, ত্ৰিছ লিটাৰ কম হৈ আছে এইটো কাৰণে এটা সহজ বুদ্ধি আছে। বুদ্ধিটো মই ইয়াত নকওঁ, হয়তো আপোনালোৱে সকলোৱে বুজি পাইছে যে পাচশ লিটাৰ কেনেকৈ বনাব লাগে। ভাৰতীয় বন্ধুজনে তেখেতক এটা বুদ্ধি দিছে, তেওঁ লগে লগে এটা ধমকি দিলে যে, আপোনালোক ভাৰতীয় মানুহৰ চিন্তাধাৰা ইমান তলত নে? আপোনালোকে এই ত্ৰিশলিটাৰত পানীমিহলাই গাখীৰ দিব বিচাৰিছে। যিজন ছাত্ৰ-ছাত্ৰীয়ে পাঁচ মিলিলিটাৰ গাখীৰ খালে হয়, আজি খাব চাৰিশ সত্তৰ মিলিলিটাৰ গাখীৰ আৰু ত্ৰিছ মিলিলিটাৰ পানী খাব তেওঁ। এই যে ত্ৰিছ মিলিলিটাৰ কম গাখীৰ খালে, তেওঁৰ মগজুৰ যিটো ক্ষতি হ'ব, তেওঁৰ মগজুৰ বিকাশ হ'ল হয়, যিটোৰ কাৰণে বিকাশ কম হব মগজুৰ। এই লৰা-চোৱালী, এটা সময়ত গৈ এই দেশখন চলাব, মন্ত্ৰী বিধায়ক হ'ব, তেওঁলোক আমাৰ দেশৰ বিষয়া আমোলা হ'ব। আজি যে, ত্ৰিছ লিটাৰ গাখীৰৰ ঠাইত ত্ৰিচ লিটাৰ পানী খালে তেওঁৰ মগজুৰ বিকাশ কম হ'ব, আমাৰ দেশৰ কিমান ডাঙৰ ক্ষতি হ'ব। তেওঁ এটা সময়ত গৈ এই দেশখন চলাব। গতিকে এনেকুৱা চিন্তা তেনেকৈ কৰিলে? যি ইংলেণ্ডত এজন গোৱালে চিন্তা কৰিব পাৰে যে, আধালিটাৰ গাখীৰত ত্ৰিছমিলিলিটাৰ পানী মিহলাই দিলে এই ল'ৰা-ছোৱালীৰ মগজুৰ বিকাশ নহ'ব। তেওঁলোকে দেশখন চলাওতে দেশখন ধ্বংস হ'ব, ৰসাতলে যাব। গতিকে আমি যদি কিছুমান ছাত্ৰক বছৰৰ পিছত বছৰ ধৰি এটা বিষয়ৰ শিক্ষক নিদিয়াকৈ, তেওঁক এটা ডজ নিদিয়াকৈ আমি পাৰ কৰাই দি আছো। এই ল'ৰা-ছোৱালী যেতিয়া আমাৰ দেশৰ দায়িত্ব ল'ব. তেওঁলোক গৈ আমাৰ দেশৰ দায়িত্ব ভাৰ ল'ব,

বিষয়া-আমোলা হ'ব। এই দেশখন কিমান আগুৱাই লৈ যাব। গতিকে এই কথাবিলাক চৰকাৰে আওকাণ কৰি যাওঁ আমি ভাবো আমাৰ দেশৰ ভৱিষ্যত অন্ধকাৰ। আজি ছাত্ৰ-ছাত্ৰী অন্ধকাৰ নহয়, আমাৰ দেশৰ ভৱিষ্যত অন্ধকাৰ গতিকে এই কথাবিলাক মই ভাবো আমাৰ চৰকাৰে অতি সোনকালে গুৰুত্ব দিব লাগে, যাতে এজন ছাত্ৰও এটা Subject ত Academic doze ৰ পৰা বঞ্চিত হ'ব লগা নহয়। এটা Class ক্ষতি হোৱা মানে এটা Doze ৰ পৰা বঞ্চিত হোৱা। সেই Dozeৰ পৰা যাতে বঞ্চিত নহয় তাৰ কাৰণে যি শিক্ষানুষ্ঠানত শিক্ষক নাই সেইটো অভাৱ অতি সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। সভাপতি মহোদয়, তাৰ পিছত দেখা গ'ল হাই স্কুলত contractual Teacher বিলাকক লোৱা হৈছিলে । ইংৰাজী, অংক, বিজ্ঞান বিষয়ৰ বিপৰীতে শিক্ষক লোৱা হৈছিল। এই কাৰণে লোৱা হৈছিল য'ত শিক্ষক কম কিন্তু ছাত্ৰ বহুত বেছি আছে। দেখা গ'ল সেই contractual Teacher ৰ অধিকাংশ এতিয়ালৈকে Regularised কৰা হোৱা নাই। তেওলোকে এতিয়া এটা শংকাত ভুগি আছে। গতিকে তেওঁলোকক Regularised কৰি দিলে সেই হাই স্কুলবিলাকত পাঠদানৰ বাবে যথেষ্ঠ সুবিধা হয় । তাৰ পিছত Right to Education Act,2009 যিটো পাছ হৈছিল , কেন্দ্ৰীয় চৰকাৰে পাছ কৰিছিল । Right to Education Act,2009 মতে যিবিলাক কথা কোৱা হৈছে , সেই মতে প্ৰত্যেক ১ কি.মি অন্তৰে অন্তৰে একোখন প্ৰাথমিক বিদ্যালয় আৰু ৩ কি.মি অন্তৰে অন্তৰে একোখন উচ্চ প্ৰাথমিক বিদ্যালয় আৰু ৫ কি.মিত একোখন High School থাকিব লাগে । কিন্তু দেখা গৈছে তেনেকুৱা হোৱা নাই। মোৰ সমষ্টিৰে পিছপৰা অঞ্চলত গৈছো, চৰ চাপৰিত গৈছো। তাত দেখিছো এখন প্ৰাথমিক বিদ্যালয়ৰ পৰা আন এখন প্ৰাথমিক বিদ্যালয়লৈ ১৩ কি.মি দূৰত আছে। তাৰ মানে মাজত আৰু ১২ খন স্কুল তাত থাকিব লাগিছিল। এতিয়া মাজৰ এই ১২ খন স্কুলৰ ল'ৰা-ছোৱালীখিনি ক'ত যাব ? চৰ-চাপৰিত ৰাস্তা-ঘাট নাই, গাড়ী-মটৰ যাব পৰা সুবিধা নাই। গতিকে তাত Generation to Generation অশিক্ষিত কৰি ৰখাৰ বাবে বাধ্য কৰা হৈছে। আজি আমাৰ Right to Education Act পাছ হোৱা ১০ বছৰ হৈ গ'ল ? কিন্তু ১০ বছৰ পিছতো আন্তগাঁথনি বিলাক পূৰণ কৰিব পৰা নাই । শিক্ষানুষ্ঠানৰ অভাৱত ছাত্ৰ-ছাত্ৰী খিনি আজি শিক্ষাৰ পৰা বঞ্চিত হৈ আছে। গতিকে তেওলোকে যাতে শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা নহয় সেইটো গুৰুত্বসহকাৰে লোৱা প্ৰয়োজন। এই কথাবিলাক ভীষণ গুৰুত্বপূৰ্ণ, যদি আজি চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত যথাযথ গুৰুত্ব নিদিয়ে আমি ভাবো শিক্ষা খণ্ডৰ যিটো অন্ধকাৰ ভবিষ্যত সেইটো আৰু অধিক হ'ব। তাৰ পিছত যিটো দেখা গৈছে আমাৰ Provincialisation Act অসম বিধান স ভাত দুবাৰমান বিল পাছ কৰাৰ পিচত পুনৰ আকৌ দুবাৰমান Amendment পাছ কৰা হ'ল। ২০১১ চনত যিটো Provincialise হ'ল বিল পাছ হৈছিলে তাৰ পিছত আকৌ Amendment কৰা হ'ল , ২০১৩ চনত। আকৌ, ২০১৭ চনত বিল পাছ কৰা হ'ল। আকৌ Amendment কৰা হ'ল। বাৰে বাৰে বিলটো এইটো এই কাৰণে পাছ কৰা হয় যাতে শিক্ষানুষ্ঠানৰ সংখ্যা কমাব পাৰি। প্ৰথম বিলখনত যদি ৩৬ হাজাৰ শিক্ষকক সামৰি লয় তাৰ পিছত কেনেকৈ শিক্ষক কমাব পাৰি এইটো চিন্তা কৰি আকৌ Amendment কৰা হয়। বাৰে বাৰে বিলহে পাছ কৰা হৈ আছে। যোৱাবাৰ শেহতীয়া ভাবে Amendment Bill পাছ কৰা হ'ল সেই বিলত এটা কথা কোৱা হ'ল যে High Schoolত Class - IX - Recognisation, permission, যদি ২০০৬ৰ আগত পাইছে তেনেহ'লে সেইটো eligible হ'ব। কিন্তু আগতে এটা সময়ত ক্লাছ এইটটো হাই স্কুলৰ লগতে আছিল। বৰ্ত্তমান ক্লাছ - এইট এম ই স্কুলত গুছি গ'ল। গতিকে যেতিয়া

হাইস্কুলবিলাক স্থাপন কৰিছিল তেতিয়া চৰকাৰৰ নিয়ম অনুসৰি ক্লাছ এইটৰ Recognisation আগত হয় তাৰ পিছত নাইন , তাৰ পিছত ক্লাছ- টেন। গতিকে নিয়মমতে ক্লাছ এইটটো যদি ২০০৬ৰ আগতে পাইছিল সেইটো ধৰিব লাগে। কিন্তু এইটো এম ই স্কুলত যোৱাৰ লগে লগে এতিয়া ক্লাছ নাইনটো ধৰা হৈছে। এইটো নিয়ম হোৱাৰ লগে লগে বহু হাই স্কুল বঞ্চিত হৈছে। তেওঁলোকে আৰু কেতিয়াও Provincialised নহ'ব। গতিকে তেতিয়া কি পৰিস্থিতিতিত কি নিয়মৰ অধীনত তেতিয়া খোলা হৈছিল সেই নিয়মবিলাক আমি চাব লাগিব। এতিয়াৰ নিয়মবিলাক অলপ সলনি হ'ল। তেতিয়া কি Guide Line , Circular আছিল আমি চাব লাগিব। এতিয়া যদি এইবিলাক কথা Ignore কৰি দিওঁ তেতিয়াহ'লে শিক্ষাখণ্ডত এটা অৰাজকতা হ'ব। তাৰ লগে লগে আৰু এটা কথা কোৱা হৈছে । এই ই স্কুলত যিটো Scrutiny হৈ আছে এম ই স্কুল আৰু এম ই মাদ্ৰাছা, সেই Scrutinyত এতিয়া এমালগেমেশ্যনৰ প্ৰক্ৰিয়া ---- শিক্ষা মন্ত্ৰী মহোদয়ে সদনত এটা কথা কৈছিল যে amalgamation পৰ্বটো সম্পূৰ্ণ হোৱাৰ পিছতহে আমি সেইবিলাক প্ৰদেশীকিকৰণৰ ব্যৱস্থা কৰিম। কিন্তু সেই Scrutiny ত এটা কথা কোৱা হৈছিল যে একোখনকৈ বিদ্যালয়ত ৩ জনকৈ শিক্ষক লোৱা হ'ব। এতিয়া ৩ টাকৈ পদ পূৰণ কৰাৰ ব্যৱস্থা কৰা হ'ব। এতিয়া ৩ টা পদ পূৰণৰ ক্ষেত্ৰত এতিয়া যদি Science এজন লোৱা হয় । Languageৰ বাবে এজন, General Subject হিচাপে Social Studies, Assamese ৰ বাবে এজন শিক্ষক লোৱা হয়, তাতে এম ই স্কুলবিলাকত হিন্দীও আছে, এম ই মাদ্ৰাছাবিলাকত আৰবীও আছে, গতিকে এনেকুৱাধৰণৰ ৫ টাকৈ মিনিমাম পদ পূৰণ কৰিলেহে প্ৰত্যেকটো চাবজেক্ট ক'ভাৰ হয়। এতিয়া যদি ৩ জনকৈ শিক্ষকৰ পদ পূৰণ কৰি আৰু বাকী দুজন শিক্ষক লোৱা নহয় তেন্তে দুটা বিষয় বাদ পৰি যাব। সেই দুটা বিষয়ত ছাত্ৰ-ছাত্ৰীয়ে তেতিয়া শিক্ষা নাপাব গতিকে মই ভাবো যেতিয়া এই ভেন্সাৰ স্কুলবিলাক খোলা হৈছিল তেতিয়া যিকেইটা বিষয়ৰ বিপৰীতে অফিছৰ গাউড লাইনমতে শিক্ষক নিযুক্তি দিয়া হৈছে সেই গোটেইখিনি সাঙুৰি ল'ব লাগে। নহ'লে বিষয় দুটাত ছাত্ৰ-ছাত্ৰীয়ে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈয়ে থাকিব। Junior College, Higher Secondary ২০১৩ চনত যিবিলাক লোৱা হ'ল তাত ৭ টাকৈ Post লোৱা হ'ল। Seniority basis ত লওঁতে কিছুমান হায়াৰ চেকেণ্ডৰীত ইংলিছ -অসমীয়া বাদ পৰি গ'ল। যিটো Core subject ইংৰাজী-অসমীয়া তাত দেখা গ'ল ২জনকৈ বাদ পৰি গ'ল। গতিকে আমি কেইজনক দৰমহা দিব পাৰিম, আৰু কেইজনক আমি নিযুক্তি দিব পাৰিম সেইটোত গুৰুত্ব দিয়াতকৈ ছাত্ৰ-ছাত্ৰীখিনিৰ প্ৰয়োজন কি সেই কথাটোত গুৰুত্ব দিব লাগে। প্ৰয়োজন হ'লে তাৰ বাবে বাজেট বৃদ্ধি কৰিব লাগে। গতিকে যদি এইটো কৰা নহয় তেন্তে চৰকাৰী বিদ্যালয় প্ৰতি যিটো অনিহা সেইটো আৰু বৃদ্ধি হ'ব। আৰু প্ৰাইভেট স্কুলতে যোৱাৰ বাবে বাধ্য হ'ব। চাকৰিজীৱি মানুহ বা অৱস্থা সম্পন্ন মানুহৰ লৰা ছোৱালীহে প্ৰাইভেট স্কুলত পঢ়িবলৈ সক্ষম। কিন্তু দুখীয়া মানুহখিনি যাৰ প্ৰাইভেট স্কুলত পঢ়াবলৈ সক্ষম নহয় তেওলোকৰ লৰা ছোৱালীখিনি হে চৰকাৰী স্কুলত যায়। তাৰ লগতে আমি বহুতো ড্ৰপ আউট টিছাৰ দেখিছো যিসকলে আজিও সংগ্ৰাম কৰি আছে। তেওলোকে প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আছে। তাৰ লগতে গুণোৎসৱত যিবিলাক স্কুলে A Plus category পাইছে তেওলোকক কোৱা হৈছিল তেওঁলোকৰ আন্তঁগাথনি পুৰণ কৰাৰ কাৰণে চৰকাৰে কিবা সুবিধা দিব। কিন্তু এতিয়ালৈকে দেখা গ'ল তেওঁলোকক একো সুবিধা দিয়া নাই। ঠিক সেইদৰে Irregular শিক্ষক যিসকল ৯২-৯৯ চনৰ ভিতৰত যিখিনি sanction আছিল তাতকৈ বেছি Appointment দি থৈছে। সেইটো Appointment চৰকাৰী বিষয়াসকলেই

দিছিল। আমাৰ নগাও জিলাত এনেকুৱা ঘটনা হৈছিল। ৩০ টা পোষ্টৰ চেংশ্যন আছিল কিন্তু বিষয়াসকলে এটা শূন্য বহাই ৩০০টা বনাই এপইন্টমেন্ট দিলে। পিছত ট্ৰেজাৰীত গৈ ধৰা পৰিল তাৰ পিছত জেনুইন ৩০ জনো বঞ্চিত হ'ল। পিছত আৰু কেইজনমানে পালে, পিছত এক্সটেণ্ড কৰি আৰু কিছুমানক লোৱা হ'ল আৰু এতিয়া অলপ বাকী আছে। কিন্তু কথা হ'ল এইটো কোন চৰকাৰে কৰিছে সেইটো দোষাৰোপ কৰি থাকিলে নহ'ব। এতিয়া যিবিলাকে এনেকুৱা জালিয়াতিত ভাগ লৈছে তেওঁলোকৰ বিৰুদ্ধে কি একশ্যন লোৱা হ'ব। এতিয়া তেওঁলোকৰ বিৰুদ্ধে যদি প্ৰপাৰ একশ্যন লোৱা নহয় তেওঁলোকে এনেকুৱা কৰিয়েই থাকিব। গতিকে শিক্ষা বিভাগৰ যিমানবিলাক আসোঁৱাহ আছে, বিভাগটো ৰিফৰ্ম কৰিবলৈ , যিকেইজনে দুৰ্নীতি কৰিছে তেওঁলোকক শাস্তি দিয়াৰ বাবে অলপ কঠোৰ হ'ব লাগিব। নহ'লে কিন্তু এইবিলাক শিক্ষকে যেনেকৈ অসুবিধা পাইছে ভৱিষ্যতেও আন কিছুমানে সন্মুখীন হৈয়ে থাকিব। এতিয়া যদি স্কুল নথকা অঞ্চলত ভেন্সাৰ স্কুলবিলাক ৰেশ্যনেলাইজড কৰি দিয়া হয় , আৰ টি এ এক্টমতে দি ভেন্সাৰ স্কুলবিলাক প্ৰভিন্সিয়েলাইজদ কৰি দিয়া হয় তেন্তে স্কুল নথকা অঞ্চলবিলাকতো স্কুল হ'ব।

গতিকে সমস্যাটো অধ্যায়ণ কৰি বিজ্ঞানসন্মতভাবে ব্যৱস্থা ল'ব লাগে। আন্তঃগাঁথনিৰ ক্ষেত্ৰত সত্যব্ৰত কলিতা ডাঙৰীয়াই যিটো কথা কৈ গ'ল মই পুনৰাবৃত্তি কৰিব বিচৰা নাই। কিন্তু লাইব্ৰেৰীৰ পৰা আৰম্ভ কৰি অন্য যিমান আন্ত গাথনিৰ সমস্যা আছে আৰু যিখিনি স্কুল ১০০ বছৰ পাৰ কৰিছে- মোৰ তাত আলিটাঙনি স্কুল খন আছে ১০০ বছৰ পাৰ কৰিছে - সেইবিলাক শতবৰ্ষ গৰকা স্কুলবিলাকক special sanction দিব লাগে। গতিকে এনেধৰনৰ ব্যাপকভাৱে সংস্কাৰধৰ্মী কাম কৰা হয় তেন্তে শিক্ষা বিভাগটো বাছিব। নহ'লে ৰুগ্ন অৱস্থাৰে শিক্ষা ববস্থাটো চলি থাকিব । যাৰ ফলত আমি Quality product নাপাম আৰু গৰ্ভমেন্ট স্কুলৰ পৰা যোৱা ছাত্ৰ-ছাত্ৰীসকলে Private Schoolৰ ছাত্ৰ- ছাত্ৰীৰ লগতcompetition কৰিব নোৱাৰিব। জীৱন যুদ্ধত তেওঁলোকে আগবাঢ়ি যাব নোৱাৰিব যদিহে এই সমস্যাবিলাক আমি সমাধান কৰিব নোৱাৰো। গতিকে যদিও মই কৰ্ত্তন প্ৰস্তাৱটি সমৰ্থন কৰিছো, যদি চৰকাৰে সংস্কাৰমূলক কাম লয় আৰু সংস্কাৰ কৰি এই গোটেই সমস্যাবিলাক সমাধান কৰিবলৈ চৰকাৰ আগ্ৰহী হয় প্ৰয়োজন হ'লে আগন্তুক বাজেটত আৰু বেছিকৈ টকা লাগিলে শিক্ষা বিভাগক দিয়া হওঁক সেইটো আমি দাবী কৰিম। কিন্তু সেইটো যদি নহয় তেন্তে পৰিপূৰক বাজেট দিয়াৰো কোনো ফলাফল নহ'ব । সেই কাৰণে কৰ্ত্তণ প্ৰস্তাৱৰ মই পুনৰ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিছো সভাপতি মহোদয়। ধন্যবাদ ।

**সভাপতি, শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** ইয়াৰ পিছত মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়া।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় সভাপতি মহোদয়, আজি উত্থাপিত শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই মই কিছু কথা কব বিচাৰিছো। শিক্ষা বিভাগ এটা গুৰুত্বপূৰ্ণ বিভাগ য'ত মানৱ সম্পদ সৃষ্টি হয়। এই মানৱ সম্পদ সৃষ্টিৰ বেলিকাত শিক্ষা বিভাগত যদি উন্নত মানদণ্ডৰ শিক্ষা নহয় তেতিয়াহলে আমাৰ ভৱিষ্যত প্ৰজন্মই আগুৱাই যাব নোৱাৰিব। আমাৰ অসমত প্ৰাথমিক বিদ্যালয় সমূহত প্ৰায় ২৬১৮ৰ ওপৰত প্ৰাথমিক বিদ্যালয়ত এজনে শিক্ষক আছে। একোখন প্ৰাথমিক বিদ্যালয়ত ৩০০, ৪০০, ২০০, ২৫০ ছাত্ৰ-ছাত্ৰী থাকে। এই ২০০-৪০০ ছাত্ৰ-ছাত্ৰী থকা স্কুলত যদি এজন শিক্ষক থাকে সেই শিক্ষক জনে সেই ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাদান দিব নে ৰখীয়া হৈ থাকিব। মাননীয় মন্ত্ৰী মহোদয় আজি উপস্থিত আছে, এই কথাটো যদি গুৰুত্ব সহকাৰে বিবেচনা কৰা নহয়, তেতিয়াহ'লে আমাৰ শিক্ষাৰ মানদণ্ড নিম্নগামী হৈ আমাৰ ভৱিষ্যতৰ প্ৰজন্মই ধ্বংসৰ পথলৈ যাব। গতিকে এনেকুৱা কিছুমান বিদ্যালয় আছে য'ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম শিক্ষক বেছি

আৰু এনেকুৰা কিছুমান বিদ্যালয় আছে এজনে শিক্ষক, কিছুমানত দুজন শিক্ষক আছে ছাত্ৰ-ছাত্ৰী ৩০০ বা ২৫০। আজি সেই ৩০০- ২৫০ ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয় সমূহতো একেই দশা। তাত দুজন শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁলোকক যি ধৰণৰ শিক্ষা দিব লাগে তেওঁলোকে দিব পৰা নাই। আজি প্ৰাথমিক বিদ্যালয়ত লক্ষ্য কৰিলে দেখা যায় যে আমি বহুখিনি পিছপৰি আছো। অন্যান্য ৰাজ্যৰ ক্ষেত্ৰত আমাৰ অসম বহুখিনি পিছপৰি আছে। গতিকে আমি আগুৱাই যাব লাগিব। ছাত্ৰ আৰু শিক্ষকৰ যিটো অনুপাত এই অনুপাতখিনিক আমি ঠিক কৰিব লাগিব। 30:1 অনুপাতটো fullfil নকৰাৰ বাবে আমাৰ এনেকুৰা হৈছে। কিছুমান বিদ্যালয় আছে ছাত্ৰ-ছাত্ৰী আছে ২ জন তাত কিন্তু শিক্ষক ৪ বা ৫ জন আছে। সেইটো চাব লাগিব। কিন্তু বহুবাৰ এই কথাটো আলোচনা হৈছে। আমাৰ বিষয়া সকলক নিৰ্দেশ দিয়া বুলি শুনা পাওঁ, কিন্তু সেই নিৰ্দেশবিলাক কাৰ্য্যকাৰী নহয়। যেতিয়া এইটোৰ বিষয়ে কোৱা হয় তেতিয়াই কিছুমান শিক্ষক ক'ৰবাৰ পৰা কৰবাত Tag কৰি দিয়ে আকৌ কেইদিনমান পিছত আকৌ লৈ আনে, নিজৰ নিজৰ ঠাইত গুচি যায়। প্ৰত্যেকে নিজৰ সুবিধা মতে বিদ্যালয় সমূহ বাচি লোৱাৰ বাবে মই ভাৱো 30:1 এইটো প্ৰযোজ্য হ'ব পৰা নাই। গতিকে এই ক্ষেত্ৰত সভাপতি মহোদয়ৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। মন্ত্ৰী মহোদয় যথেষ্ট সুদক্ষ, গতিকে এই ক্ষেত্ৰত যদি অলপ নজৰ দিয়ে তেনেহ'লে নিশ্চয় আমাৰ ভৱিষ্যত প্ৰজন্মই শিক্ষা বিভাগ আগুৱাই নিয়াত সহজ হ'ব। আজি প্ৰাথমিক বিদ্যালয় বিলাকত আন্তঃগাঁঠনি কিছু উন্নয়ন হৈছে, কিন্তু এতিয়াও সম্পূৰ্ণ হোৱা নাই। কিছুমান বিদ্যালয় এনেকুৰা আছে এতিয়াও বাহৰ বেৰ, টিনৰ চালি, প্ৰসৰ ৰ'দত গৰমৰ দিনত ছাত্ৰ-ছাত্ৰী সকল বহিব নোৱাৰা এটা অৱস্থা। এই গৰমৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী সকলেও ভালকৈ পাঠ দান দিব নোৱাৰে আৰু ছাত্ৰ-ছাত্ৰী সকলেও মনোযোগৰে সেই পাঠ গ্ৰহণ কৰিব নোৱাৰে। গতিকে যি খিনি বিদ্যালয় এতিয়াও গৃহ নিৰ্মাণ হোৱা নাই সেইবোৰ সোনকালে এই গৃহবোৰ নিৰ্মাণ কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। বিদ্যালয়ৰ বাউণ্ডাৰী ওৱাল  নথকাৰ কাৰণে ভিতৰৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে দেখা পাই ৰাষ্টায়েদি গাড়ী গৈ আছে, গাড়ীৰ শব্দ পাইছে, গাড়ীৰ হৰ্ণ বাজিছে সেইফালে লক্ষ্য কৰিছে, বিদ্যালয়ৰ বেৰ ভঙা বাহিৰৰ ফালে চাই থাকে, গতিকে পৰিৱেশটো বেয়া হৈ থাকে। গতিকে আন্তঃগাঁঠনিটো উন্নত কৰিব লাগে, গৃহ নিৰ্মাণ সম্পূৰ্ণ হ'ব লাগে, বাউণ্ডাৰী ওৱাল বোৰ হ'ব লাগে আৰু এটা সমস্যা প্ৰাথমিক বিদ্যালয় সমূহত দেখা যায়, বিশুদ্ধ খোৱা পানীৰ সমস্যা। বিদ্যালয় সমূহত  নলীনাদ এটা বহাই দিয়া হয়, নলীনাদ এটা আছে সেই তাৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে পানী উঠাইছে তাতে খাইছে। বহুত ঠাইত আইৰণ যুক্ত পানী, বহু ঠাইত আৰচেনিক যুক্ত পানী খাই বিভিন্ন বেমাৰত তেওঁলোক আক্ৰান্ত হয়। গতিকে প্ৰতিখন বিদ্যালয়ত বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থা কৰিব লাগে। আজি আমাৰ মাধ্যমিক পৰ্য্যায়ৰ যিবোৰ বিদ্যালয় আছে, সেই মাধ্যমিক পৰ্য্যায়ৰ বিদ্যালয় বিলাকত, হাই স্কুল বিলাকত, হায়াৰ চেকেণ্ডাৰী স্কুলত বিজ্ঞান বিষয়টো আছে, কিন্তু বিজ্ঞানৰ শিক্ষক নাই। হিন্দী বিষয়টো আছে কিন্তু হিন্দী শিক্ষক নাই। যদি বিজ্ঞান আছে বিজ্ঞানৰ শিক্ষক নাথাকে, হিন্দীটো আছে হিন্দীৰ শিক্ষক নাথাকে সেই ছাত্ৰ-ছাত্ৰী সকলৰ উপায় কি হ'ব? আজি বহুত বিদ্যালয় আছে, মোৰ সমষ্টিত জুৰীয়া হায়াৰ চেকেণ্ডাৰীত আজি ৪ বছৰে বিজ্ঞানৰ শিক্ষক নাই। এই বিজ্ঞানৰ শিক্ষক নথকাৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলৰ কি দশা হৈছে নিশ্চয় মাননীয় মন্ত্ৰী সকলে অনুধাৱন কৰিব। গতিকে বিষয় শিক্ষক সকলক অতি সোনকালে নিযুক্তি দিয়াৰ কাৰণে ব্যৱস্থা ল'ব লাগে। আজি আমাৰ কলেজ সমূহত, বিশেষকৈ গ্ৰাম্য মহাবিদ্যালয় সমূহত কিছু সমস্যা আছে। আজি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২০০০ ৰ  ওপৰত আছে। তাত মঞ্জুৰীগত সহকাৰী

অধ্যাপক-অধ্যাপিকাৰ সংখ্যা ১৫ জন। ২০০০ ৰ ওপৰত থকা ছাত্ৰ-ছাত্ৰীৰ সেই মহাবিদ্যালয় খনত ৪৫ জন, ৪৬ জন প্ৰৱক্তাৰ প্ৰয়োজন। কিন্তু মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে অমঞ্জুৰীগত অধ্যাপক সকলক নিয়োগ কৰি তেওঁলোকৰ দ্বাৰা মহাবিদ্যালয় পৰিচালনা কৰি আছে। চৰকাৰে যেতিয়া প্ৰাদেশিকীৰণ কৰে তেতিয়া নেট, শ্লেট, পি.এইচ.ডি. নথকা সকলক মঞ্জুৰ নকৰিলে। কিন্তু কৈছিলে যি সকলে নেট, শ্লেট, পি.এইচ.ডি. clear কৰিব লগে লগে তেওঁলোকৰ পদ মঞ্জুৰীকৃত কৰা হ'ব। কিন্তু সভাপতি মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো, আজি ২ বছৰ পাৰ হৈ গ'ল নেট, শ্লেট, পি.এইচ.ডি. লৈ অমঞ্জুৰীকৃত হৈ আছে এতিয়ালৈ কিন্তু কলেজৰ প্ৰৱক্তা সকলৰ পদ সমূহ মঞ্জুৰীকৃত হোৱা নাই। আমাৰ এই চৰকাৰে কৈছিলে ২০১৭ চনৰ বাজেটত যে যিসকল অমঞ্জুৰীকৃত সহকাৰী অধ্যাপক-অধ্যাপিকা আছে, যি সকলৰ নেট, শ্লেট, পি.এইচ.ডি. নাই সেই সকলক Tutor হিচাপে গণ্য কৰি তেওঁলোকক এটা fixed pay দিয়া হ'ব। ২০১৭ চনৰ বাজেটত এই সদনতে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিলে। কিন্তু আজিলৈকে এই Tutor, fixed pay এই অ-মঞ্জুৰীকৃত অধ্যাপক /অধ্যাপিকা সকলে নাপালে। আজি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ যি বিলাক আছে, সেই গ্ৰন্থাগাৰিক সকলৰ মৰ্য্যদা হ্ৰাস কৰা হৈছে, সেই গ্ৰন্থাগাৰীক সকলক Teaching Staff ৰ সমমৰ্য্যদা দিয়া হৈছিল আকৌ তেওঁলোকৰ মৰ্য্যাদা কৰ্তন কৰি Non teaching staff ৰ লগত সমান কৰা হৈছে। এইটো এটা অন্যাই কৰা হৈছে, গতিকে গ্ৰন্থাগাৰীক সকলৰ কথাও চিন্তা কৰিব লাগে। মহাবিদ্যালয়ৰ যি বিলাক গ্ৰন্থাগাৰ এই গ্ৰন্থাগাৰ বিলাক উন্নত কৰিব লাগে। বিভিন্ন ধৰণৰ পাঠ্য পুঠি যদি গ্ৰন্থাগাৰৰ থাকে মহাবিদ্যালয়ত বহুত দুখীয়া ছাত্ৰ-ছাত্ৰী আছে, তেওঁলোকে এটা ভাল গ্ৰন্থ কিনি পঢ়িব নোৱাৰে। যদি ভাল ভাল গ্ৰন্থ বিলাক গ্ৰন্থাগাৰত থাকে আৰু সেই গ্ৰন্থ সমূহ আমাৰ এই দুখীয়া ছাত্ৰ-ছাত্ৰী সকলে অধ্যায়ন কৰি আমাৰ সমাজখন আগুৱাই লৈ যোৱাত তেওঁলোকে আগভাগ লব পাৰিব। ২০১৭ চনত চৰকাৰে এটা নিৰ্দেশ দিলে আমাৰ কলেজ প্ৰত্যক্ষক গুৱাহাটী গ্ৰন্থ মেলাৰ পৰা ২ লাখ কে টকাৰে গ্ৰন্থ ক্ৰয় কৰিব লাগে আৰু প্ৰতিখন মহাবিদ্যালয়ৰ অধ্যক্ষ সকলে ধাৰ কৰি ২ লাখ টকাৰ কিতাপ কিনিলে, ২০১৮ চন পাৰ হৈ গ'ল ২০১৯ চন আহিল, এতিয়ালৈকে কিন্তু এই গ্ৰন্থৰ পইচা বিলাক ২ লাখ টকা চৰকাৰে মহাবিদ্যালয় সমূহত মুকলি কৰি দিয়া নাই। এই বিলাক যি বিসংগতি যদি এই বিসংগতি বিলাক থাকে কেনেকৈ আগবাঢ়ি যাব পাৰে শিক্ষা ব্যৱস্থা আজি ভাল এটা ব্যৱস্থা লৈছিলে। আমাৰ মহাবিদ্যালয়ৰ সমূহত যি বিলাক দুখীয়া ছাত্ৰ-ছাত্ৰী দৰিদ্ৰ সীমা ৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰী অধ্যায়ন কৰিবলৈ যায় তেওঁলোকৰ ভৰ্ত্তি মাচুল চৰকাৰে দিব মই ধন্যবাদ জনাইছো, এই দুখীয়া ছাত্ৰ-ছাত্ৰী সকলৰ ভৰ্ত্তি মাচুল চৰকাৰে দিয়া সিদ্ধান্ত লোৱাৰ বাবে কিন্তু বেয়া লাগিছে সেই সময়ত জুন মাহত যেতিয়া বিদ্যালয়, মহাবিদ্যালয়ৰ ভৰ্ত্তি কৰণ সম্পূৰ্ণ হৈ গল। এটা বিত্তীয় বছৰ পাৰ হৈ যোৱাৰ পিছতো তেওঁলোকে সেই মহাবিদ্যালয় সমূহে সেই বিত্তীয় বছৰৰ পইচাটো এতিয়ালৈ পোৱা নাই। এই ভৰ্ত্তি মাচুলৰ পইচাটো নোপোৱাৰ বাবে যি সকল প্ৰৱক্তা আমাৰ এনেকুৱা আছে, অ-মঞ্জুৰিকৃত যি সকল সহকাৰী অধ্যাপক-অধ্যাপিকা তেওঁলোকৰ মাহেকত ৫হাজাৰ ৭ হাজাৰ ৮হাজাৰ এনেকৈ পাৰিতোষিক এটা দিয়ে। আজিৰ দিনত এই ৫হাজাৰ ৭হাজাৰ টকাৰ যাতায়তৰ খৰচে তেওঁলোকৰ নহয়, খোৱা-বোৱাৰ কথাটো আছেই এই ৫হাজাৰ ৭হাজাৰ যাতায়তৰ খৰচৰ বাবে এই সামান্য পাৰিতোষিকটোও মাহেকত নাপায়। কেনেকৈ তেওঁলোকে এটা ভাল মন লৈ শিক্ষাদান কৰিব। গতিকে শিক্ষা ব্যৱস্থাটোত আমাৰ প্ৰৱক্তা সকলক আমিটো সকাহ দিব লাগে, যে আমাৰ চৰকাৰে যদি সিদ্ধান্ত লৈছে, ভৰ্ত্তি মাচুলটো

দিব এই ভৰ্ত্তি মাচুলটো জুন মাহত যেতিয়া ভৰ্ত্তি হয়, লগতে যাতে আদায় দিয়াৰ ব্যৱস্থাটো কৰে তাৰ বাবে মই আশা ৰাখিছো। আজি মোৰ সমষ্টিত সুতাজাৰ বুলি এখন হাই মাদ্ৰাছা আছে সেই মাদ্ৰাছাখনত যি সকল ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি হবলৈ আহিলে সেই ছাত্ৰ-ছাত্ৰী সকলৰ ভৰ্ত্তি হব নাপালে। তাত আন্তঃ গাঠনি নাই, বহাৰ Class room নাই, বহাৰ কাৰণে চকী- মেজ আৰু নাই যাৰ কাৰণে বহু ছাত্ৰ-ছাত্ৰী ইয়াত Admission লব নোৱাৰিলে গতিকে আমাৰ বিদ্যালয় সমূহত এনেকুৱা প্ৰাথমিক বিদ্যালয় আছে যে ঘৰৰ পৰা ছাত্ৰ-ছাত্ৰী সকল বস্তা লৈ যায় আৰু সেই বস্তা পাৰি বহিব লগীয়া হয়। গতিকে বিদ্যালয়ত যি Desk-Bench ৰ যিটো সমস্যাটো নাইকীয়া কৰিব লাগিব। যাতে চৰকাৰৰ ফালৰ পৰা বিদ্যালয় সমূহৰ Desk-Bench ৰ ব্যৱস্থাটো কৰে, আৰু এটা ডাঙৰ কথা হৈছে, সভাপতি মহোদয়ৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক দৃষ্টি গোচৰ কৰিব বিচাৰিছো। Model School বিলাক চৰকাৰে স্থাপন কৰিছে, কিন্তু আদৰ্শ বিদ্যালয়ৰ ঘৰটো বনাইছে Boundary নাই, শিক্ষক সকলৰ Quarter ৰ ব্যৱস্থা নাই। ছাত্ৰ-ছাত্ৰীৰ Hostel নাই, আন্তৰ গাঠনি যদি উন্নত নহয় BoundaryWall যদি নাথাকে ঘৰখন কেনেকৈ সুৰক্ষিত হৈ থাকিব। আৰু যিখিনি শিক্ষক দিব লাগে সেই প্ৰয়োজনীয় শিক্ষকখিনি বা কৰ্মচাৰীখিনি দিয়া নাই। যি আদৰ্শ বিদ্যালয়ত ২/৩ জন শিক্ষক আছে, কেনেকৈ সেই আদৰ্শ বিদ্যালয় পৰিচালিত হব, আনক শিক্ষা কেনেকৈ দিয়া হব আৰু তেওঁলোকক যি সকল শিক্ষক নিযুক্তি দিছে, তেওঁলোকক Contractual হিচাপত তেওঁলোকক নিযুক্তি দিয়া হৈছে। গতিকে ৰাষ্ট্ৰীয় শিক্ষা অভিযানৰ আওঁতাত এই বিদ্যালয় সমূহ আছে, গতিকে এই বিদ্যালয়ৰ শিক্ষক সকলক স্থায়ী ভাৱে নিযুক্তি দিয়াৰ ব্যৱস্থাটো কৰিব লাগে। তাৰ ছাত্ৰ-ছাত্ৰী সকলৰ Hostel ৰ ব্যৱস্থাটো হব লাগে, শিক্ষক, শিক্ষয়ত্ৰী থকাৰ কাৰণে আৱাস ব্যৱস্থা কৰিব লাগে। আমাৰ এই গোটেইখিনি সমস্যা এদিনতে সমাধান নহব, কিন্তু আমাৰ যিখিনি অতি প্ৰয়োজন খিনি নহলে আমাৰ মানৱ সম্পদ সমূহ সৃষ্টি হোৱাত ব্যাঘাত জন্মিব। সেই কথাখিনি শুকিয়াকৈ চাব লাগিব, যদি সেই কথাখিনি শুকিয়াকৈ চোৱা নহয় তেতিয়া হলে আমাৰ ভৱিষ্যত সমস্যা হ'ব। আজি আমাৰ মাজত যি ধৰণৰ শিক্ষাৰ প্ৰতিযোগীতা প্ৰয়োজন। সেই প্ৰতিযোগীতা কিন্তু এতিয়ালৈকে আমাৰ হোৱা নাই, আৰু এটা কথা কব লাগিব, অসমীয়া মাধ্যম আৰু ইংৰাজী মাধ্যমৰ বিদ্যালয় অসমৰ ভাষা কলা সংস্কৃতি এইটো আমাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা গঢ় লয়। গতিকে অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহক গুৰুত্ব দিব লাগে। বহুতে কয় ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ কথা হয় এই প্ৰতিযোগীতাৰ বিশ্বত ইংৰাজী লাগিব। কিন্তু ইংৰাজী লাগিব মানে এইটো নহয়, মাধ্যমটো আমাৰ ইংৰাজী লব লাগিব, আমাৰ মাধ্যম অসমীয়া থাকিব লাগিব। অসমীয়া ভাষা, কলা-সংস্কৃতি ভাষা জীয়াই ৰখাৰ কাৰণে আমাৰ অসমীয়া মাধ্যমটো আমি গজগজীয়া কৰি ৰাখিব লাগিব। এই বোৰ সদনত গুৰুত্ব দিব লাগে । বহুতে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ কথা কয় , হয়, এই বিশ্ব প্ৰতিযোগিতা থকা পৃথিৱী খনত ইংৰাজী লাগিব । কিন্তু ইংৰাজী লাগিব কাৰণে এইটো নহয় যে মাধ্যমটো আমি ইংৰাজী ল'ব লাগিব । আমাৰ মাধ্যম অসমীয়া থাকিব লাগিব । অসমীয়া ভাষা ক'লা সংস্কৃতি জীয়াই ৰখাৰ কাৰণে আমাৰ অসমীয়া মাধ্যমটো আমি গজ- গজীয়াকৈ ৰাখিব লাগিব । তাৰ কাৰণে চৰকাৰে পদক্ষেপ ল'ব লাগিব । কিছুমান অঞ্চলত প্ৰাথমিক বিদ্যালয়ত নপঠিয়াই, প্ৰাইভেট বিদ্যালয়ত আমাৰ ছাত্ৰ-ছাত্ৰী সকলক দিয়ে । কিহৰ কাৰণে দিয়ে ? পিতৃ-মাতৃ সকলে নিজৰ ল'ৰা ছোৱালীক ভাল শিক্ষা দি আগুৱাই নিব বিচাৰে । সকলোৱে নিজৰ ল'ৰা ছোৱালীৰ ভাল হোৱাতো বিচাৰে, মই ও বিচাৰো । আমাৰ প্ৰাথমিক বিদ্যালয় সমূহত যদি এটা ভাল পৰিবেশ

থাকে ,তেতিয়া হ'লে ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহত বা ইংৰাজী মাধ্যমৰ বিদ্যালয় সমূহত ছাত্র-ছাত্রী সকলক নিশ্চয় দি দিব। গতিকে এই প্ৰাথমিক বিদ্যালয় আৰু আমাৰ অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহক গুৰুত্ব দিয়াৰ বাবে মই অনুৰোধ জনাই আজি এই কৰ্তন প্ৰস্তাৱৰ সপক্ষে মোৰ মতদান কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰী ৰাজেদ আলি চৌধুৰী, সভাপতি ঃ** মাননীয় সদস্য, শ্ৰী তেৰছ গোৱালা ।

**শ্ৰী তেৰছ গোৱালা , সদস্য ঃ** সন্মানীয় সভাপতি মহোদয়, শিক্ষা মন্ত্ৰীয়ে শিক্ষা বিভাগৰ ওপৰত যি দাবীমঞ্জুৰী আনিছে মই তাৰ সমৰ্থনত কিছু কথা কব বিছাৰিছো। শিক্ষাবিভাগত বৰ্তমান প্ৰচলিত ব্যৱস্থাত আৰু জনসংখ্যা বৃদ্ধিৰ যি ধাৰা, আমি ভাবো শিক্ষা বিভাগক আৰু অধিক সংস্কাৰ কৰাৰ প্ৰয়োজন আছে । শিক্ষা বিভাগৰ বিগত কিছু ভূলৰ বাবে আজি আমি চৰকাৰী অসমীয়া শিক্ষা মাধ্যমৰ বিদ্যালয় সমূহৰ প্ৰতি যি ভাবুকি আহিছে সেইয়া নিশ্চয় সমগ্ৰ অসমীয়া জাতি সত্বাৰ কাৰণে এক প্ৰত্যাহ্বান। সেই কাৰণে মই ভাবো এই পবিত্ৰ বিধান সভাত আমি সকলোৰে মিলি এই শিক্ষা বিভাগক সংস্কাৰ কৰাৰ প্ৰয়োজন আছে । আমি প্ৰায় বিলাক বিধায়কে যেতিয়া সমষ্টিত থাকো তেতিয়া বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু অধ্যক্ষ সকল আহে আৰু বিদ্যালয়ৰ সমস্যা সমূহৰ কথাবোৰ কয় আৰু আমি শু নিব লাগে কাৰণে শুণো তেনেকুৱা এটা পৰ্য্যায় হৈ গৈছে । যিহেতু যেতিয়ালৈকে আমাৰ বিভাগত পৰ্য্যাপ্ত বাজেট নাথাকিব , তেতিয়ালৈকে তাৰ কোনো সমাধান দিয়াৰ ব্যৱস্থা নাথাকে । আৰু এই কাৰণে বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তা ৰ আনিছে, এই কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে মই ক'ব বিচাৰিছো, যে মই ভাবো ইয়াত আৰু অধিক পইচাৰ প্ৰয়োজন আছে আৰু অধিক পইচা এই কাৰণে প্ৰয়োজন আছে , যেতিয়া ভাল জ্ঞান অৰ্জন কৰিবলৈ হ'লে আমাক এটা পৰিৱেশ লাগে। এই পৰিবেশ পাবলৈ হ'লে আমাক অধিক টকা-পইচাৰ প্ৰয়োজন আছে । ইতিমধ্যে আমাৰ বিৰোধী দলে, তেওঁলোকেও সুন্দৰভাৱে স্বীকাৰ কৰি গৈছে যে আনুষ্ঠানিক ভাবে আমি আলোচনাৰ কাৰণে কৰ্তন প্ৰস্তাৱটো আনিছো , কিন্তু ,তেওঁলোকেও অনুভৱ কৰিছে যে শিক্ষা বিভাগক আৰু অধিক সংস্কাৰ, অধিক গতিশীল কৰিবলৈ আমাৰ আৰু অৰ্থৰ যে প্ৰয়োজন আছে এই কথাটো আপোনালোকেও অনুভৱ কৰিছে সেইকাৰণে ধন্যবাদ জনাইছো। আলোচনাৰ কাৰণে আজি যিহেতু এই বিষয়টো আনিছে, সেইকাৰণে মোৰো চৰকাৰৰ ওচৰত আহ্বান থাকিব যে আমি জানো , মই যিখন বিদ্যালয়ত পঢ়িছিলো সেইখন এখন ভেনচাৰ বিদ্যালয় আছিল । মই ডিব্ৰুগড় জিলাৰ এখন বোৰ্ডাৰত আছিলো । মই প্ৰাথমিক বিদ্যালয়টো তিনচুকীয়া জিলাত পঢ়িছিলো।বিধায়ক হোৱাৰ পিছত সেইখন বিদ্যালয়লৈ যাওঁতে মই দেখিলো যিখন ভেনচাৰ বিদ্যালয়ত পঢ়িছিলো তাৰ পিছত দুবাৰ বিল্ডিং বনোৱা হ'ল । য'ত আমি টেঙাবল খেলিছিলো সেই ফিল্ডটো আজি নাইকীয়া হ'ল। কেতিয়াবা এনেকুৱা হয় নেকি যে আমাৰ বিভাগৰ উচ্চ পদস্থ বিষয়া সকলে বা আমাৰ শিক্ষক সমাজে কেতিয়াবা ভুল তথ্য দিয়ে । আমাৰ উচ্চ পদস্থ বা সংশ্লিষ্ট কতৃপক্ষৰ জৰিয়তে এনেকুৱা ধৰণৰ পৰিকল্পনাবোৰ কৰা হয় নেকি, বা ইয়াত কোনোবা এনেকুৱা ব্যক্তি জড়িত থাকে নেকি ! চৰকাৰৰ মানুহ থাকিব পাৰে, জনপ্ৰতিনিধি থাকিব পাৰে.,যাৰ কাৰণে য'ত বিদ্যালয়ৰ প্ৰেক্ষাগৃহ প্ৰয়োজন নাই তাত প্ৰেক্ষাগৃহ দিয়া হৈছে , আৰু য'ত প্ৰকৃততে প্ৰেক্ষাগৃহৰ প্ৰয়োজন আছে তাত কিন্তু দিয়া হোৱা নাই । এইটো মই ভাৱো আমাৰ যিসকল উচ্চ পদস্থ বিষয়া আছে তেওঁলোকে চৰজমিন তদন্ত কৰাৰ প্ৰয়োজন আছে। আমি যেতিয়া এল পি স্কুলত পঢ়ি আছিলো তেতিয়া প্ৰথমবাৰ চাগে আমাৰ প্ৰধান শিক্ষকে প্ৰভিনচিয়েলাইজৰ বাবে.যোগাযোগ কৰিছিলে তেতিয়া ডি আই আহিছিলে । সেই ডি আই আহোতে , কিমা ন

আদৰ- সাদৰেৰে নাম কীৰ্তন কৰি অনা হৈছিল আৰু সেই সময়ত আমি দেখিছিলো যে এগৰাকী ডি আই বা ইন্সপেক্টৰ অহাৰ লগে লগে শিক্ষক সকলে যি ধৰণে সতৰ্ক হৈ আছিল , সেই পৰিবেশ কিন্তু আজি নাই । সেইটো আমাৰ শিক্ষক সমাজৰ কাৰণে এটা ডাঙৰ অভাৱ বুলি মই ভৰো।সেই কাৰণে এই শিক্ষা বিভাগটোৰ অধিক সংস্কাৰৰ বাবে আমি আৰু পদক্ষেপ গ্ৰহণ কৰিব লাগিব । আমি যেতিয়া ডি অ' অফিচ বা ডি আইৰ অফিচত যাওঁ তেওঁলোকে তেওঁলোকৰ দুখৰ কথা বিলাক কয়। তেওঁলোকে বিদ্যালয় বিলাকলৈ যাবলৈ হ'লে এটা গাড়ীৰ প্ৰয়োজন আছে , কিন্তু সেই গাড়ী আজি তেওঁলোকৰ হাতত নাই । গাড়ীৰ সুবিধা নথকাৰ বাবে এগৰাকী ব্লক লেভেল এডুকেচন অফিচাৰে তেওঁৰ ব্লকৰ অধীনত থকা বিদ্যালয় বিলাকত সঘনাই যাব নোৱাৰে আৰু এইটো আমাৰ ডিপাৰ্টমেন্টৰ এটা ডাঙৰ প্ৰত্যাহ্বান বুলি মই ভাৱো। সেই কাৰণে মই ভাবো চৰকাৰে প্ৰতিগৰাকী ডি অ' অফিচত যোৱাৰ কাৰণে চৰকাৰী গাড়ী দিয়াৰ ব্যৱস্থা কৰিব পাৰে আৰু তাৰ কাৰণে আৰু অধিক পৰিমানে টকাৰ প্ৰয়োজন আছে । এই সংক্ৰান্তত আৰু এটা কথা ক'ব বিছাৰিছো, এই যে শিক্ষা ব্যৱস্থাটো ইমান দুখজনক অৱস্থা কিয় হৈ গ'ল ? আজি বেছিভাগ, যি সকলৰ চাকৰি আছে, টকা পইচা ইনকাম কৰি আছে বা ঠিকাদাৰ কৰি আছেতেওঁলোকে কিন্তু অসমীয়া ভাষা মাধ্যমৰ বিদ্যালয় বিলাকক জাবৰ বুলি ভাবে । ইয়াত কোনোধৰণৰ শিক্ষা গ্ৰহণ কৰিব নোৱাৰি বুলি ভাবে । সেই কাৰনে মই ও ভাবো মই যেতিয়া বিধান সভাৰ মজিয়ালৈ আহিছো এখন ভেনচাৰ স্কুলৰ পৰা আহিছো। মোৰ মা- দেউতাইও নাজানিছিল যে স্কুলত গৈ নাম লগাব লাগে । মোৰ মামাৰ লগত গৈ ১টকা চাৰিঅনা তামোল-পান দি প্ৰধান শিক্ষকৰ সেৱা লৈ সেইদিনা চমজাই আহিছিল । সেইদিনাৰপৰা প্ৰথম যেতিয়া শিক্ষাগুৰু মোৰ ঘৰত আহিছিল , দেউতাই যি কব লাগিছিল কৈ দিছিল । কিন্তু এতিয়া ডাঙৰ কথা হ'ল কিছুদিন আগত চৰকাৰী স্কুল বিলাকৰ ক্ষেত্ৰত বিভাগৰ এটা তথ্য পাইছিলো যে অসমীয়া ভাষা মাধ্যমৰ প্ৰায় ৭ হাজাৰৰ অধিক এল পি স্কুল বন্ধ হৈ গ'ল এই অসমত। এই যে ৭ হাজাৰৰ অধিক এল পি স্কুল বন্ধ হৈ গ'ল , সেইটো এদিনৰ ঘটনা নহয় । দিঘলীয়া পৰিক্ৰমাৰে আমি যদি চাওঁ, তেতিয়াহ'লে কৰাবত শিক্ষা বিভাগক আমি বজাৰৰ পণ্য সামগ্ৰীলৈ ৰূপান্তৰিত কৰিছিলো, কৰবাত নিযুক্তি প্ৰক্ৰিয়াবোৰ আমি বজাৰৰ বস্তুৰ দৰে ব্যৱহাৰ কৰিছিলো, কেতিয়াবা মন্ত্ৰীৰ আশীৰ্বাদ, কেতিয়াবা বিধায়কৰ আশীৰ্বাদ, কেতিয়াবা বিষয়াৰ আশীৰ্বাদ হৈছিল যাৰ কাৰণে আমি প্ৰকৃত শিক্ষকক নিযুক্তি দিব নোৱাৰিলো । যিসকল সামাজিক ভাৱে অলপ সচেতন ব্যক্তি, তেওঁলোকে ভাবিলে যে এনেকুৱা শিক্ষাব্যৱস্থাত মোৰ লৰা বা ছোৱালীজনীৰ ভৱিষ্যত ধ্বংস কিয় কৰিম। আমাৰ উপৰোক্ত বক্তাই এটা ভাল কথা কৈছে যে মাধ্যম কেতিয়াও হেঙাৰ হব নোৱাৰে। সেই কাৰণে মই ভাবো আমি অসমীয়া মাধ্যমৰ জৰিয়তেও পৃথিৱীৰ যিমান ভাষা আছে সকলো ভাষা শিকাৰ স্ক'প থাকিব পাৰে । এইটো আমাৰ চিন্তাৰ ওপৰত , সিদ্ধান্তৰ ওপৰত নিৰ্ভয় কৰে । অৱশ্যে যিবিলাক ৰো'ড চাইড স্কুল আছে তাত কিন্তু ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যাটো বেছি। কাৰণ শিক্ষক সমাজেও দায়িত্ব লব লাগিব। মোৰ এডমিচনৰ পিচত প্ৰতিটো মাহ বা তিনি মাহৰ মূৰে মূৰে শিক্ষক সকল আমাৰ ঘৰলৈ আহিছিল আৰু মোৰ মা-দেউতাৰ লগত কথা পাতিছিল । আমি যদি স্কুলত কেতিয়াবা বেয়া কাম কৰো, ৰাষ্টা -ঘাটত যদি বেয়া কাম কৰো , কোনোবাই যদি ঘৰত আহি অভিযোগ দিয়ে দেউতাৰ পৰা আমি মাৰ খাব লাগিছিল । এতিয়া এনেকুৱা এটা অৱস্থা হ'ল যে শিক্ষকে এচাৰি দেখাব নোৱাৰে, কৰ্টৰ নিৰ্দেশনা আছে আৰু কোনোবা শিক্ষকে যদি কিবা এটা ভালৰ কাৰণে ধমকি এটা দিয়ে, ছাত্ৰজনে আহি মাকক ক'ব, মাকে দেওতাকক ক'ব, দেউতাই গৈ কোনোবা সংগঠনক ক'ব, সংগঠনে গোটেই

মিডিয়া বা টি ভি চেনেল লৈ আহিব যাৰ ফলত শিক্ষাগুৰু গৰাকী অপদস্থ হ'বলগীয়া হয় যাৰ কাৰণে অসমীয়া ভাষা মাধ্যমৰ স্কুল বিলাকৰ কাৰণে যথেষ্ট এটা বেয়া পৰিৱেশ অহা বুলি মই ক'ব পাৰো বা সৰ্ববসাধাৰণ ৰাইজৰ এই বিদ্যালয়ৰ প্ৰতি অনিষা অহা বুলি মই ভাবো। কিন্তু আমি যি বিলাক ব্যক্তিগত স্কুল দেখিছো, মোৰ ডুলীয়াজান সমষ্টিত ডি পি এচ, ডনব'স্কো , জাতীয় বিদ্যালয় আদি এইবোৰ বিদ্যালয় আছে। তাত গেটৰ ভিতৰত সোমোৱাৰ কাৰো ধৃষ্টতা নাই আৰু নোৱাৰে । কাৰণ এইবিলাক ব্যক্তিগত স্কুল। তাত মালিকে যি ধৰণে ক'ব তেনেকৈ হ'ব । কিন্তু চৰকাৰী ভাষা মাধ্যমৰ যিবিলাক বিদ্যালয় আছে , যিহেতু আমি ৰাইজৰ ৰেভিনিউৰ জৰিয়তে ৰাজকোষলৈ অহা টকাৰে আমি তেওঁলোকক দৰমহা দিছো, বিভিন্ন আন্তঃগাঁঠনি উন্নয়নৰ বাবে পইচা দিছো । মই ভাবো ব্যক্তিগত বিদ্যালয় সমূহত যিসকল শিক্ষকে শিক্ষাদান কৰি আছে তেওঁলোকে যি মাননি বা দৰমহা পাই আছে তাতকৈ বহুগুণে বেছি দৰমহা আমাৰ চৰকাৰী বিদ্যালয় সমূহৰ শিক্ষক - শিক্ষয়িত্ৰীয়ে পাই আছে। সেই কাৰণে মই ভাৱো যে আমি সকলোৱে এটা পৰিৱেশ সৃষ্টি কৰাৰ প্ৰয়োজন আছে।

অভিভাৱক সকলৰ সভা বিলাক আজিকালি বৰ দুখজনক হৈছে। শিক্ষক সমাজে যিধৰণে আগবাঢ়ি যাব লাগে তেনেধৰণে নাযায় আৰু তেওঁলোকে এনেকুৱা ধৰণৰ এটা মানসিকতা আহি গৈছে নেকি যে মই ৯ বজাত স্কুললৈ যাব লাগে, নিৰ্ধাৰিত সময়লৈকে তাত থাকিব লাগে, পাঠদান কৰিব লাগে আৰু ঘৰলৈ ঘুৰি আহিব লাগে। কিন্তু সেই ছাত্ৰ বা ছাত্ৰী গৰাকীৰ গোটেই ভৱিষ্যত গঢ়াৰ দায়িত্ব মাক -দেউতাকৰ পিছতেই যে বিদ্যালয়ৰ আছে সেই কথাটোৰ হয়তো আমাৰ ক'ৰবাত অভাৱ হৈছে। ব্যক্তিগত স্কুল বিলাক জাতীয় বিদ্যালয়, অন্যান্য বিদ্যালয়ত আমি দেখিবলৈ পাওঁ যে বহুতো মাতৃ সমাজ বিদ্যালয়ৰ ওচৰত বহি থাকে। এনেকুৱা ধৰণে বহি থাকে যে ল'ৰাটো ঘৰৰ পৰা নিয়াৰ পৰা ছুটি দিয়ালৈকে মাকজনী লগতে থাকে আৰু শিক্ষাগুৰুৱে কি নোট দিলে সেই নোটটো তেওঁলোকে লগে লগে চায় কি হোমৱৰ্ক কৰিব লাগে। নহ'লে পিছদিনা চ'কজ হয় বা গাৰ্জেনক মাটি পঠিয়ায় আৰু গাৰ্জেন দৌৰি যায় তেওঁ চাকৰিয়ালেই হওঁক বা চাকৰি নকৰাই হওঁক। অৰ্থাৎ ব্যক্তিগত স্কুলৰ প্ৰধান শিক্ষকে মাতি পঠিয়ালে কোনো অভিভাৱক নোযোৱাকৈ থাকিব নোৱাৰে। কিন্তু আমাৰ চৰকাৰী বিদ্যালয় বিলাকত এই পৰিবেশটো গঢ়াৰ মানসিকতা আনিব পৰা নাই। সেয়েহে চৰকাৰৰ প্ৰতি মোৰ এটা অনুৰোধ যিহেতু শিক্ষা এটা ত্ৰিপাক্ষিক ব্যৱস্থা য'ত পাঠ্যক্ৰম, শিক্ষাগুৰু, ছাত্ৰ আৰু অভিভাৱক সকল থাকে, যেতিয়ালৈকে অভিভাৱক সকলৰ লগত আমি কথা বিলাক চেয়াৰ কৰিব নোৱাৰো তেতিয়ালৈকে আমি এটা ভাল পৰিবেশ আনিব নোৱাৰিম বুলি মই বিশ্বাস কৰো। সেয়েহে আমি অভিভাৱকৰ সভা বিলাক অলপ ভালকৈ পতাৰ ব্যৱস্থা কৰিব লাগে যাতে এই অভিভাৱকৰ সভাত বিভাগৰ মানুহ যাব পাৰে। বৰ্তমান গুনোৎসৱ এটা ভাল পদক্ষেপ আৰম্ভ কৰিছে। গুনোৎসৱটো কি এইটো নিজৰ মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰিব। বহুতে ভাৱিছিলে যে গুনোৎসৱে সাংঘাটিক কিবা এটা কৰিব। আগতে বিদ্যালয় বিলাকত anti biotic treatment হৈছিলে। বৰ্তমান আমাৰ চৰকাৰ অহাৰ পিছত ইয়াক postmortam কৰিব বিচৰা হৈছে। গোটেই ভিতৰৰ অসুবিধা সমূহ জানিব বিচৰা হৈছে যাৰ কাৰণে বিভিন্ন চেক্টৰত থকা ব্যক্তি সকলক ৰাজনীতিতে হওঁক বা বিভিন্ন বিভাগত থকা চাকৰিয়ালেই হওঁক প্ৰত্যেকজন ব্যক্তিক বিদ্যালয়লৈ গৈ গোটেই দিশটো অধ্যয়ণ কৰি কাৰ কি অভাৱ অনাটন, পৰিবেশ গোটেই তথ্য বিলাক বিচাৰিছিল। এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি মই ভাৱো যে আমাৰ বিভাগ বা চৰকাৰে এটা ফলপ্ৰসু ব্যৱস্থা হাতত লবলৈ গৈ আছে যিহেতু গুনোৎসৱৰ কাম এতিয়াও শেষ হোৱা নাই। অভিভাৱকৰ সভাৰ ক্ষেত্ৰত য'ত চাহবাগিছা

আছে বা দুখীয়া মানুহ আছে, সেই অঞ্চল বিলাকত সোমবাৰৰ পৰা শনিবাৰৰ ভিতৰত যদি অভিভাৱকৰ সভা পাতো আমি অভিভাৱক সকলক নাপাওঁ। সেয়ে মই ভাৱো শিক্ষক সকলৰ সহযোগিতাত যাতে ছুটিৰ দিনত অভিভাৱকৰ সভা বিলাক পাতিব পাৰো তেতিয়াহ'লে নিশ্চয় অভিভাৱক সকল আহিব। আজিকালি বিভিন্ন জাতিৰ নামত ইমান সংগঠন বিলাক আছে তেওঁলোকৰ লগতো অলপ কথা পতাৰ দৰকাৰ যিহেতু তেওঁলোকে ছাত্ৰ সংগঠন কৰি আছে, তেওঁলোকে ছাত্ৰৰ কথাটো কেনেকুৱা ধৰণে ভাৱিছে। আমাক , চৰকাৰক , নেতাক, বিভাগক যিধৰণে দোষাৰোপ কৰা হয় মই ভাৱো আমি যদি সকলোৱে, বিভাগৰ মানুহ, জনপ্ৰতিনিধি, অভিভাৱক, ছাত্ৰ সংগঠন বহো তেতিয়াহ'লে মই ভাৱো এইবিলাক সমস্যা সমাধানৰ ক্ষেত্ৰত আমি কিছু উপায় ল'ব পাৰিম। বিশেষকৈ বহু প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে যে শিক্ষক নাই তাৰ এটা ৰিপোৰ্ট আমি যোৱা বিধান সভাত পাইছিলো। আমাৰ মন্ত্ৰী ডাঙৰীয়াই জনাইছিল যে যদি আমি গোটেই অসমৰ হিচাব চাওঁ তেতিয়াহ'লে ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক পৰ্য্যাপ্ত আছে। গতিকে মই ভাৱো যদি পৰ্য্যাপ্ত শিক্ষক আছে, তেন্তে এটা কঠোৰ নিৰ্দেশনা যাব লাগে যে অতি সোনকালে য'ত শিক্ষকৰ প্ৰয়োজন আছে তালৈকে যাতে শিক্ষক ট্ৰেন্সফাৰ কৰিব পাৰো। আমি Government school, Government provincialise school বিলাকত admission, book distribution, uniform free কৰিছো। কিন্তু বহুতো ভেঞ্চাৰ স্কুল আছে য'ত ইউনিফৰ্মটোও আমি দিব পৰা অৱস্থাত নাই। মই ভাৱো চাহবাগিছা অঞ্চলৰ স্কুল, ভেঞ্চাৰ স্কুল বিলাকত এইবিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। এতিয়া নতুনকৈ এটা সমস্যা আহিছে যে ক্লাচ চিক্স, ক্লাচ নাইনত আমি এডমিশ্যন দিব পৰা নাই যাৰ কাৰণে বিদ্যালয়ৰ ওচৰৰ ছাত্ৰজনে এডমিশ্যন নাপায় বহু দূৰৰ স্কুললৈ যাবলগীয়া হয়। এতিয়া কথা হ'ল একেই শিক্ষক সমাজৰ এখন বিদ্যালয়ৰ পৰা যেতিয়া ক্লাচ ফাইভ উত্তীৰ্ণ হোৱাৰ চাৰ্টিফিকেট পাইছে সেই ছাত্ৰ বা ছাত্ৰী গৰাকীয়ে কিন্তু ঘৰৰ ওচৰৰ স্কুলখনত ক্লাচ চিক্সত এডমিশ্যন নাপায়। এনেকুৱা বহু কথা আছে যাৰ কাৰণে এই ছাত্ৰ বা ছাত্ৰী গৰাকীয়ে আহি আমাৰ ওচৰত কান্দিব লগা হয়, অভিভাৱক সকলে আহি আমাৰ ওচৰত ক'বলগীয়া হয়। শিক্ষকৰ অভাৱৰ কাৰণে আজি হাইস্কুল বিলাকত অতিৰিক্ত শিক্ষক মেনেজিং কমিটিয়ে নিযুক্ত কৰিছে যদিও আমি মন্ত্ৰী বিধায়কে সভা সমিতিয়ে বহু ডাঙৰ ডাঙৰ কথা কৈ আছো যে free admission, free books, free uniform কিন্তু এতিয়াও সাতশৰ পৰা এহেজাৰ টকালৈকে দুখীয়া পিতৃ-মাতৃৰ পৰা লোৱা হৈছে আৰু যেতিয়া প্ৰধান শিক্ষকৰ লগত এই বিষয়ত কথা পতা হৈছে কৈছে যে আমাৰ এইটো বিষয়ৰ শিক্ষক নাই। গতিকে মই ভাৱো এইটো আমাৰ কাৰণে ডাঙৰ প্ৰত্যাহ্বান আৰু এইটো সত্য। গতিকে মই ভাৱো অতি সোনকালে যিবিলাক বিদ্যালয়ত শিক্ষকৰ প্ৰয়োজন আছে তাত নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। বিভাগে জানে যে অমুক তাৰিখে অমুকজনৰ retirement কৰিব। গতিকে আমি তাত যাতে অতি সোনকালে appointment দিব পাৰো তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটো মই বিচাৰিছো। নহ'লে আমি যিমানেই ভাল কাম নকৰো , সৰু সৰু কামৰ কাৰণে আমি বদনামৰ ভাগি হ'ব লগা হৈছে। এইটো আমাৰ কাৰণে ভাল লক্ষণ নহয়। সেইকাৰণে আজি চৰকাৰৰ ওচৰত মোৰ এইটো আহ্বান থাকিব। আমাৰ ওচৰত নিৰ্দ্দেশনা আহিছিল যে মেট্ৰিকৰ চেণ্টাৰ সমূহত বাউণ্ডেৰী ওৱাল নথকাৰ কাৰণে বিভাগৰ পৰা চেণ্টাৰ বন্ধ কৰি দিয়াৰ নিৰ্দ্দেশ দিয়া হ'ল। ধৰিললো যে চেণ্টাৰ বিলাক বন্ধ কৰি দিয়া হ'ব কিন্তু পৰীক্ষা ক'ত দিব তাৰ কাৰণেতো ব্যৱস্থা কৰিব লাগিব। যদি চৰকাৰে নকৰে, বিভাগে নকৰে কোনে তাৰ দায়িত্ব ল'ব লাগে। এই কথাবিলাক যেতিয়া আমি জনালো তেতিয়া আমাৰ মাজত আৰু এখন নতুনকৈ চিঠি গ'ল যে ৮ লাখ টকাকৈ আমি বিভাগৰ পৰা পাম আৰু ৮

লাখ টকা আমি এম এল এ ফাণ্ডৰ পৰা দিম। এই ৮ লাখ টকাৰ বিষয়ে আমাৰ লগত অলপ আলোচনা কৰা হেতেঁন ভাল পালো হেতেন। শাসক দলৰ বিধায়ক হিচাপে মইও এইটো কনফিউজনত থাকি গলো যে হঠাৎ কিয় এনেকুৰা এটা অৰ্ডাৰ গুছি গ'ল। অলপ কথাখিনি আমাৰ মাজতো শ্বেয়াৰ কৰাতো বিচাৰো। সেইকাৰণে মই ভাৱো যদিও এই কৰ্তন প্ৰস্তাৱ যদিও আনুষ্ঠানিকতা মই ভাৱো যে আৰু ইয়াত পইচা অনা দৰকাৰ আৰু যিবিলাক হাইস্কুলত অতিৰিক্ত শিক্ষকৰ নামত অতিৰিক্ত পইচা লৈ আছে এইবিলাক যাতে ঘুৰাই দিয়ে তাৰ বাবে বিভাগে ব্যৱস্থা লোৱাটো মই বিচাৰিছো। কাৰণ এইবিলাক দুখীয়া মানুহ। তেওঁলোকে কান্দি কান্দি পইচা দি আছে। কাৰণ নিৰ্বাচনৰ সময়ত যেতিয়া আমি বিভিন্ন ধৰণৰ সভা সমিতি পাতি আমি কথাবিলাক যিধৰণে কওঁ ৰাইজ আশ্বস্ত হয়। এই সৰু সৰু কথা বিলাক কাৰ ভুলৰ কাৰণে হৈ আছে এই বিষয়ে মই ভাৱো যে পবিত্ৰ সদনত আমি এটা সিদ্ধান্ত ল'ব লাগিব। বহু বিদ্যালয়ত ডেস্ক-বেঞ্চ নাই। হয়, আমি এইটো এম এল এ ফাণ্ডৰ পৰা দিব পাৰো. যিহেতু ইয়াত সৰ্বশিক্ষাৰ কথাটো জড়িত হৈ আছে। বহুত বিদ্যালয়ত CRC Appointer আছে আৰু বহু সময়ত আমাৰ বিভাগ আৰু CRC ৰ লগত নেক্সাচ কৰি য'ত বিদ্যালয় আছে, তাত আকৌ বিদ্যালয় দিয়া হৈছে। Amalgamation ৰ পিছত সেইবোৰ বিদ্যালয় বন্ধ হৈ গ'ল। চৰকাৰৰ ওচৰত মোৰ আৰু এটা আহ্বান থাকিব যে Amalgamation বন্ধ হৈ যোৱা ঘৰবোৰ আমি এনেকৈ তলা মাৰি নষ্ট হ'বলৈ দিম, নে তাত পুনৰ ব্যৱহাৰৰ বাবে কিবা ব্যৱস্থা কৰিম। এই বিষয়ে মই ডিব্ৰুগড় জিলাৰ DC ৰ লগত কথা পাতিছো। কিন্তু DC য়ে হওঁক বা IAS সকলেই হওঁক আমাৰ কথাবোৰ শুনা নাই আৰু বিধায়ক হিচাপে মই অলপ দুখ পাইছো। তেওঁলোকে আমাক এটা সমাধানৰ সূত্ৰ দিব লাগিব। বিদ্যালয়সমূহৰ প্ৰেক্ষাগৃহ সমূহ যেতিয়া ভাঙি চুৰমাৰ হৈ যায় তেতিয়া তাত TV Media সকলৰ সদস্যই গৈ কয় যে এইবোৰ এটা চৰকাৰী সম্পদ হয় আৰু ইয়াৰ এনেকুৰা দুৰৱস্থা হৈ আছে। মই সেইকাৰণে ভাৱো যে এনেকুৰা যিসমূহ খালী বিদ্যালয় আছে, তাত কোনো কামৰ ব্যৱস্থা কৰিবৰ বাবে বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো। কাৰণ মোৰ পঞ্চায়তত ১৯০৬ চন নে ১৯০৮ চনত স্থাপন হোৱা এখন বিদ্যালয় আছে, য'ত প্ৰায় দুগৰাকী শিক্ষাৰ্থী থকা বাবে বন্ধ হ'ল। তাত ধুনীয়া এখন খেলপথাৰ আৰু প্ৰেক্ষাগৃহ আছে। সেইটো যাতে আমি ব্যৱহাৰ কৰিব পাৰো তাৰ বাবে মই অনুৰোধ জনাইছো আৰু মই বিৰোধীয়ে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰুদ্ধে মই এই কথাখিনি উত্থাপন কৰিছো আৰু তেওঁলোকক এই প্ৰস্তাৱ প্ৰত্যাহাৰ কৰি এই বিভাগক যাতে আৰু বেচি ধন দিব পাৰে তাৰ বাবে আহ্বান জনাই মই মোৰ ক'বলগীয়াখিনি ক'লো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য মহেশ্বৰ বড়ো ডাঙৰীয়াই কওঁক।

**শ্ৰী মহেশ্বৰ বড়ো, বিধায়ক (কালাইগাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষাবিভাগৰ পৰিপূৰক দাবী মঞ্জুৰীৰৰ ওপৰত বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, তাৰ সম্পূৰ্ণ বিৰোধিতা কৰি শিক্ষা বিভাগৰ কিছুমান সমস্যা উপস্থাপন কৰিব বিচাৰিছো আৰু আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছো। শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যথেষ্টখিনি পদক্ষেপ লৈছে। মুখ্যতঃ শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰি শিক্ষা ব্যৱস্থা গঢ়ি তুলিবলৈ চৰকাৰে গুণোৎসৱ পাতিছিল আৰু এই গুণোৎসৱ যথেষ্টখিনি প্ৰশংসনীয় পদক্ষেপ আছিল। এই গুণোৎসৱ পাতি শিক্ষাৰ জগতখনক এটা ভাল quality maintain কৰিবলৈ যি যত্ন কৰা হৈছিল ৰাইজেও তাৰ প্ৰশংসা কৰিছে আৰু মইয়ো এইটো অনুভৱ কৰো। ইয়াত বিধায়কসকলো জড়িত হৈ পৰিছিল। ৰাজ্যৰ বিদ্যালয় সমূহৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন সমস্যাসমূহ চৰকাৰক জনোৱাৰ কাৰণে ৰাইজে এটা সুযোগ পাইছে আৰু এই সুযোগতে

ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ কি সমস্যা আছে তাক জানিবলৈ সক্ষম হৈছে। মুখ্যতঃ আন্তঃগাঁথনিৰ দিশতে যথেষ্টখিনি অভাৱ পৰিলক্ষিত হৈছে। তাৰ বাহিৰেও শিক্ষকৰ অভাৱ। যাৰ বিষয়ে বহুতজন সন্মানীয় সদস্যই সদনৰ মজিয়াত দাঙি ধৰিছে। শিক্ষকৰ অভাৱৰ বিষয়ে এই গুণোৎসৱৰ যোগেদিয়ে চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মই ভাৱো এই অভাৱ পূৰণ কৰিব পাৰিলে শিক্ষাৰ মানদণ্ড উন্নত কৰি আমি ভৱিষ্যৎ প্ৰজন্মৰ পৰা ভাল ভাল মানুহ সৃষ্টি কৰিবলৈ সক্ষম হ'ম। কলেজৰ ক্ষেত্ৰতো কিছুমান সমস্যা আছে। কলেজৰ Associate Professor ৰ ক্ষেত্ৰত যথেষ্টখিনি সমস্যা দেখা গৈছে। কাৰণ আমাৰ BTAD অঞ্চলসমূহত যিখিনি Provincialized College আছে, তাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী আছে। য'ত এইখিনি প্ৰফেচাৰৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰোতে যথেষ্ট অসুবিধা দেখা পোৱা গৈছে। কিছুমান কলেজত ১২০০ৰ পৰা ১৫০০ ছাত্ৰ-ছাত্ৰী আছে। কিন্তু দিনে দিনে বহুতো প্ৰফেচাৰ অৱসৰ লৈ গৈ আছে। সেই দিশটো চৰকাৰে গুৰুত্ব সহকাৰে লয় আৰু Associate Professor সকলৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ যথেষ্ট দৰকাৰ আছে বুলি মই ভাৱো। তাৰোপৰিও Provincialized কৰাৰ ক্ষেত্ৰত আমাৰ BTAD অঞ্চলত যথেষ্টখিনি কলেজ আছে। যেতিয়া BTAD সৃষ্টি কৰা হ'ল তাৰ পিছত বহুতখিনি কলেজ স্থাপন কৰা হ'ল আৰু চৰকাৰৰ ফালৰ পৰা অনুমতিও দিয়া হ'ল। Provincialized Act খন এই সদনত আমিয়ে বনাইছো। এই এক্টৰ আওতাৰ ভিতৰত বহুতো কলেজ পৰিছে আৰু বহুতো পৰা নাই । এই এক্টখন ষষ্ঠ অনুসূচী অঞ্চলত বেলেগকৈ বনাই ল'ব পৰা হ'ব বুলি উল্লেখ আছে। BTAD ৰ Authority য়ে ইতিমধ্যে এইখন আইন ঠিকঠাক কৰি চৰকাৰলৈ প্ৰেৰণ কৰিছে। কিন্তু আজিলৈকে সেইখন আইন গ্ৰহণ কৰা হোৱা নাই। যাৰ ফলত এতিয়া বহুতো কলেজ ৰাজ্যচৰকাৰৰ যিখন আইন, তাৰ আওতাত নপৰা হেতুকে প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত যথেষ্ট সমস্যাই দেখা দিছে। য'ত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি আছে আৰু বহু শিক্ষকে বহু আশাৰে শিক্ষাদান কৰি আছে । তাৰ শিক্ষকসকলে আমাক প্ৰশ্ন কৰে যে আমাৰ BTAD ৰ কাৰণে সুকীয়াকৈ আইন বনোৱাৰ কথা আছিল, এই ক্ষেত্ৰত কি হ'ল? আমাৰ বিধায়ক সকল এনেকুৱা ধৰণৰ বিভিন্ন প্ৰশ্নৰ সন্মুখীন হয়। সেয়েহে মই বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যাতে এইবিষয়ে সোনকালে পদক্ষেপ লোৱাৰ ব্যৱস্থা কৰে। কেৱল কলেজেই নহয়, এম ই স্কুল, এল পি স্কুলও এই আইনৰ আওতাত পৰা আৰু নপৰা যথেষ্টখিনি আছে। যিকেইখন আওতাৰ ভিতৰত পৰিছে, চৰকাৰে এটা পদক্ষেপ লৈছে প্ৰাদেশিকীকৰণ কৰাৰ কাৰণে। এই ক্ষেত্ৰত কিছু সমস্যাই দেখা দিছে যে কিছুমান স্কুলত Both medium আছে। Both medium কেৱল অসমীয়া বা বড়োৱেই নহয় বিভিন্ন ভাষাৰ আছে। এতিয়া মই শুনিবলৈ পাইছো যে Both medium অসমীয়া ভাষাত আছে, বড়ো ভাষাত আছে। তেনেক্ষেত্ৰতেই অসমীয়া আৰু বড়ো মাধ্যমত Recognition সুকীয়াকৈ ল'ব লাগে। তেনেকুৱাধৰণৰ কথাবোৰ শিক্ষকসকলে আমাক শুনাই আছে। কিন্তু এনেকুৱাধৰণৰ উদাহৰণ আছে। যোৱা দিনত যিবিলাক স্কুল প্ৰাদেশীকৃত কৰা হৈছে, Both medium ক Provincialized কৰা হৈছে, তাত সুকীয়া সুকীয়াকৈ Recognise ৰ প্ৰয়োজন হোৱা নাই। তাৰ উদাহৰণ বহুত আছে। মোৰ জিলাতে এনেকুৱাধৰণৰ ৪ খন মান কলেজ আছে। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে পুনৰ চিন্তা-চৰ্চ্চা কৰি দুটা medium ক provincialized কৰিব পাৰে। মুখ্যতঃ এইখিনি সমস্যাই দেখা দিছে। শিক্ষকৰ সমস্যাৰ কথাই বহুতজনে উল্লেখ কৰিছে। শিক্ষক মুখ্যতঃ প্ৰাথমিক বিদ্যালয়ত এনেকুৱা এটা অনুভৱ হৈছে যে- য'ত ৫ টা Class থাকে তাত এজন বা দুজন শিক্ষকেই পাঠদান কৰি থাকিব লগীয়া হয়।

এজন শিক্ষক থাকিলেতো হাহাকাৰেই হয়, কাৰণ তেখেতেই সকলো কৰ্মকৰ্তা। তেওঁ অফিচতো দৌৰি থাকিব লাগে, Mid day Meal ৰ হিচাপ-নিকাচ আদি কৰি সামগ্ৰী সংগ্ৰহ কৰিবও লাগে। গতিকে এজন শিক্ষক থকা প্ৰাথমিক বিদ্যালয়ত কেনেধৰণে Class হ'ব সেইটো আমি সকলোৰে অনুমান কৰিব পাৰো। দুজন শিক্ষক থাকিলেও সেই একে অৱস্থাই হ'ব কাৰণ এজন শিক্ষকে অন্য ফালে দৌৰি থাকিবই লাগিব আৰু আনজনে ৫ টা Class কৰিব লাগিব। গতিকে তাতো কেনেধৰণে Class হ'ব সেইটো আমি সকলোৰে অনুমান কৰিব পাৰো। উপায়বিহীন হৈ কিছুমানে ছাত্ৰ-ছাত্ৰীসকলক এনেয়েই পাছ কৰাই দিয়ে। উন্নত মানদণ্ডৰ শিক্ষা দিয়াৰ বাবে গুণোৎসৱ পতা হৈছিল আৰু কিতাপ-পত্ৰকে আদি কৰি চৰকাৰী ভাৱে বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থাও কৰা হৈছিল। মই ভাৱো, প্ৰাথমিক বিদ্যালয়সমূহৰ এটা শ্ৰেণীৰ বাবে যাতে এজনকৈ শিক্ষক প্ৰদান কৰিব পাৰে। আমি তৃণমূল পৰ্যায়ৰ পৰা আমাৰ নতুন প্ৰজন্ম তথা ছাত্ৰ-ছাত্ৰীসকলক গঢ় দিব লাগিব। এম.ই. স্কুললৈ এনেকুৱা ছাত্ৰ-ছাত্ৰীও অহা দেখিবলৈ পাইছো যিসকলে পঢ়িবও নোৱাৰে, আখৰো চিনি নাপায়। অধ্যক্ষ মহোদয়, এই শিতানত যথেষ্ট খিনি বাজেট আহি আছে আৰু এই বাজেটত huge amount ধাৰ্য কৰি প্ৰাথমিক বিদ্যালয়সমূহত প্ৰতিটো শ্ৰেণীৰ বিপৰীতে যদি এজনকৈ শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰে তেতিয়াহ'লে আমি উন্নত মানদণ্ডৰ ছাত্ৰ-ছাত্ৰী তৈয়াৰ কৰিব পাৰিম। একত্ৰীকৰণৰ পদক্ষেপটো ভাল হৈছে। একত্ৰীকৰণৰ যোগেদি হাইস্কুল, এম.ই. স্কুলৰ শিক্ষকসকলে প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক চোৱাৰ বাবে এটা সুযোগ পাব। কিন্তু, একত্ৰীকৰণ কৰিব নোৱাৰা বহুতো প্ৰাথমিক বিদ্যালয় আছে গতিকে এইবোৰত যদি আমি শিক্ষক নিযুক্তি দিব পাৰো তেন্তে মই ভাৱো ই শিক্ষা জগত খনক আৰু এখোজ আগুৱাই নিব পাৰিব আৰু যথেষ্ট উন্নত কৰিব। মই দেখিবলৈ পাওঁ যে মেট্ৰিক-হায়াৰ ছেকেণ্ডাৰীৰ ৰিজাল্টত চৰকাৰী খণ্ডৰ স্কুলৰ বিপৰীতে ব্যক্তিগত খণ্ডৰ স্কুলসমূহে স্থান পায়। গতিকে শিক্ষা জগতত চৰকাৰী বিদ্যালয় সমূহক জনসাধাৰণৰ মাজত আকৰ্ষিত কৰাৰ কাৰণে যি ধৰণে প্ৰয়াস কৰি থকা হৈছে, মই ভাৱো ই নিশ্চয় ফলপ্ৰসূ হ'ব আৰু আগন্তুক সময়ত নিশ্চিত ভাৱে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান বাদ দি চৰকাৰী স্কুলত নামভৰ্তি কৰিব। গতিকে অধ্যক্ষ মহোদয়, এই দেখা দিয়া সমস্যাসমূহ আপোনাৰ যোগেৰে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিলো আৰু আজি বিৰোধীয়ে পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ মই সম্পূৰ্ণ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Thank You. কৰ্তন প্ৰস্তাৱৰ ওপৰত যিহেতু আলোচনা চলি আছে, আপোনালোকে নিশ্চয় মন্ত্ৰীৰ পৰা উত্তৰ আশা কৰিব। গতিকে, উত্তৰৰ বাবে তেখেতক সময় নিদিলে সকলো guillotine ত যাব আৰু উত্তৰটো নাহিব। মোৰ হাত কেইবাগৰাকী মাননীয় বিধায়কৰ নাম আছে আৰু প্ৰত্যেকটো বধায়িনী দলৰ এজনকৈ সদস্যই ইতিমধ্যে কৈছে। আমাৰ হাতত এতিয়া প্ৰায় ১ ঘণ্টা ১৫ মিনিট সময় আছে আৰু ইয়াৰ ৪০ মিনিট মান সময় আন সদস্য সকলক দিব পাৰিম আৰু বাকী ৩০-৩৫ মিনিটমান সময় মন্ত্ৰী ডাঙৰীয়াক দিব লাগিব। গতিকে আপোনালোকে যিমান পাৰে চমুকৈ ক'বলৈ চেষ্টা কৰিব। এতিয়া সুমন হৰিপ্ৰিয়া, আপুনি কওঁক।

**মাননীয় সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো)ঃ** শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শিক্ষা বিভাগত যি পৰিপূৰক দাবী মঞ্জুৰী আনিছে তাত বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ কৰাৰ বাবে আমি অত্যন্ত দুখ প্ৰকাশ কৰিছো আৰু তাৰ বিৰোধিতা কৰিছো। উচ্চ শিক্ষাৰ ক্ষেত্ৰত আমি ১৬০৪৪.৭৯ লাখ টকা, Elementary and Secondary Education ৰ ক্ষেত্ৰত অন্যান্য grant ৰ বাবে ১৮০০.২৪৬

লাখ টকা Supplementary Demand ত ধাৰ্য কৰিছো। মই ভাৱো, আমাৰ এই demand খিনি well-justified হৈছে। বৰ্তমান শিক্ষা ব্যৱস্থাত আমুল পৰিৱৰ্তন আহিছে আৰু শিক্ষাই মানুহৰ চৰিত্ৰ গঠন কৰে গতিকে শিক্ষাৰ ক্ষেত্ৰত অনুদানৰ কৃপণালী কৰাটো উচিত নহ'ব বুলি বিৰোধীয়ে নিশ্চয় মানে। শিক্ষা ক্ষেত্ৰত আন্তঃগাঁথনিৰ উন্নতকৰণৰ ক্ষেত্ৰতো যথেষ্টখিনি পৰিৱৰ্তন আহিছে। আমাৰ ইতিমধ্যে ৬ খনকৈ বিশ্ববিদ্যালয় আছে আৰু তাৰ ওপৰঞ্চি নতুনকৈ ৪ খন বিশ্ববিদ্যালয় গঠনৰ কাম হাতত লোৱা হৈছে। তাৰে ৩ খন বিশ্ববিদ্যালয় যেনে, ভট্টদেৱ বিশ্ববিদ্যালয়, বৰপেটা; শ্ৰীমন্ত মাধৱদেৱ বিশ্ববিদ্যালয়, নাৰায়ণপুৰ আৰু কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, হোজাইৰ প্ৰাৰম্ভিক কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু এই বিষয়ে মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো। ইয়াৰ লগতে উচ্চ শিক্ষাৰ বাবে যিখিনি পৰিপূৰক দাবী আমাৰ চৰকাৰে বিচাৰিছে সেইখিনি যথেষ্ট কম কাৰণ আমাৰ হাতত ইতিমধ্যে ২৭১ খন provincialized Salary কলেজ আৰু ৫ খন পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় আছে। 7th Pay Commission ৰ revised scale মতে ২৭১ খন provincialized কলেজৰ ক্ষেত্ৰত যি salary shortfall আহিছিল তাৰ বাবে আমি মাত্ৰ ৭৫০০.০০ লাখ টকাহে বিচাৰিছিলো। তাৰ লগে লগে revised pay scale হোৱাৰ পিছত শিক্ষকৰ arrear ৰ বাবদ হিচাপে ৭৮০০.০০ লাখ টকা বিচৰা হৈছিল। গতিকে, ২৭১ খন provincialized কলেজ আৰু ৫ খন পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ক্ষেত্ৰত এই পৰিপূৰক দাবী যথেষ্ট কম হৈছে। কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত আমাৰ ইতিমধ্যে ৬ খন ইঞ্জিনীয়াৰিং কলেজ আৰু ২২ খন Polytechnic institute আছে। তাৰোপৰি, আমাৰ চৰকাৰে এখন Assam Science and Technology University, Assam Women University, Directorate of Historical and Antique Studies of Higher Education স্থাপন কৰিছে। কিন্তু, ২০১৮-১৯ বৰ্ষত আমি আচৰিত ধৰণে এটা পৰিৱৰ্তন দেখিবলৈ পাইছো আৰু হাজোৰ বিধায়িকা হিচাপে সেই পৰিৱৰ্তনৰ বিষয়ে ক'বলৈ পাই মই ভাল পাইছো। আমাৰ হাজো সমষ্টিৰ কলেজত বিজ্ঞান শাখা নাছিল যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে নলবাৰী, ৰঙিয়াৰ কলেজত পঢ়িব যাবলগীয়া হৈছিল, গুৱাহাটীত পঢ়িবৰ বাবে ভাড়া ঘৰত থাকিব লগীয়া হৈছিল। কিন্তু, আমাৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য ডাঙৰীয়াই অলপতে সুৰেন দাস কলেজত বিজ্ঞান শাখা মুকলি কৰিছে আৰু তাৰ বাবে হাজোৰ ৰাইজৰ বহুত আশীৰ্বাদ আমাৰ চৰকাৰে পাইছে। আনহাতে, দমদমা কলেজতো ইতিমধ্যে বিজ্ঞান শাখাৰ বাবে আবেদন কৰা হৈছে আৰু ইয়াৰ ওপৰতো বিবেচনা নিশ্চয় গ্ৰহণ কৰিব। মই সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে তালিকা এখন পঢ়ি দিব বিচাৰিছো যে এতিয়ালৈকে ৫০ খন কলেজত বিজ্ঞান শাখা introduce কৰিছে। তাৰ লগতে ১০ খন Law College আৰু ১০ খন B.Ed College, ৯ খন Women Engineering College, তিনিখন Polytechnic College পোৱাৰ লগে-লগে হাজো আৰু সৌভাগ্যবান হ'ল। হাজোত Polytechnic Institute ৰ শিলান্যাসৰ তাৰিখ দিব শিক্ষামন্ত্ৰী মহোদয়ে অহা মাহত। গতিকে শিক্ষা বিভাগত আমূল পৰিবৰ্তন আহিছে। Supplementary demand আমাৰ যথেষ্ঠ কম। গুণোৎসৱৰ কথা আমাৰ বিৰোধীয়ে কৈ আছে।গুণোৎসৱত যিখিনি শিক্ষানুষ্ঠানে প্ৰথম স্থান পাইছিলে এতিয়ালৈকে এইখিনিৰ কোনো বাজেট অহা নাই। তাৰ উত্তৰত মই কওঁ যে, যিখিনি শিক্ষানুষ্ঠানে গুণোৎসৱত প্ৰথম স্থান পাইছিলে তেওঁলোকক জনোৱা হৈছিলে যে, তেওঁলোকৰ ক'ত ক'ত কি কি লাগিব তাৰ এটা Estimate বনাই দাখিল কৰিবলৈ। কিন্তু এতিয়ালৈকে কোনো ধৰণৰ Esti-

mate অহা নাই। গতিকে এইটো আমাৰ চৰকাৰৰ দোষ হ'ব নোৱাৰে। বিৰোধীৰ যিসকল বিধায়ক আছে তেওঁলোকৰো এই ক্ষেত্ৰত এটা দায়িত্ব আছে।

ইয়াৰ উপৰিও, যোৱা বাজেটত এটা কথা ঘোষণা হৈছিলে যে Minority এলেকা সমূহত Women University হ'ব তেতিয়া আমি সকলোৱে হাত ৰঙা পৰি যোৱাকৈ হাত চাপৰি বজাইছিলো। ইয়াৰ কাৰণ Minority এলেকা সমূহত যেতিয়া পঞ্চায়ত Election হয়, তাত শিক্ষাগত অৰ্হতা নথকা মহিলা সকল আহে। তেওঁলোকক অসমৰ মুখ্যমন্ত্ৰী কোন বুলি শুধিলেও তেওঁলোকে উত্তৰ দিয়ে মোদী ডাঙৰীয়া বুলি। যদি এনেকুৰা শিক্ষাগত অৰ্হতা নথকা লোক পঞ্চায়ত Election ত জয়ী হৈ আহে , তেওঁলোকৰ Political Participation কি হ'ব? সেইকাৰণে যোৱা বাজেটত আমাৰ চৰকাৰে যিখিনি অভিলাষী আচঁনি লৈছে, তাৰ ফলশ্ৰুতিত এই বছৰ তাৰ কাম আৰম্ভ হৈছে, এইটো মই শলাগ লৈছো।

সৰ্বশেষত মই এটা কথা কওঁ যে, মোৰ মা-দেউতা দুয়োজনেই শিক্ষক আছিল। সেই সময়ত কোনো ছাত্ৰই বেয়া কাম কৰিবলৈ ভয় খাইছিল। কিন্তু বৰ্তমান গুণগত যি মানদণ্ড সেইটো কম হোৱা দেখা গৈছে আৰু শিক্ষকৰ যি সন্মান সেইটো যেন কৰবাত অকমান হ্ৰাস হৈছে। গতিকে এই ক্ষেত্ৰত সমূহ সংগঠন সমূহৰ এটা দায়িত্ব আছে, অভিভাৱক আৰু আমাৰ সমাজৰো এটা দায়িত্ব আছে লগতে শিক্ষামন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ কৰিছো যাতে কিবা প্ৰকাৰে যাতে শিক্ষাৰ গুণগত মৰ্য্যাদাটো বঢ়াব পাৰে আৰু আকৌ যাতে আগৰ ছাত্ৰ আৰু শিক্ষকৰ মধুৰ সম্পৰ্কৰ দৰে এটা সম্পৰ্ক গঢ় লৈ উঠে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰূপজ্যোতি কূৰ্মী।

**শ্ৰী ৰূপজ্যোতি কূৰ্মী (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ তৰফৰ পৰা যি কৰ্তন প্ৰস্তাৱ আনিছো এই কৰ্তন প্ৰস্তাৱক সমৰ্থন জনাই মই দুটামান কথা ক'ব বিচাৰিছো। আমি সকলোৱে জানো যে, শিক্ষাৰ অবিহনে এখন দেশৰ উন্নয়ন বা এখন ৰাজ্যৰ বা এখন সমাজৰ উন্নয়ন হ'ব নোৱাৰে। এইক্ষেত্ৰত যদি আমি চাওঁ কেইদিন মানৰ আগতে যোৱা বিধানসভাত মৰিয়ণী সমষ্টিৰ এখন বিদ্যালয়ৰ মই প্ৰশ্ন তুলিছিলো যে, কলীয়াপানী নামৰ এখন চাহ বাগিছাৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী ২২০ জন আৰু তাৰ বিপৰীতে এগৰাকী শিক্ষয়িত্ৰী । তেওঁলোকৰ শিক্ষাৰ মানদণ্ড কেনে হ'ব পাৰে? তেনেকুৰা এটা মই প্ৰশ্ন তুলিছিলো। মাননীয় শিক্ষামন্ত্ৰী গৰাকীৰ লগত আমাৰ অকণমান যুক্তি তৰ্কও হৈছিল।

মাননীয় শিক্ষামন্ত্ৰী গৰাকীৰ বিষয়ে কেইদিনমান আগতে মই এজন ব্যক্তিক শুধিছিলো যে তেওঁ কেনেকুৰা মানুহ? ব্যক্তিজনে ক'লে যে তেওঁ খুব ভাল মানুহ। তেখেতৰ কাম কৰাৰ ইচ্ছা আছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা যেনেধৰণৰ পুঁজি পাব লাগে তেনেদৰে নোপোৱাৰ কাৰণে তেখেতে যিমান কাম কৰিব লাগিছিলে তেনেদৰে কৰিব পৰা নাই বুলি আমাক জনালে। কেন্দ্ৰ চৰকাৰৰ অৰ্থ সাহাৰ্য্যৰ অবিহনে ৰাজ্য চৰকাৰে আগবাঢ়ি যাব নোৱাৰে কাৰণ পুঁজি সকলোতে লাগিব। Desk bench ৰ পৰা আদি কৰি পানী যোগান সকলোতে অৰ্থৰ প্ৰয়োজন। তাতোকৈ বেছি গুৰুত্বপূৰ্ণ কেনেধৰণে সেই টকাটো আহিছে আৰু কোনে কেনেধৰণে আচঁনি আৰু ব্যৱস্থা লৈছে। ২০১৪ চনত কেন্দ্ৰীয় চৰকাৰত যিজন Human Resource Minister বা শিক্ষামন্ত্ৰী আছিলে,তেখেতৰ শিক্ষাগত অৰ্হতাৰ কথা আহিলে আৰু তাকে লৈ ৰাষ্ট্ৰীয় News Channel বিলাকত হুলস্থুল হ'ল। পাছত সেই দপ্তৰটো আকৌ অন্যক গতাই দিয়া হ'ল। এতিয়া Human

Resource Minister অন্য এজন। গতিকে পুঁজিৰ অভ াৱতেই হওক বা অন্য কাৰণতেই হওক আমি অলপ পিছুৱাই গলো। তাৰ পিছত আহিল বিশেষ ৰাজ্যৰ মৰ্য্যাদা। এইটোও কৰ্তন কৰি দিয়া হ'ল বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা। এতিয়া আমি শুনিছো বিভিন্ন কাৰণৰ লগতে GST ৰ কাৰণেও Indian Economy অলপ থৰক বৰক হৈছে। যাৰ কাৰণে যেনেধৰণে আচঁনি প্ৰস্তুত হ'ব লাগিছিল তেনেধৰণে নাহিল। এই কথাবিলাকো আহিল।

আমি যদি চাওঁ 'ক' শ্ৰেণীটো প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকে পঢ়াশুনা কৰিবলগা হয়, শিক্ষকৰ নাটনিৰ বাবে। বিগত চৰকাৰৰ দিনত বহু কাম কৰিবলৈ থাকি গ'ল যাৰকাৰণে বৰ্তমান চৰকাৰখনে কিছু কাম কৰিব পৰা নাই। মই খুব গৌৰৱ আৰু আনন্দৰে কওঁ যে ২০০৬ চনৰে পৰা মই বিধায়ক হৈ আছো। ২০০৬ চনত মই যেতিয়া প্ৰথম বিধায়ক হৈ আহিছিলো, আজিৰ তাৰিখত তাত থকা ২৫০ খনতকৈও বেছি বিদ্যালয়ৰ ভিতৰত ১৪৫ খন বিদ্যালয়ৰ অতিৰিক্ত শ্ৰেণীকোঠাৰ grant ৰ কাৰণে চহী লবলৈ মোৰ ওচৰলৈ আহিছিল। তেতিয়া কেন্দ্ৰত UPA নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰ আৰু ৰাজ্যত কংগ্ৰেছ চৰকাৰ আছিল। গতিকে আগতে কিমান fund আহিছিল, এতিয়া fund টো অকণমান কমি গ'ল নেকি? শিক্ষাৰ অধিকাৰ আইন কোনে আনিলে? এই কথাবোৰ কবলৈ মন গৈছে কাৰণে সময়ৰ নাটনি যদিও চমুকৈ কৈছো। হাইস্কুলৰ শিক্ষকৰ নাটনিৰ কথা প্ৰায়বিলাক বিৰোধী বিধায়কে কৈ আছে। শিক্ষকৰ নাটনিটো এটা ডাঙৰ সমস্যা। এই কথাটোলৈ আজি প্ৰায় এবছৰৰ আগতেই পূৰ্ব্বৰ বিধান সভা অধিবেশনৰ সময়ত যেতিয়া মই এটা প্ৰশ্ন উত্থাপন কৰিছিলো তেতিয়া শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ লগত মোৰ অলপ যুক্তি তৰ্কও হৈছিল। তেওঁ কৈছিল যে, High Court ত Case চলি আছে। কিন্তু এই Case টো এতিয়া মীমাংসা হ'ল নে নাই? বা এই Case টো সমাধানৰ কাৰণে চৰকাৰে কেনেকুৱা ধৰণৰ ব্যৱস্থা লৈছে? এই কথাবোৰো চৰকাৰী পক্ষৰ বক্তব্যত কৈ গলে ভাল পাম।

ঠিকাভিত্তিক শিক্ষক ভালেকেইটা পদত আছে। এই শিক্ষক সকলৰ যদি নিযুক্তি নিয়মীয়াকৰণ নহয় তেতিয়াহলে নিশ্চয় শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত এটা প্ৰভাৱ পৰিব কাৰণ ইতিমধ্যে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰী সকলক কেনেদৰে শিক্ষাদান দিব লাগে তাৰ অভিজ্ঞতা হৈছে। তেওঁলোকৰ ঠাইত আকৌ নতুনকৈ শিক্ষক নিযুক্তি দিলে পাঠদানত ব্যাঘাত জন্মিব বুলি মই ভাৱো। কলেজ সমূহত free admission দিয়া হ'ল। কিন্তু মই জনাত ৫-৬ খন মহাবিদ্যালয় আছে য'ত তেনেকুৱা ঠিকাভিত্তিক শিক্ষক আছে। এই কলেজ সমূহৰ যথেষ্ঠ কষ্ট হৈছে কাৰণ তেওঁলোকে নিজৰ fund ৰ পৰা অলপ অলপ কৈ টকা দিব লগা হৈছে। যাৰকাৰণে ছাত্ৰ-ছাত্ৰী সকলক পঢ়োৱাৰ শিক্ষক সকলৰ যি মানসিকতা সেইটো অকণমান ভাঙি পৰিছে। গতিকে সময়থাকোতেই স্কুলতেই হওক বা কলেজতেই হওক য'ত প্ৰয়োজনীয়তা আছে এই ঠিকাভিত্তিক শিক্ষক সকলক যদি regularized কৰা নহয় তেতিয়াহলে শিক্ষা ব্যৱস্থাটোত ব্যাঘাত জন্মিব বুলি আমি অনুভৱ কৰিছো। পূৰ্ব্বৰ শিক্ষামন্ত্ৰী গৰাকীয়ে এবাৰ বক্তব্য ৰাখিছিল যে, "venture মানে cancer" এনেধৰণৰ যি মন্তব্য, আজি ভেঞ্চাৰ স্কুল আমি কেতিয়াও support নকৰো।

য'ত প্ৰয়োজনীয়তা নাই তাত ভেঞ্চাৰ স্কুলৰ আমি সমৰ্থন নকৰো। কিন্তু য'ত স্থানীয় কোনোবা মুক্তিযুজাঁৰু কোনোবা শিক্ষক নহলে, ছাত্ৰ সংগঠন, বিভিন্ন দল- সংগঠন, ৰাইজ মিলি আজি মাটি দান দি তাত বিদ্যালয় প্ৰতিস্থা কৰি যুগ যুগ ধৰি তাত ছাত্ৰ-ছাত্ৰী সকলক আজি মানৱ সম্পদ ৰূপে গঢ় দিলে, সেই বিদ্যালয় সমুহ প্ৰাদেশিকীকৰণ কৰাটো আমি বিচাৰিছো। বৰ্তমানৰ শিক্ষামন্ত্ৰী

মহোদয়ে, বা চৰকাৰখনে বিবেচনা কৰিব বুলি মই আশা ৰাখিম। আমাৰ চাহ বাগিচাত এনে বহু বিদ্যালয় আছে। শিক্ষাৰ অধিকাৰ আইনৰ অধীনত যেতিয়া আমাৰ চাহ বাগিচাৰ ক্ষেত্ৰত বিশেষ এটা Speaker's Initiative ত আলোচনা হৈছিল। তাতো আমি কেইবাজনো বিধায়কে অনুৰোধ কৰিছিলো যে বৰ্তমান চৰকাৰখনে শিক্ষাৰ অধিকাৰ আইনৰ অধীনত এই বিদ্যালয় সমুহ চৰকাৰে ল'ব লাগে। কিন্তু এই ব্যৱস্থাটো কিমানদূৰ আগবাঢ়িল ? আমি আশা ৰাখিছো মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ বক্তব্যত নিশ্চয় ক'ব। আমি আশা ৰাখিম পাৰ্থক্য নাৰাখি চাহ বাগিচাৰ স্কুল সমুহো শিক্ষাৰ অধিকাৰ আইনৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰে যেন। গুণোৎসৱৰ বিষয়ে মই নকওঁ। বেছি দীঘলীয়া হৈ যাব। পৰিচালনা সমিতিৰ বিষয়ে অকনমান ক'ব বিচাৰিছো। নিজৰ অভিজ্ঞতাৰ ফালৰ পৰা কওঁ, আজি কেইবাটাওঁ বছৰ বিধায়ক হৈ থকাৰ অভিজ্ঞতাৰ ফালৰ পৰা, বিশেষকৈ চাহ বাগিচা আৰু গ্ৰাম্য অঞ্চলৰ পৰিচালনা সমিতি সমুহক এবাৰেই তেওঁলোকক প্ৰশিক্ষণলৈ মাতে। তাৰ পাছত সাধাৰণতে তেওঁলোকক মতা নহয়। আমি আশা ৰাখিম, পৰিচালনা সমিতি সমুহক অন্ততঃ বছৰটোত ৪ বাৰ হ'লেও তেওঁলোকক মাতিব লাগে আৰু বেচৰকাৰী বিদ্যালয়ত কিহৰ কাৰণে শিক্ষাৰ পৰিৱেশটো আগুৱাই গৈছে. সেই ক্ষেত্ৰত অকন মান চৰকাৰে যদি দৃষ্টি দিয়ে, যেনে parents teacher meet, Result লোৱাৰ সময়ত অন্ততঃ হয়, আৰু Result লোৱা অন্ততঃ Half yearly আৰু final ৰ Result লবলৈ বছৰটোত ২ বাৰ অহাটো বাধ্যতা মুলক কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আইনী যদি কিবা এটা প্ৰক্ৰিয়া আনিব লাগে, তাক আনি হ'লেও ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে আমি ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতটো যাতে আমি ভালদৰে গঢ় দিব পাৰো। BED College ৰ যি Shortage, সেইটো এটা ডাঙৰ সমস্যা। যিহেতু এতিয়া শিক্ষাৰ অধিকাৰ আইনৰ অধীনত BED টো প্ৰায় Compulsory আৰু এই BED College ৰ যিটো Shortage আমি আশা ৰাখিম এই চৰকাৰখনে BED College আৰু য'ত য'ত প্ৰয়োজনীতা তাত দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। পূৰ্বৰ tutor শব্দটো, বৰ্তমান শিক্ষামন্ত্ৰীয়ে কিমানদুৰ নসাৎ কৰিছে নাজানো, আমি নসাৎ কৰিছে বুলি শুনিছো, শিক্ষকেসন্মান, মৰ্য্যদা পাই থাকিব লাগে। NCERT ৰ Rule সলনি কৰি হ'লেও শিক্ষকক শিক্ষকৰ মৰ্য্যদা দিব লাগে। tutor শব্দটো যেন নাহে তাৰ ক্ষেত্ৰত ব্যৱস্থা লবলৈ মই অনুৰোধ জনাইছো। মোৰ মৰিয়নি সমষ্টিত এখন মাদ্ৰাছা আছে। সদৌ অসম মাদ্ৰাছাৰ বিষয়ে শিক্ষামন্ত্ৰীয়ে হয়টো অলপ হ'লেও জ্ঞান আহৰণ কৰিছে, মৰিয়নি সমষ্টিত এখন মাদ্ৰাছা আছে, এই মাদ্ৰাছাটো শিক্ষকৰ নাটনি আৰু তাত আন্তঃ গাঠনিৰ যিটো অসুবিধা, এই অসুবিধাৰ ক্ষেত্ৰত বৰ্ত্তমান শিক্ষা মন্ত্ৰী মহোদয়ে গুৰুত্ব দিব বুলি আশা ৰাখিছো। সংস্কৃত টোলক গুৰুত্ব দিব বুলি আশা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ-** Try to conclude

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ-** আৰু ২ মিণিট কলেই হৈ যাব ছাৰ। আমি বৰ্তমান দেখা পাইছো যে আমাৰ জনসংখ্যা অন্যতম এটা ডাঙৰ সমস্যা। যাৰ কাৰণে আজি চৰ অঞ্চলত হওঁক, ট্ৰাইবেল অঞ্চলত হওঁক বা চাহ বাগিচা অঞ্চলতে হওঁক, ডাইনী হত্যাকাণ্ড বাঢ়িছে। মই চমুৱাই ক'ব বিচাৰিছো. জনসংখ্যা বাঢ়িছে কিন্তু Adult Education ৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰখনে কিবা ব্যৱস্থা ল'ব নেকি ? এই ক্ষেত্ৰত বৰ্তমানৰ শিক্ষা মন্ত্ৰী মহোদয়ে বিবেচনা কৰিলে আমি ভাল পাম। য'ত আমাৰ Population Control ৰ ক্ষেত্ৰতেই হওঁক, ডাইনী হত্যাকাণ্ডৰ ক্ষেত্ৰতেই হওঁক বিভিন্ন Social Awarness ৰ ক্ষেত্ৰতেই হওঁক, আমাৰ সম্প্ৰীতি সমন্বয়ৰ ক্ষেত্ৰতেই হওঁক আমি যথেষ্ট খিনি Adult Education ৰ যোগেদি আমি গুৰুত্ব আৰোপ কৰিব পাৰিম বুলি

আশা ৰাখিছো। বিশেষভাৱে একত্ৰিকৰণ প্ৰক্ৰিয়াটোত কেতিয়াও প্ৰাথমিক বিদ্যালয় বা ME School, High School ৰ মাজত Confilct ২ এজন বিধায়কে কৈ গৈছে, সেই Confilct টো দূৰীকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰেযেন। আৰু যি সমুহ বিদ্যালয় ইতিমধ্যে একত্ৰিকৰণ কৰা হোৱা নাই, সুকীয়া সুকীয়াকৈ আছে, তাত Head Master ৰ ন্যায় মৰ্য্যদা এতিয়াও ভালধৰণে পোৱা নাই। তেখেতক অলপ চাবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ-** Please conclude .

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ-** মই ১ মিণিটত সামৰি দিম। শিক্ষা সৰ্ন্দভত জিলা সমুহত আমাৰ ব্লক পৰ্য্যায়ত ২ খনকৈ সমিতি আছে। এতিয়া আমাৰ জিলা পৰ্য্যায়ত দিচা নামৰ এখন সমিতি আছে। য'ত আমাৰ জিলাখনৰ সাংসদ গৰাকী দিচা সমিতিৰ সভাপতি। এই সমিতি সমুহৰ সভা সমুহ খুব গুৰুত্বপূৰ্ণ। এই সভাবোৰ সময় মতে হৈছে নে নাই শিক্ষাৰ পৰিবেশটো ভাল কৰাৰ বাবে শিক্ষা মন্ত্ৰী মহোদয়ে যদি অলপ Coordinate কৰি ব্যৱস্থা লয় ভাল হ'ব আৰু আমাৰ ব্লক লেভেলৰ যিখন ভিজিলেঞ্চ কমিটিৰ সভা, সেই সভা সমূহত সাধাৰণতে মেম্বাৰ চেক্ৰেট্ৰাৰী BEEO জন, BEE O জনে আহ্বান কৰিছেনে নাই, বিধায়ক সকলক মাতিছেনে নাই সেই কথাটো অলপ গুৰুত্ব দিলে আমাৰ ভাল হ'ব বুলি আশা ৰাখিছো।

**মাননায় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ-** মই আৰু আধা মিণিটত শেষ কৰি দিম। কলেজ শিক্ষক সকলৰ লগত আমি যিহেতু জড়িত, Governing body বোৰত আমি যাব লগা হয়, বহু সমস্যা আছে। তেওঁলোকে Revision pay পোৱা নাই। এই বিষয় টো শিক্ষা মন্ত্ৰী মহোদয়ক, চৰকাৰখনক দৃষ্টিগোচৰ কৰা হ'ল। Vacant post এইবোৰ কথা নিশ্চয় জানে। আৰু Grade -iv এটা বৰ গুৰুত্বপূৰ্ণ বিষয়। এই Grade -iv নাটনিৰ কাৰণে আমাৰ শিক্ষক সকলে বহু কাম কৰিব লগীয়া হয়, যাৰ কাৰণে কলেজ পৰিচালনা কৰাত বহু অসুবিধা হৈছে। সেই ক্ষেত্ৰত গুৰুত্ব দিবলৈ আমি অনুৰোধ জনাইছো। আমাৰ Higher Secondary, Science level ত আমাৰ বিশেষকৈ এটা উদাহৰণ দিওঁ। নকছাৰী Higher Secondary মোৰ মৰিয়নি সমষ্টিত। প্ৰায় দেৰ দুই বছৰৰ পৰা Geology,Zoology, Chemistry, ৰ শিক্ষক নাই। আৰু Demonstrator-Biology আৰু Chemistry ৰ নাই। এনেকুৱাকৈ যদি চলে অসুবিধা হ'ব। আমি বিশ্বাস ৰাখিছো শিক্ষামন্ত্ৰীৰ প্ৰতি মোৰ শ্ৰদ্ধা ভক্তি আছে. আমি অনুৰোধ জনাইছো যে তেখেতে গুৰুত্ব সহকাৰে ল'ব। টিয়ক চি কে বি কলেজত এতিয়া Librarian post টোৰ বাবে আমাৰ Governing Body ৰ এটা Resolution আমাৰ জিলা উপায়ুক্তক দিলো। জিলা উপায়ুক্তই Enquiry Committee পাতিলে। Enquiry Committee য়ে ৰিপোৰ্ট দিলে। Director Higher Education য়ে এতিয়ালৈকে ব্যৱস্থা লোৱা নাই. টিয়ক চি কে বি কলেজত Librarian এই বিষয়টো গুৰুত্ব সহকাৰে লবলৈ অনুৰোধ জনাই কৰ্তন প্ৰস্তাৱক ২০০ শতাংশ নহয় ১০০০ শতাংশ সমৰ্থন জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। নিজানুৰ ৰহমান আছে নেকি? নাই ইয়াৰ পাছত ঋতুপৰ্ন বৰুৱা। আমাৰ ২ জন মান আৰু আছে চমুকৈ ক'লে দিব পাৰিম নহলে কোনোবা থাকি যাব।

**শ্ৰীঋতু পৰ্ন বৰুৱা, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সম্পূৰ্ণৰূপে বিৰোধীতা কৰিছো যে আমাৰ এটা জাতি বা এখন সমাজ আগবাঢ়ি যাবৰ কাৰণে শিক্ষাই আচলতে মূল আৰু আমি যদি উন্নত ৰাষ্ট্ৰ সমুহত চাওঁ য'ত শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি

লাভ কৰিছে, সেই ৰাষ্ট্ৰ সমুহত দেখা যায়, প্ৰতিৰক্ষাৰ পাছতেই সেই ৰাষ্ট্ৰ সমুহত কিন্তু আটাইতকৈ বেছি ফাণ্ড ধৰা হয় শিক্ষা বিভাগত, আজি আমাৰ অসমতো আটাইতকৈ ডাঙৰ বিভাগ, হাজাৰ হাজাৰ কৰ্মচাৰী হাজাৰ হাজাৰ শিক্ষক, হাজাৰ হাজাৰ শিক্ষানুষ্ঠান বুলি কোৱা হয়। অসমৰ আটাইতকৈ ডাঙৰ বিভাগটো হ'ল শিক্ষাবিভাগ. মই ভাবো যে শিক্ষা বিভাগত আৰু ধনৰ প্ৰয়োজন আছে। অসমৰ মাননীয় শিক্ষা মন্ত্ৰী এগৰাকী দক্ষ শিক্ষামন্ত্ৰী। তেওঁৰ সবল নেতৃত্বত আমাৰ শিক্ষা বিভাগটোত যিমান সমস্যা আছে, এই সমস্যা সমূহ নিশ্চয় সমাধান হ'ব বুলি মই আশা ৰাখিছো। কেইবাজনো বক্তাই ইতিমধ্যে বক্তব্য ৰাখিছে যে, আমাৰ অসমত এতিয়া দুটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী হৈছে, ব্যক্তিগতখণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, সত্তৰ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে গ্ৰামাঞ্চলৰ চৰকাৰী খণ্ডৰ বিদ্যালয়ত অধ্যয়ণ কৰে আৰু বাকী ত্ৰিছ শতাংশই ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অধ্যয়ণ কৰে। মই এই কাৰণেই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, ফুলকুমলীয়া ছাত্ৰ- ছাত্ৰী সকলৰ মনত এটা, ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰী তেওঁলোক কিছু উন্নত, চৰকাৰী মাধ্যমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আমি কিছু অনুন্নত। এনেধৰণৰ মানসিকতা কিন্তু ছাত্ৰ-ছাত্ৰী সকলৰ সৰুৰে পৰা গঢ় লৈ উঠিছে। গতিকে এই ব্যৱস্থাটো কিন্তু শেষ কৰিব লাগিব অভিভাৱকসকলকে গাওঁৰ পৰা যেতিয়ালৈ নিজৰ ল'ৰা-ছোৱালীক চুইট-টাই মাৰি সুন্দৰকৈ টিফিন বক্স দি, এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ লৈ যায়, আমাৰ গাওঁৰ চৰকাৰীখণ্ডৰ বিদ্যালয়ৰ যি দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰী তেওঁলোকে এই ছাত্ৰ-ছাত্ৰীসকলক অবাক হৈ চাই থাকে যে তেওঁলোকে কেনেকৈ গৈছে। এই যে, discrimination হৈছে, এই ব্যৱস্থাটো, মাননীয় অধ্যক্ষ মহোদয় শেষ কৰিব লাগিব, নহ'লে কিন্তু ভৰিষ্যতৰ কাৰণে এইটো এটা খুব ডাঙৰ সমস্যাৰ সৃষ্টি হ'ব। চৰকাৰী মাধ্যমৰ বিদ্যালয়, অসমীয়া বিদ্যালয় বুলি নাথাকিব। এতিয়া সকলো অভিভাৱকে আচলতে উপাই নাপায়হে চৰকাৰী মাধ্যমৰ বিদ্যালয়ত পঢ়াই আছে। যদি পাৰিলেহেতেন সকলোৱে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত গ'লহেঁতেন। ডিব্ৰুগড় জিলাত যদি লক্ষ্য কৰো আটাইতকৈ চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰী সকলে এতিয়া অসমীয়া মাধ্যমৰ বিদ্যালয় বচাই ৰাখিছে। এইটো অপ্ৰিয় হলেও সত্য যে আমাৰ সাধাৰণ গাওঁৰ ছাত্ৰ-ছাত্ৰীসকল ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ গৈছে, গতিকে আমি আজি কাকো সমালোচনা কৰিবলৈ যোৱা নাই। যোৱা Speaker's Initiative ত দেখিছিলো যে, যেতিয়া আলোচনা হৈছিল, ইমানেই সংগঠন, প্ৰাথমিক বিদ্যালয়ত যদি চাওঁ, প্ৰাথমিক বিকাশসন্মিলনত প্ৰায় দহটামান সংগঠন, এম ই ৰ নামত ১৫ টা মান সংগঠন, হাইস্কুলৰ সংগঠন। গতিকে স্কুলৰ মাজত ইমান সংগঠন, এই সংগঠনসমূহে এই ছাত্ৰ-ছাত্ৰী সকলৰ বিকাশৰ কাৰণে কেনে কাম কৰিছে, মই নেজানো। মই কাকো সমালোচনা কৰিব বিচৰা নাই। কিন্তু কৰবাত কৰবাত নিয়ন্ত্ৰন কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। যোৱা বছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্টৰ এটা কথা মনত পৰিছে , মোৰ সমষ্টিত এখন হাইস্কুলৰ এগৰাকী জ্যেষ্ঠ শিক্ষয়িত্ৰী, সেইদিনা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্ট দিছে, তেখেতক মই ডিব্ৰুগড় চহৰত লগ পাই সুধিলো যে স্কুলখনৰ ৰিজাল্ট কেনেকুৱা হৈছে। তেখেতৰ নিজৰ স্কুলখনৰ ৰিজাল্টৰ খবৰ নাই, কিন্তু ডিব্ৰুগড়ৰ এল এফ এচত, চল্টবুকত কি ৰিজাল্ট হৈছে, কিয় এল এফ এচ, চল্টবুকে কিয় ষ্টেণ্ড কৰা নাই, সেইখিনিহে জানে। তেওঁ কিন্তু নিজৰ সেইখন স্কুলৰ পৰা অৱসৰ লবলৈ দুবছৰ আছে, সেই বিদ্যালয়খনৰ বিজাল্টৰ কথা গম নাপায়। গতিকে এনেধৰণৰ যদি হয়, কিন্তু কৰবাত দায়বদ্ধতা কৰিব লাগিব। নহ'লে অসমীয়া মাধ্যমৰ বিদ্যালয় কিন্তু কেতিয়াও তিষ্টি থাকিব নোৱাৰিব। মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ যথেষ্ঠ উচ্চ পৰ্য্যায়ৰ বিষয়া ইয়াতেই আছে, সকলোৱে কিন্তু চিন্তা কৰাৰ

প্ৰয়োজনীয়তা আহি পৰিছে। অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ কৰোবাত কেৰোণ আছে কাৰণে আমি ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰিব পৰা নাই। অভিভাৱকসকলক আকৰ্ষিত কৰিব পৰা নাই। মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা মাষ্টাৰ ডিগ্ৰীত অধ্যয়ণ কৰিছো। অসমীয়া মাধ্যমৰ পৰাই আহিছো। কিন্তু কৰবাত আমি ইংৰাজী ভাষাটো ভালকৈ কব নোৱাৰো। আজি সাধাৰণ অভিভাৱক সকল আছে, যেতিয়া ক্লাছ নাইনৰ ইংৰাজী মাধ্যমৰ ল'ৰা-ছোৱালীয়ে সলসলীয়াকৈ ইংৰাজী কয়, তেওঁৰ ল'ৰা-ছোৱালীয়ে কব নোৱাৰে, অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰে তাতে কিন্তু বেমাৰটো আছে। গতিকে মই ভাৱো যে, ইংৰাজী ভাষাটো আমাক লাগিবই। গতিকে ইংৰাজী ভাষাটোৰ কাৰণে আমি কি মেকানিজিম বনাব লাগিব, যে আমাৰ অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলেও পঞ্চম বা ষষ্ঠ শ্ৰেণীতেই স্মাৰ্ট হ'ব পৰাকৈ, ভালকৈ ইংৰাজী কব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মই ভাৱো যে, নিশ্চয় মেকানিজিমৰ কথা চিন্তা কৰাৰ প্ৰয়োজন আছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ যথেষ্টখিনি কথা কবলগীয়া আছে যে মই আৰু এটা কথা মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিচো, যে আমি যদি অসমত চাওঁ, যিমানবোৰ বিদ্যালয়, মহাবিদ্যালয় সকলো কিন্তু ৰাইজে প্ৰতিষ্ঠা কৰা। চৰকাৰে কিন্তু কোনো বিদ্যালয় প্ৰতিষ্ঠা কৰি দিয়া নাই। যদি আমি এই যোৱা চাৰি-পাছবছৰ চাওঁ, তেন্তে অসমত বেছিভাগ বিদ্যালয়তে সোণালী জয়ন্তী হৈছে কৰবাত, আপোনালোকে যদি লক্ষ্য কৰে অসমৰ প্ৰতিখন ঠাইতে যে এই বিদ্যালয় সমূহ কিন্তু ৰাইজে প্ৰতিষ্ঠা কৰা বিদ্যালয় আছে। সকলো ৰাইজে, সেই সময়তে এটা জ্ঞানৰ বটবৃক্ষৰ সৃষ্টি কৰিবলৈ বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। যদি আপোনালোকে এই বিদ্যালয়সমূহ লক্ষ্য কৰে যে, আজি এশ বছৰ আগতে এখন বিদ্যালয় বনোৱা হৈছিল, সেই সময়ত ৰাইজে স্থানীয়াগাওঁৰ পৰা বাহ-বেত গোটাই লৈ বিদ্যালয় নিৰ্মাণ কৰিছিল। সেই কাৰণে খুৱ পৰিকল্পিতভাৱে বিদ্যালয় সমূহ নিৰ্মাণ কৰা হোৱা নাছিল। এতিয়া যদি গোটেই বিদ্যালয়সমূহ লক্ষ্য কৰে, জহি-খহি শেষ হৈ গৈছে। অসমৰ বেছিভাগ সোণালী জয়ন্তী অতিক্ৰম কৰা বা ৭৫ বছৰ অতিক্ৰম কৰা বিদ্যালয়, ৫০ বছৰ অতিক্ৰম কৰা বিদ্যালয়ৰ গৃহসমূহ একেবাৰ জহি-খহি গৈছে। এই বিদ্যালয়সমূহ পূণৰনিৰ্মাণ কৰাৰ প্ৰয়োজনীয়তা আছে। সেইবাবে মই ভাৱো যে, মাননীয় মন্ত্ৰী মহোদয়ে এই বিদ্যালয়সমূহ বাচি বাচি প্ৰতিখন জিলাত যিবোৰ ৫০ বছৰ অতিক্ৰম কৰিছে, যিসমূহ ৭৫ বছৰ অতিক্ৰম কৰিছে, এই বিদ্যালয়সমূহ কিন্তু আটকধুনীয়াকৈ নিৰ্মাণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। আমি যেতিয়া এই বিদ্যালয়সমূহত যাওঁ, তেতিয়া দেখি আচৰিত লাগে, ভয় লাগে, ছাত্ৰী-ছাত্ৰীসকলে এনেকুৱা ধৰণৰ বিদ্যালয়ত অধ্যয়ণ কৰি আছে, কেতিয়া ওপৰৰ পৰা টিনপাত পৰি আহে খুৱ ভয়লগা। তেতিয়া হয়তো অসমত খুৱ ডাঙৰ হয়তো দুৰ্ঘটনা হ'ব এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ৰ মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো। তাৰ লগতে মাননীয় অধ্যক্ষ মহোদয়, যে আমাৰ চৰকাৰে এইবাৰ এটা যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিলে যে, বিনামূলীয়া যি কলেজত নামভৰ্তি কৰা হ'ল। এইটো এটা যুগান্তকাৰী পদক্ষেপ, যাৰ কাৰণে পূৰ্বতে আমাৰ বিধান সভাৰ সমষ্টিত আমি দেখিছিলো যে, যাৰ ঘৰত যদি এজন ল'ৰা বা ছোৱালীয়ে মেট্ৰিক বা হাইয়াৰ চেকেণ্ডাৰী পাছ কৰে, সেই পিতৃ-মাতৃয়ে কিন্তু নিজৰ পুত্ৰ-কন্যাক কলেজত অধ্যয়ণ কৰাব নোৱাৰে। কিয়নো প্ৰায় বিছহাজাৰমান টকা খৰচ হয়, নামভৰ্তি হোৱাৰ লগতে আদি কৰি। সেই কাৰণে কি হয়, তাতে ছোৱালীজনীয়ে ঘৰত ত্যাগ কৰিবলগীয়া হৈছে যে, মই নপঢ়ো, মোৰ ভাইটীটোৱে পঢ়ক। বহুত উদাহৰণ আছে তেনেকুৱা। গতিকে আমাৰ যুগান্তকাৰী পদক্ষেপৰ ফলত এইবাৰ চৰকাৰ এইটো কাম কৰিছে, মই ধন্যবাদ জনাব বিচাৰিছো কিন্তু তাৰ লগতে মই অনুৰোধ কৰিব বিচাৰিছো যে, যোৱা সময়ত আলোচনা হৈছিল যে, এই বিনামূলীয়া নামভৰ্তিৰ নামত কিন্তু ছাত্ৰী-

ছাত্ৰী সকলে বহু ভাল ভাল ঘৰৰ ছাত্ৰ-ছাত্ৰীয়ে, যাৰ আচলতে পিতৃ-মাতৃৰ সামৰ্থ্য আছে, সেই সামৰ্থ থকা ছাত্ৰ-ছাত্ৰী সকলে বিনামূলীয়াকৈ নাম ভৰ্তি কৰিছে। এইটো কিন্তু আমি কঠোৰ হোৱাৰ প্ৰয়োজন আহি পৰিছে। কঠোৰ হবই লাগিব। আচলতে চোৰ কৰিবলৈ দিয়াটো উচিত হোৱা নাই। আমি দেখিছো যে ডিব্ৰুগড় জিলাৰ অইল ইণ্ডিয়াত চাকৰি কৰা তেওঁলোক কৰ্মচাৰীৰ সন্তানেও বিনামূলীয়াকৈ নামভৰ্তি কৰিছে। য'ত অইল ইণ্ডিয়াত চাকৰি কৰা আমি সকলোৱে জানো, যে যিজন কলেজত কৰা শিক্ষকতকৈ বেছি দৰমহা পায়, প্ৰায় একলাখতকৈ অধিক দৰমহা পায়, অইল ইণ্ডিয়াত কৰা চাকৰিয়াল সকলে। গতিকে এইটো নিশ্চয় আমি নিয়ন্ত্ৰণ কৰিব লাগিব। এইক্ষেত্ৰত কঠোৰ হ'বলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। মোৰ এটা অনুৰোধ যে মাননীয় মন্ত্ৰী মহোদয়ক যে আমি যিখন তালিকা দেখিলো, আমাৰ পঞ্চাশখনমান কলেজৰ। তাত দেখিছো বিজ্ঞানশাখা, ডিগ্ৰীত আচলতে চলিব নে নাই এই কথাটো কিন্তু আমি অলপ উপলব্ধি কৰাৰ প্ৰয়োজনীয়তা আছে। অসমত এতিয়াও বহুত হাইয়াৰ চেকেণ্ডাৰীত বিজ্ঞান আছে, মই জানো, কিন্তু তাত ছাত্ৰ-ছাত্ৰী নাই পঢ়িবৰ কাৰণে। ফিজিক্সৰ শিক্ষক আছে, কেমেষ্ট্ৰিৰ শিক্ষক আছে, সকলো শিক্ষক আছে কিন্তু বিজ্ঞানশাখাত পঢ়িবলৈ কিন্তু ছাত্ৰ-ছাত্ৰী নাই। এই কথাতো আমি লক্ষ্য ৰাখিব লাগিব আৰু বহু এই পঞ্চাশখন তালিকা মই দেখিছো যে, তাৰ গোটেই আশে-পাশে হাইয়াৰ চেকেণ্ডাৰীত বিজ্ঞান নাই। অথচ ডিগ্ৰীত বি এচ চি তাত কৰি দিয়া হৈছে। এই বি এচ চিৰ কাৰণে ছাত্ৰ-ছাত্ৰী ক'ৰপৰা আহিব? এইখিনি কিন্তু চোৱাৰ প্ৰয়োজনীয়তা আছে। তাত যদি অকল বি এচ চিটো ওপৰত লগাইদিয়া হয়, তলত যদি হাইয়াৰ চেকেণ্ডাৰীত বিজ্ঞানশাখা নাথাকে, ছাত্ৰ-ছাত্ৰী ক'ৰপৰা আহিব? এইবোৰ কথা কিন্তু প্ৰয়োজনীয়তা আছে, কিয়নো বিজ্ঞানশাখাত সাধাৰণতে কিছু মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰী সকলে অধ্যয়ণ কৰে। এই ছাত্ৰ-ছাত্ৰী সকল সাধাৰণতে মই অসমৰ ডিব্ৰুগড় জিলাৰ কথা উদাহৰণ দিছো।ডিব্ৰুগড় জিলাত টিংখাং বা নামৰূপ বা অন্যান্য ভিতৰুৱা অঞ্চলৰ পৰা ভাল ছাত্ৰ-ছাত্ৰী, সেই সকলে ডিব্ৰুগড়ৰ কানৈ কলেজ, চল্টব্ৰুক, জ্ঞান-বিজ্ঞান এইবিলাক কলেজত লক্ষ্য কৰি তালৈ পঢ়িবলৈ আহে, তেওঁলোকে মেট্ৰিক পাছ কৰাৰ লগে লগে । তাত যিহেতু বিজ্ঞানশাখাটো নাই। গতিকে তেওঁলোকে আকৌ বি এচ চি পঢ়িবৰ কাৰণে, নাভাৱে যে টিংখংলৈ তেওঁলোক ঘুৰি যাব। তেওঁলোক কটন কলেজত যাবৰ বাবে চেষ্টা কৰিব। গতিকে এই ব্যৱস্থাটো চোৱাৰ প্ৰয়োজনীয়তা আছে। আমি সকলোৱে জানো যে কৰবাত কৰবাত কলা শাখাত পঢ়িবৰ কাৰণে গণিতৰ বিষয় আছে, তিনিজন শিক্ষক আছে, কিন্তু ডিগ্ৰীৰ চেমিষ্টাৰত মাত্ৰ পাচজন ছাত্ৰ-ছাত্ৰী আছে। এনেকুৱা ধৰণৰ বহু কলেজ আছে , কৰবাত এটা বিষয় আছে, ছাত্ৰ-ছাত্ৰী আছে মাত্ৰ পাছ জন, শিক্ষক আছে চাৰিজন। এই বিষয়বোৰো কিন্তু চোৱাৰ প্ৰয়াজন আছে। এইখিনিয়ে মাননীয় অধক্ষ্য মহোদয়, লগতে আৰু কেইটামান কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পইণ্ট কেইটা উল্লেখ কৰক। ব্যাখ্যা নকৰিব।

**শ্ৰীঋতু পৰ্ণ বৰুৱা, লাহোৱাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ আমি এটা জানো যে, ১৯৫১ চনৰ পৰা ২০০২ চনৰ ভিতৰত, বহু বিদ্যালয়ত অনিয়মীয়া শিক্ষক আছে। এই অনিয়মীয়া শিক্ষকৰ ব্যৱস্থাটোত মাননীয় মন্ত্ৰী মহোদয়ে কিছু উদ্যোগ গ্ৰহণ কৰিছে। মই ভাবো যে, এইটো এটা যদি আমি এই সমস্যাটো ইয়াতে শেষ কৰিব পাৰো, আপোনাৰ কাৰ্য্যকালতে নিশ্চয় এটা খুব ডাঙৰ কথা হ'ব। বহু শিক্ষকৰ বয়স পাৰ হৈ গ'ল তেওঁলোকে যথেষ্ট শিক্ষাদান কৰিলে, গতিকে এইটো ৰ বিষয়ে মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ জনাব বিচাৰিছো তাৰ লগে লগে আমাৰ ভেঞ্চাৰ স্কুলৰ যি সমস্যা আছে, এই সমস্যখিনি শেষ কৰিব লাগে তাৰ লগে লগে আৰু এটা কথা জনাব বিচাৰিছো

যে, আমাৰ বিশেষকৈ এল পি স্কুল, হাইস্কুল সকলোতে আমাৰ শিক্ষকৰ নাটনি বুলি কওঁ, সমস্যা সাধাৰণ বুলি কওঁ, কিন্তু চকীদাৰ স্কুলসমূহত নাই। চকীদাৰ নথকাকৈ এখন বিদ্যালয় চলোৱাৰ যথেষ্ট অসুবিধা হৈছে কিন্তু চকীদাৰৰ কথাটো নিশ্চয় উল্লেখ কৰিব লাগিব। তাৰ লগতে এইটো মাননীয় মন্ত্ৰী মহোদয়ৰ আৰু এটা দৃষ্টিগোচৰ কৰিব বিচাৰিছো, আপোনাৰ বিভাগত এইটো পৰে, নপৰে মই নাজানো যে, পূৰ্বতে কি কাৰণে নাজানো অসমত বহুত আই টি আই নিৰ্মাণ কৰা হ'ল। আই টি আইৰ এটা গৃহ বনাই দিয়া হ'ল। প্ৰতিটো বিধান সভা সমষ্টিতে আছে, মোৰ বিধান সভা সমষ্টিতো আছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো ইয়াত নপৰে। আপোনাৰ যদি বেলেগ পইণ্ট আছে কওঁক।. ধন্যবাদ মোৰ কথাবিলাক আপোনালোকে ক'লে ভাল পাও কাৰণ ৰ্ফাষ্ট টাইম উপায় নাই আমি সময় ল'ব পৰা নাই। মন্ত্ৰী ডাঙৰীয়াক আমি আধা ঘন্টা সময় দিবই লাগিব। মোৰ মাত্ৰ ১০ মিনিট আছে বক্তা আছে ৩ জন। থানেশ্বৰ বসুমতাৰী গ'ল , এতিয়া ২ জন আছে আপোনালোকে ভাগ কৰি লওক। এতিয়া কমলাক্ষ দে পুৰকায়স্থই কওক । লাষ্ট বক্তা ডাঃনোমল মোমিন- ৫ মিনিটকৈ ক'ব। কিন্তু এটা কথা - Before that do not draw attention any officers it is not permitted under our Rules. You draw the attention of the Government.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ :-** মাননীয় অধ্যক্ষ মহোদয়, কর্তন প্রস্তাবের সমর্থন জানিয়ে আমি দু-চারটি কথা বলব। আমাদের সময় কম। অধক্ষ্য মহোদয়, স্বামী বিবেকানন্দ বলেছিলেন যে কথার চেয়ে কাজের পরিমাণ যার কাছে বেশি, সাফল্য তার কছেই ধরা দেয়। কারণ, যে নদীর গভীরতা যত বেশি, তার বয়ে যাওয়ার শব্দটা তত কম। অধ্যক্ষ মহোদয়, আপনি স্পিকার ইনিসিয়েটিভ নিয়েছিলেন এবং সেখানে আলোচনা হয়েছিল আমাদের শিক্ষার সমস্যা নিয়ে। সেখানে বলা হয়েছিল আমাদের শিক্ষার excess irregular teacher regularise করতে হবে। আপনি বলেছিলেন হাইস্কুলের টিচার যেখানে সঠিক আছে, কিন্তু প্রি সিনিয়র মাদ্রাসা, মাদ্রাসা সেগুলোতে টিচার দিতে হবে। আপনারা বলেছিলেন মাদ্রাসা টেট যারা পাশ করেছে ওদের Advertisement হয়তো হয়েছিল। তারপর কেন বন্ধ হয়ে গেল, সেই কথাগুলো আপনি বলেছিলেন। আপনাকে আমি ধন্যবাদ জানিয়েছিলাম আপনার এই ইনিসিয়েটিভ নেওয়ার জন্য। কিন্তু বাস্তবে আমরা কতটুকু পেলাম? বাস্তবে কিছুই রূপান্তরিত হল না। অধ্যক্ষ মহোদয়, দুটো বিষয়ে আমি দৃষ্টি আকর্ষণ করব। আমাদের শিক্ষা ব্যবস্থা এবং আমাদের পাশের দেশ ভুটানের শিক্ষা ব্যবস্থার সাথে যদি আমরা তুলনা করি তাহলে আমরা দেখি যে আমাদের এনসিআরটি নর্মসের বই-পত্র নিয়ে এবং আমাদের শিক্ষকরা গিয়ে ভুটানের শিক্ষা ব্যবস্থা চালু করেছিলেন আশির দশকে। সেখানে একটি স্কুল প্রাদেশিকরণ হয়। সেখানে সরকারি স্কুল হয় এবং সেই স্কুলে রাজার ছেলেকে ভর্তি করা হয়। রাজা নিজের ছেলেকে যেহেতু সরকারি স্কুলে ভর্তি করালেন তাহলে অন্য কারও কি ক্ষমতা আছে যে সে স্কুলে তাদের বাচ্চাদেরকে ভর্তি করাবেন না? সবাই সেই স্কুলেই তাদের বাচ্চাদের ভর্তি করালেন। তার মানে এটা আমি এই জন্যই বলছি যে ভুটানের শিক্ষা ব্যবস্থা আমাদের ভারতের শিক্ষা ব্যবস্থা থেকে অনেক উপরে বর্তমান দিনে। আমরা দিনে দিনে রসাতলে যাচ্ছি। অধ্যক্ষ মহোদয়, ভূটানে কি বেসরকারি স্কুল নেই না কি? নিশ্চয় আছে। কিন্তু ভূটানে যারা সরকারি স্কুলে ভর্তি হওয়ার সুযোগ পায় না ওদেরকে বেসরকারি স্কুলে ভর্তি করা হয়। কিন্তু আমাদের এখানে ফার্স্ট প্রায়রিটি যে আমরা আমাদের ছেলে-মেয়েকে বেসরকারি স্কুলে ভর্তি করাব। তার কারণটা কী? সেই কারংগুলো খুঁজে দেখতে হবে। আমি শিক্ষামন্ত্রীর দৃষ্টি

আকর্ষণ করছি যে আমাদের শিক্ষা ব্যবস্থায় পরিবর্তন আনতে হবে। শিক্ষার পরিবেশকে ঠিক করতে হবে। আমার একটা সাজেশন্ ছিল শিক্ষামন্ত্রীর কাছে, আমরা যদি প্রত্যেকটা প্রভিনশিয়েলাইজ স্কুলে সিসি ক্যামেরার ব্যবস্থা করতে পারি এবং সেই ক্যামেরার পাসওয়ার্ড যদি প্রত্যেক অভিভাবককে দিতে পারি তাহলে অভিভাবকরা ঘরে বসে দেখতে পারবেন যে আমার ছেলে-মেয়েরা স্কুলে গিয়ে কী করছে? তাই সরকারি স্কুলগুলোতে বেশি করে কেয়ার নিতে হবে।

আমরা আগে রবীন্দ্রনাথ ঠাকুরের জন্মদিন পালন করতাম। আগে মহরমের ছুটি ছিল, পুজোর ছুটি ছিল। কিন্তু বর্তমান দিনে রবীন্দ্রনাথ ঠাকুরের ছুটি পালন হয় না। পুজোর ছুটি, যেটা খেতির ছুটি ছিল সেই ছুটির সাথে এ্যাডজাস্ট করে পুজোর ছুটি দেওয়া হত। পুজোর ছুটি আলাদা ভাবে দেওয়া হত না।খেতির ছুটি আমাদের দরকার নেই। তাই আমরা সেই ছুটিকে পুজোর ছুটিতে কনভার্ট করতাম। কিন্তু আজকাল ছুটিগুলো কমে যাচ্ছে। তাতে শিক্ষার পরিবেশে একটা বিরূপ প্রতিক্রিয়া সৃষ্টি হচ্ছে। কারন পুজোর পরদিনই যদি কোন বাচ্চাকে স্কুলে যেতে হয় তার সেই মানসিকতা থাকে না। কারণ এরপর কালি পুজো থাকে। সেই ব্যাপারে মন্ত্রী মহোদয়কে দৃষ্টি আকর্ষণ করছি। আমরা চাই শৈক্ষিক পরিবেশ, আমরা চাই শিক্ষার প্রসার। আমরা চাই যে অসমের শিক্ষা ব্যবস্থা আরও এগিয়ে যাক। আমাদের বর্তমানে শিক্ষার হার ৭২ শতাংশ। ভারতবর্ষে সেই হার ৭৪ শতাংশ। কেরালাতে ৯৪ শতাংশ। আমরা কেন কেরালার মতো হতে পারব না? বর্তমান শিক্ষামন্ত্রী যাতে সেই ব্যাপারে দৃষ্টি আকর্ষণ করেন। শিক্ষার মানদণ্ড ভারতবর্ষের মধ্যে যাতে 'এ ফর অসম' হয়। আমাদের মুখ্যমন্ত্রী বলেছিলেন, আমরাও চাই 'এ ফর অসম' হোক। অসমকে ভারতবর্ষের মধ্যে একটা শ্রেষ্ঠ জায়গায় নিয়ে যেতে হবে। নমস্কার, ধন্যবাদ।

**ডাঃ নোমল মোমিন, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দুই চাৰিটা কথা ক'ম যিহেতু মোৰ সময় নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আৰু দুগৰাকী মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়াৰ প্ৰচেষ্টাত অসম আজি শিক্ষা জগতত আমূল পৰিৱৰ্ত্তনৰ দিশেৰে আগবাঢ়িছে। শিক্ষা ব্যৱস্থা আমূল পৰিৱতনৰ প্ৰচেষ্টা হিচাপে আমি ৫০ খন Science College পালো। ১২ খন Minority Girls College ৰ বাবে Budget ত Provision ৰখা হৈছিল। পণ্ডিত দীনদয়াল উপাধ্যায় মডেল কলেজ ২২ খন দিয়া হৈছে। মই ভাবো যোৱা বছৰটোত অসমত Highest College Sanction হৈছিল। MSDP অধীনত অসমত২২ খন একলব্য বিদ্যালয় ইতিমধ্যে চেংশ্যন হৈছে আৰু বহুকেইখনৰ Tender আৰম্ভও হৈছে। শিক্ষাৰ গুণোৎসৰ পাতি চৰকাৰে মানদণ্ড উন্নিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে মই আমাৰ চৰকাৰক প্ৰশংসা কৰিছো। যোৱা বাজেটত প্ৰতিজন মাননীয় সদস্যক স্কুলসমূহৰ আন্তগাথনি উন্নতিৰ কাৰণে ৫০ লাখকৈ টকাৰ পুঁজি দিছিল। যাৰ ফলত আমি শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ আমি সুবিধা পাইছিলো। মই ভাবো প্ৰতি বছৰে যদি ৫০ লাখকৈ টকা Additionally আমাক দিয়ে আন্তগাথনিৰ জোৰা মাৰিবলৈ আমাৰ সুবিধা হ'ব। আমাৰ ডিফুত এখনHill University দিয়াৰ বাবে এটা পদক্ষেপ আমাৰ মূখ্যমন্ত্ৰী মহোদয়ে লৈছে তাৰ বাবে মই বিশেষভাবে ধন্যবাদ জ্ঞাপন কৰিছো। অতি সোনকালে এই Hill University খন আমি পাম। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰী স্কুল আৰু বেচৰকাৰী স্কুলৰ মাজত যিটো প্ৰতিযোগতা চলিছে তাৰ ভিত্তিত আমাৰ চৰকাৰী স্কুলৰ পুতৌলগা অৱস্থাৰ বিষয়ে ক'বলৈ বিচাৰিছো। Lower Primary School পৰা আৰম্ভ কৰি Higher secondary স্কুললৈ লৰা চোৱালীক admission দিয়াৰ ক্ষেত্ৰত আমাৰ অনিহা। আজি চৰকাৰী স্কুলৰ শিক্ষকসকলে

নিজৰ লৰা ছোৱালীক প্ৰাইভেট স্কেলত পঢ়ায়। আমাৰ বিষয়া চাকৰিয়াল, আনকি আমাৰ এম এল এ সকলৰ লৰা ছোৱালীবিলাকো প্ৰাইভেট স্কুলতহে পঢ়ে। কিন্তু দেখা যায় যে Lower Level ত হে লৰা ছোৱালীখিনি প্ৰাইভেটত পঢ়ায় কিন্তু তাৰ বিপৰীতে Higher Education ৰ ক্ষেত্ৰত যেনে - Medical, Engineering ইত্যাদি ক্ষেত্ৰত প্ৰাইভেটত নপঢ়াই চৰকাৰী মেডিকেল কলেজ বা ইঞ্জিনিয়াৰ কলেজত পঢ়ায়। তাৰ মানে আমাৰ হায়াৰ এডুকেশ্যনৰ কোৱালিটি আছে কিন্তু Lower Education ৰ এডুকেশ্যনৰ Quality নাই। তাৰ কাৰণ কি নিশ্চয় আমি চিন্তা কৰিব লাগিব। এটা কথা হৈছে যে- আমাৰ যিখিনি Upper Class Student আছে সেইখিনি Lower Class ৰ পৰাই যায়। এখন হাই স্কুলৰ আণ্ডাৰত কেইখনমান এল পি এম ই স্কুল থাকে। এই লৰা ছোৱালীখিনিয়ে হাই স্কুলখনত যায়। কিন্তু ক্লাছ টেনত যেতিয়া যুক্তাক্ষৰ শিকিবলগীয়া হয়, অংক , বিজ্ঞান শিকিবলগীয়া হয় তেতিয়া কিন্তু আমি এল পি স্কুলখনক মানদণ্ড নাই বুলি বদনাম নিদিও। সেই মানদণ্ডৰ ষ্টডেন্ট দিয়া বাবে আমি পাছ কৰাব নোৱাৰো । ৩০ শতাংশ Cut of Mark কৰা হৈছে। কিন্তু মই ভাবো ৫০ শতাংশ কৰা উচিত। যিসকল শিক্ষকে ৫০ শতাংশৰ ওপৰত পাছ কৰাব নোৱাৰে তেওলোকৰ Incriment বন্ধ কৰিব লাগে। Pension ৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিব লাগে। তেতিয়াহে তেওলোকৰ ষ্টুডেন্টখিনিৰ প্ৰতি দায়িত্ব আহিব। হাই স্কুলৰ শিক্ষকসকলে এল পি স্কুলত সপ্তাহত এদিনকৈ গৈ ক্লাছ ল'ব লাগে তেতিয়া শিক্ষাৰ মানদণ্ড বাঢ়িব। যোৱাকালি আমাৰ মাননীয় প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই ৩,৩০০ কোটি টকাৰ প্ৰজেক্ট গোটেই ভাৰতবৰ্ষত ইনোগেৰট কৰিলে। তাত ভাষণত মোদী ডাঙৰীয়াৰ এটা কথাই মোক স্পৰ্শ কৰিলে। এইটো ক্ষেত্ৰত মোৰ - ছোৱালীও মোক কৈছিল যে " পাপা আমি যিবিলাক ক্লাছ কৰো তাৰ ওপৰত Cinema কিয় নহয়" তেতিয়া আমাৰ পুৰা মনত থাকিব। মই বুজি পাইছিলো মোৰ চোৱালীজনীয়ে Digitization কথা কৈছে। গতিকে এনে ব্যৱস্থা আমি আমাৰ শিক্ষাৰ তলৰ লেভেলত যদি কৰিব পাৰো তেন্তে লৰা ছোৱালীখিনি অধ্যয়ণৰ প্ৰতি প্ৰচণ্ড আগ্ৰহ জন্মিব আৰু ইয়াৰ লগে লগে আমাৰ শিক্ষা ব্যৱস্থাৰ মানদণ্ডও যথেষ্ট উন্নত হ'ব । মোদী ডাহৰীয়াই দুখন স্কুলৰ কথা কৈছিল এখন Digitized School আৰু এখন Non Digitized School । যেতিয়া ডিজিটাইজ স্কুলখনে ল'ৰা- ছোৱালীখিনিক Attraction কৰে তাৰ ফলত সেই স্কুলৰ ফলাফল আনখনৰ তুলনাত যথেষ্ট ভাল হ'ল। গতিকে আমাৰ ষ্টুডেন্টখিনিক যদি অধ্যয়ণৰ প্ৰতি Attraction আমি কৰিব নোৱাৰো তেতিয়া হ'লে আমি কেতিয়াও ভাল আশা কৰিব নোৱাৰো। গতিকে Digitizationৰ ব্যৱস্থা আমাৰ lower lavel ত কৰিব পাৰিলে যছেষ্ট ভাল হ'ব। আজি যিহেতু সময় নাই খুৱ সম্ভৱ এই বিষয়ে বাজেটত বিস্তৃতভাৱে ক'বলৈ সুবিধা পাম। গতিকে মই মুখ্য মন্ত্ৰী আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাই এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি বিৰোধীসকলক এই কৰ্ত্তন প্ৰস্তাৱটি উঠাই ল'বলৈ অনুৰোধ জনাই পাৰিলে শিক্ষাৰ উন্নতিৰ কাৰণে অতিৰিক্তভাৱে ১০০০ কোটি টকা অনুমোদন জনোৱাৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you for your cooperation. Budget Speech ত যদি পাৰ্টিয়ে এলাও কৰেyou can speak there also. Minister Please

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইমানপৰে দহ জন আমাৰ সতীৰ্থ বিধায়কে তেখেত সকলৰ বক্তব্য ৰাখিলে, কিছু সপক্ষে ৰাখিছে, কিছু বিপক্ষে ৰাখিছে। মই আটাইকেইজন বিধায়ককে যি সকলে বক্তব্য ৰাখিলে তেখেত সকলক ধন্যবাদ দিছো। কিয়নো মই যথেষ্ট গুৰুত্ব

সহকাৰে তেখেত সকলৰ সকলো বক্তব্যবোৰ শুনিছো, মই নোট কৰি লৈছো। মাননীয় সত্যব্ৰত কলিতা ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়া, নুৰুল হুদা ডাঙৰীয়া, তেৰছ গোৱালা ডাঙৰীয়া, মহেশ্বৰ বড়ো ডাঙৰীয়া, সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানী, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, ঋতুপৰ্ণ বৰুৱা ডাঙৰীয়া, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া আৰু শেষত নোমল মমিন ডাঙৰীয়া। এখেত সকলৰ গোটেই কথাখিনি শুনি মই অনুভৱ কৰিছো যে দল নিৰ্বিশেষে কিছু কথা তেখেতসকলৰ এক কথা আৰু সেইবাবে সেই বিষয়বোৰৰ ক্ষেত্ৰত মই কোনো বিতৰ্কলৈ যাব বিচৰা নাই। কিয়নো যেতিয়া তেখেত সকলে একো একোটা প্ৰসংগ উত্থাপন কৰিছে ধৰি লওক কোৱা হৈছে যে Provincialisation হোৱা নাই, লগে লগে বিষয়া সকলে মোক statisticটো দি পঠিয়াইছে। এই পৰিসংখ্যাৰ বিতৰ্কলৈ মই যাব খোজা নাই। মই এই কাৰণে যাব খোজা নাই যে ইয়াৰ আগদিনাখন যেতিয়া প্ৰশ্নোত্তৰ কালত শিক্ষা বিভাগৰ সম্পৰ্কত বিভিন্ন প্ৰশ্ন উত্থাপিত হৈছিল তেতিয়া আমি যথেষ্ট সংখ্যক পৰিসংখ্যা তথ্য আমি দাঙি ধৰিছো। আজি সময়ো কম, গতিকে সেই পৰিসংখ্যাৰ বাক বিতণ্ডালৈ গ'লে হয়তো আমাৰ যিটো উদ্দেশ্য সেই উদ্দেশ্যটো সফল নহ'ব। সেইবাবে মই কোনো পৰিসংখ্যালৈ নাযাও। মূলত মই নীতিগত ভাৱে আমাৰ শিক্ষাৰ সম্পৰ্কে কি চিন্তাধাৰা সেইখিনিয়ে মই আপোনাৰ মাধ্যমেৰে সদনৰ আগত উত্থাপন কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই এইটো কথা কেতিয়াও নকও যে কংগ্ৰেছ চৰকাৰৰ দিনত একোৱে হোৱা নাই, তেখেত সকলে একোৱে কৰা নাই। আমি সকলোৱে যেতিয়া ৰাজনীতিলৈ আহিছো আমি সকলোৱে সমাজৰ বাবে কিবা এটা কাম কৰাৰ আগ্ৰহ লৈ আহিছো। ৰাইজে কোনোবা দিনা হয়তো এটা দলক অধিকাংশ তেখেত সকলক ভোট দিছে, তেখেত সকলে শাসনত আহিছে, আজি আমি শাসনত আহিছো যেনেকৈ। কিন্তু যিটো আমাৰ শিক্ষা ব্যৱস্থা সেই শিক্ষা ব্যৱস্থাৰ যিটো ধাৰাবাহিকতা এই ধাৰাবাহিকতা কিন্তু চলিয়ে আছে আৰু আজিও আমি চলাই ৰাখিবলৈ প্ৰচেষ্টা কৰিছো। মই বিৰোধী পক্ষৰ সদস্য সকলক হয়তো মই এটা কথা এনেই উনুকিয়াই দিবহে বিচাৰিছো যে তেখেত সকলে SMDC বোৰৰ কথা কৈছে, তেখেত সকলে হয়তো মন কৰিব এইবাৰ মই মন্ত্ৰী হোৱাৰ পিছত বিৰোধী পক্ষই যিসকল, কংগ্ৰেছৰ দিনত যিসকল SMDC হৈছিল তেখেত সকলৰ মই কিন্তু তেখেত সকলক কাটি দি অন্য SMDC কোনো গঠন কৰিব যোৱা নাই, গঠন কৰা নাই। মই এই কাৰণে কৰা নাই কিয়নো তেখেত সকলো কিন্তু আমাৰ সমাজৰে অংগ। আজি চৰকাৰ সলনি হৈছে দল সলনি হৈছে তাৰ লগে লগে আমাৰ শিক্ষাৰ যি প্ৰয়োজনীয়তা সেইটো কিন্তু সলনি নহয় আৰু সেই বাবে মই কোনো বিতৰ্কলৈ যাব খোজা নাই। বিতৰ্কলৈ নগৈ মই নিজৰ আত্মমন্থন কৰিব বিচাৰিছো, কিয়নো আমাৰ অসমৰ শিক্ষা জগতত আপোনালোক সকলোৱে জানে প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষা । এই তিনিটা বিভাগৰ যিবোৰ কেৰোণ আছে এই কেৰোণ বিলাকৰ সম্পৰ্কে তেখেত সকলে যেতিয়া চিন্তা-চৰ্চা কৰা নাই সেই কথাটো নহয়। আশীৰ দশকৰ শেষৰ পিনে আৰু নব্বৈ দশকৰ মাজভাগলৈকে আমাৰ শিক্ষা ব্যৱস্থা কিন্তু তাৰ আগৰখিনিৰ সম্পৰ্কে মই বৰ বিশেষ তেনেকুৱা আঙুলিয়াব পৰা বা সেইখিনিৰ সম্পৰ্কে কিছু কবলগীয়া কথা মই বিচাৰি পোৱা নাই। কিন্তু আশীৰ দশকৰ শেষৰ পিনে আৰু নব্বৈ দশকৰ মাজ ভাগলৈ হয়তো আজি সেই কাৰণে কৈছো যে বিতৰ্কত যাব খোজা নাই, কিন্তু ইতিহাসক আমি লাওপাতৰে ঢাকি থলে হয়তো ঢাক নাখায়। এই দশকত কিন্তু আমাৰ গোটেই শিক্ষা ব্যৱস্থাটোত কেৰোণ লাগিছে। আজি আমিনুল ইছলাম ডাঙৰীয়া তেখেতেও কৈছে, পৰৱৰ্তী সময়ত নুৰুল হুদা ডাঙৰীয়াও কৈছে যে সেইখিনি সময়ত কি হৈছে? ৩০ টা পোষ্ট Sanction দিয়া হ'ল আৰু তাত আৰু এটা শূণ্য লগাই দি ৩০০ মানুহক নিযুক্তি দি

দিলে। এতিয়া প্ৰশ্ন উঠিছিল যে সেই বিষয়া সকলৰ সম্পৰ্কে আমি কি কৰিছো? মই সদনত জনাব পাই ভাল পাইছো যে যিদিনাখনে মই মন্ত্ৰী হৈ আহিছো, যিদিনাখনেই মোৰ ওচৰত এটা সংগঠন আহিছে Illegal Irregular, মই তেতিয়া শুনিয়ে ভাৰিছো যে তেওঁলোকে নিজৰ সংগঠনটোৰ নাম দিছে Irregular. অনিয়মত আৰু Illegal, তাৰপিছত মই তেতিয়াই তেখেতক সুধিলো যে কি হ'ল বস্তুটো? আপোনালোকৰ নামটো এনেকুৰা কিয়? তেখেতে কলে যে নহয় এই যিটো কথা অলপ আগতে আমাৰ মাননীয় সদস্য ডাঙৰীয়াই কৈছে যে হ'ব লাগে ৩০ জন, চাকৰি দি দিলে ৩০০ জনক। Appointment Letter দি দিছে formal Governmentৰ Appointment Letter. কালিলৈ তেখেত সকলে হাইকোৰ্টত গৈছে হাইকোৰ্টে চৰকাৰক প্ৰশ্ন কৰিছে এইখন অৰ্ডাৰত কিবা Irregularity আছে নেকি? Apparently Irregularity নাই। আমি যদিও কোৰ্টত কৈছো যে আমি দিছিলো মাত্ৰ ৩০ টা। তেতিয়া কোৰ্টে আমাক প্ৰশ্ন কৰিছিল যে আপোনালোকৰ বিষয়াই দিছে। মই শিক্ষা মন্ত্ৰী হৈ আহিয়ে তাৎক্ষণিক ভাৱে এটাই প্ৰশ্নই কৰিছিলো যিটো প্ৰশ্ন আজি আমাৰ সদস্য গৰাকীয়ে কৰিছে যে এই সকল বিষয়াৰ সম্পৰ্কে চৰকাৰে শাস্তিমূলক কিবা ব্যৱস্থা লৈছে নেকি? মই আপোনাক জনাই কোনো আনন্দিত হোৱাৰ কথা নহয়। কিন্তু মই আপোনাৰ মাধ্যমেৰে সদনক জনাব বিচাৰিছো যে এইটো আজি প্ৰায় ২০ বছৰ, ২২ বছৰতকৈ অধিক কাল হৈ গ'ল। কিন্তু তথাপিতো আমি আমাৰ বিষয়া সকলক কৈছো যে সেইখিনি সময়ত কোন বিষয়াই এনেকুৰা অনিয়মৰ মাজেৰে তেখেত সকলে নিযুক্তি দিছিল? সেই সকল বিষয়াৰ আপোনালোকে নাম প্ৰস্তুত কৰক, তেখেত সকলৰ বিপক্ষে আমি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিম। মই এই সদনত আস্বস্ত ৰিব বিচাৰো যে এনেকুৰা এটা দৃষ্টান্ত মূলক শাস্তিৰ প্ৰয়োজনীয়তা আছে। কিয়নো নহ'লে সকলোৱে ভাৱে মই কিবা এটা কৰিলো, তাৰ পিছত Retirementত গুচি গলো, ধুনীয়াকৈ পেঞ্চন খাই বহি আছো, যাবৰ সময়ত মই হয়তো ৪০-৫০ লাখ টকা এই নিযুক্তিবোৰ দি লৈ গুচি গলো। গতিকে সমাজৰ মাজত এটা চিন্তাধাৰা যাব লাগিব, সমাজৰ মাজত এটা বাৰ্তা যাব লাগিব যে কোনোৱাই যদি দূৰ্নীতি কৰে, কোনোবাই যদি অনিয়ম কৰে তাৰ বাবে কিন্তু ভৱিষ্যতে হলেওঁ তেখেতে শাস্তি পাব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, কিছু ক্ষেত্ৰত আপুনি জানে আপুনিও এসময়ত উচ্চ ন্যায়লয়ত practice কৰিছিল। গুৱাহাটী উচ্চ ন্যায়লয়ত সৰ্ব্বাধিক চৰকাৰী কেছ থকা বিভাগটোৱে হৈছে শিক্ষা। শিক্ষা বিভাগৰ প্ৰায় ২০ নে ২৫ হাজাৰ কেছ এতিয়াও pending হৈ আছে আৰু এইবিলাকে আমাৰ গোটেই ব্যৱস্থাটো কি ভাৱে প্ৰভাৱান্বিত কৰে মই আপোনাক কম। মই শিক্ষা মন্ত্ৰী হোৱাৰ আগতে আমি প্ৰায় ৯৫০০ শিক্ষকক আমি নিযুক্তি দিবৰ কাৰণে এবছৰ আগতে আমি পদক্ষেপ লৈছিলো। অলপ আগতে ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই সেই কথাটো সুধিছিলে যে কি হ'ল? আমি যি মুহূৰ্ততে এই পদক্ষেপটো ললো তাৰ মাজৰে কোনোৱাই এজনে গৈ কোৰ্টত Stay Order লৈ ল'লে। তাৰপিছত প্ৰায় এবছৰ ধৰি এই গোটেই প্ৰক্ৰিয়াটো ৰৈ আছে। যেতিয়া মই শিক্ষা মন্ত্ৰী হৈ আহিলো মই নিজেই এসময়ত অধিবক্তা আছিলো, মই নিজেও এনেকুৰা ধৰণৰ গোচৰ appear কৰিছিলো। মই আহিয়ে তাৎক্ষণিক ভাৱে বিষয়া সকলক কৈছো যে এই যিটো গোচৰ দিছে এই গোচৰটোৰ কোনো যুক্তি যুক্ততা নাই। আপুনি জানি ভাল পাব যে এই গোচৰটোত আমি চৰকাৰী পক্ষই জিকিলো। আকৌ আমি প্ৰক্ৰিয়াটো আৰম্ভ কৰিব পাৰিলো। কিন্তু মাজত যে এটা বছৰ এজনৰ মানুহৰ irresponsible behaviour ৰ কাৰণে, মানুহৰ সকলোৰে অধিকাৰ আছে, ন্যায়ালয়ৰ ওচৰত সকলোৱে যাব পাৰে, সেই ক্ষেত্ৰত মই কোনো ক'বলৈ নহয়। কিন্তু একমাত্ৰ ব্যক্তি কেন্দ্ৰীক চিন্তাৰ বাবে এই এটা বছৰ কিন্তু আমাৰ যে গোটেই

শিক্ষা ব্যৱস্থাটোতে এটা অৰাজকতা হ'ল এই সম্পৰ্কত কিন্তু সকলোৱে দৃষ্টিগোচৰ হোৱাতো প্ৰয়োজনীয়। অলপ আগতে আমিনুল ইছলাম ডাঙৰীয়াই এটা প্ৰশ্ন সুধিছিল যে মাদ্ৰাছা শিক্ষক সকলৰ Appointment কিয় হোৱা নাই ? মই ভাবিছিলো তেখেতে হয়টো কাৰণটো জানে কাৰণটো সেই একে কোনোবা এজন প্ৰাৰ্থীয়ে হাইকোৰ্টত গৈ এটা Stay order লৈ থৈছে। গোটেই বিষয়টো এতিয়া হাইকোৰ্টত আছে, হাইকোৰ্টে যেতিয়া লৈকে এইটো এটা Final Judgement নিদিয়ে তেতিয়া লৈকে আমি এই ক্ষেত্ৰত একো কৰিব নোৱাৰো। মই অনুভৱ কৰো যে মইও এজন পিতৃ মইও এজন অভিভাৱক, অভিভাৱক হিচাপে মই অনুভৱ কৰো এইটো মোৰ সতি-সন্তানে যদি সঠিক শিক্ষা পাবলৈ সক্ষম নহয় তেতিয়া হলে তাৰ বেদনাটো মইও বুজি পাওঁ আৰু সেই হিচাপে কৈছো যে বহুটো ক্ষেত্ৰত আমাৰ যি পদক্ষেপ এই পদক্ষেপ বিলাকক পদে পদে ৰখাই দিয়া হৈছে আৰু এইটো যাতে আমি আঁতৰাব পাৰো তাৰ বাবে আমি পদক্ষেপ লৈছো। মই আকৌ এবাৰ কৈছো যে কোনে কি পুঁজি দিছিলে কোনো কিমান পুঁজি পালে সেই বিতৰ্কলৈ মই নাজাওঁ কিয়নো আমাৰ যিবোৰ প্ৰশ্নৰ উত্তৰ আহিছে এই প্ৰশ্ন উত্তৰত সিদিনাখনো যথেষ্ট খিনি তথ্য আহিছে আৰু ৬ তাৰিখে আছে, পৰহীলৈও আছে ২০ তাৰিখে আছে, এই তথ্য বিলাক তাত উত্থাপন হবই। সেই সম্পৰ্কে বিভিন্ন Supplementary হওঁক বা অন্যান্য তেখেত সকলে তথ্য আমাৰ পৰা বিচাৰিব পাৰিব। মই তথ্যৰ বিতৰ্কলৈ যাব বিচৰা নাই, মই কেইটামান কথা কব বিচাৰিছো যি কেইটা কথা আমাৰ খুৱেই প্ৰয়োজনীয় প্ৰথমতে হ'ল যে আমাৰ যিটো ভাষা Language Policy এই Language Policy ৰ সম্পৰ্কে চৰকাৰৰ ফালৰ পৰা আমি এটা সিদ্ধান্তত উপনীত হৈছো আৰু আপুনি জানে যে যি কোনো সিদ্ধান্ত এটা আমি সদনত উত্থাপন কৰাৰ আগতে কেৰিনেটত যাব লাগে, কেবিনেটৰ Approval লাগিব। আমি কেবিনেট Approval ৰ কাৰণে এই গোটেই যিখন Cabinet Memo লাগে সেইখন প্ৰস্তুত কৰা হৈছে আমি কেবিনেটত উত্থাপন কৰিম আৰু কেবিনেটত উত্থাপন কৰাৰ পিছত, যেতিয়া আমি কেবিনেটৰ অনুমোদন পাম তাৰ পিছত আমি সদনত আমাৰ সকলো মাননীয় সদস্যৰ মাজত এই Language Policy খন আমি উত্থাপন কৰিম যাতে তেখেত সকলে এইখন গ্ৰহণ কৰিব পাৰে। আৰু এটা কথা কোৱা হৈছে যে যি কথাটো মই বাৰে বাৰে শুনি আছো, সেইটো হৈছে এজনীয়া শিক্ষকৰ School. মাননীয় অধ্যক্ষ মহোদয়, আপুনি বহুদিন ধৰি এই বিধান সভাৰ মজিয়াত আছে গতিকে আপুনি পুৰণি কথাবোৰ জানে। যে এসময়ত আগৰ চৰকাৰে এটা আঁচনি লৈছিলে, আৰু সেই আঁচনিখন আছিল Education guarantee scheme. এতিয়া প্ৰশ্ন হল সেই Education guarantee scheme খন কি আছিল আৰু এইটো আছিল ২০০৮ আৰু ২০১১ চনৰ মাজত তেখেত সকলে লৈছিল। Education guarantee scheme ৰ মাজেৰে তেখেত সকলে যিবোৰ ঠাইত কোনো বিদ্যালয় নাই, সেই বিদ্যালয় বোৰত এজনীয়া শিক্ষকক নিযুক্তি দি একো একো খনকৈ বিদ্যালয় পাতি দিছিল। আৰু অসমত প্ৰায় ১৫০০ শতকৈ অধিক বিদ্যালয়ত এই বিদ্যালয়ত এই ব্যৱস্থাটো কৰা হৈছিল আৰু এইটো এটা চৰকাৰে কৰি দিয়া আঁচনিৰ মাধ্যমেৰেহে এই এজনীয়া শিক্ষক সকলক নিযুক্তি দি সেই বিদ্যালয় বিলাক আৰম্ভ কৰা হৈছিল। পৰৱৰ্তী সময়ত চৰকাৰে আকৌ অনুভৱ কৰিলে যে এই যিটো আমি আঁচনি ল'লো আৰু এই আঁচনিৰ মাধমেৰে যি এজনীয়া শিক্ষকৰ ব্যৱস্থা কৰিলো, এই ব্যৱস্থাটো খুৱ ফলপ্ৰসু হোৱা নাই। আৰু ফলপ্ৰসু নোহোৱাৰ কাৰণে পৰৱৰ্তী সময়ত এই বিদ্যালয় বিলাকক প্ৰাথমিক বিদ্যালয়লৈ Convert কৰিবৰ বাবে এটা

চিন্তা-চৰ্চা কৰা হল। আজি মই সদনক আশ্বস্ত কৰিব বিচাৰো যে আমি এই যিটো এজনীয়া শিক্ষকৰ বিদ্যালয়ৰ কথাটো কোৱা হৈছে, এই প্ৰসংগটোৰ সম্পৰ্কে আমি তেখেত সকলক আশ্বস্ত কৰিব ¿ÂäÂËı±Î û Õ±ç ÂÂ Ç±Ëo ÛéÂ exercise চলাই আছো সেয়া হৈছে যে Rationalization কৰি সেই বিদ্যালয় সমূহৰ একত্ৰীকৰণৰ বাবে আৰু সেই **একত্ৰীকৰণৰ** পিছত বহুটো বিদ্যালয় এনেকুৱা হব যে তাত excess শিক্ষক ওলাব। অলপ আগতে আমাৰ বিভিন্ন জন সদস্যৰ বক্তব্যত সেই কথাটো ওলাইছে যে কিছু বিদ্যালয় আছে য'ত ছাত্ৰ-ছাত্ৰী আছে ১৫ জন আৰু শিক্ষক হৈছে ৬জন। আমাৰ যিটো শিক্ষা আইন সেই শিক্ষা আইনৰ মতে ৩০জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক থাকিব লাগে (30:1)। কিন্তু কৰবাত এনেকুৱা হৈছে যে ২৫০জন ছাত্ৰ-ছাত্ৰী আছে আৰু শিক্ষক আছে মাত্ৰ ৬ জন। গতিকে এই যিটো Disproportionate ইয়াৰ ফলত Student-Teacher Ratio এইটো আমি দূৰ কৰিবৰ বাবে আমাৰ বিভাগৰ মাধ্যমেৰে Rationalization ৰ যিটো প্ৰক্ৰিয়া এই প্ৰক্ৰিয়াটো আমি আৰম্ভ কৰিছো। জিলা সমূহৰ পৰা এই গোটেই প্ৰক্ৰিয়াটোত যিটো ফলাফল, সেই ফলাফলটো আমাৰ হাতত লাহে লাহে আহিব ধৰিছে। মই সদনক আকৌ এবাৰ আশ্বস্ত কৰিব বিচাৰিছো যে এই যিখিনি প্ৰক্ৰিয়া এইটো খুব কম সময়ৰ ভিতৰতে আমি সমাপ্ত কৰিবলৈ চেষ্টা কৰি আছো। এইখিনিতে মোৰ নিজৰ ব্যক্তিগত অসুবিধাৰ কথা কব লাগিব, যে প্ৰতিদিনে এই Amalgamation কৰিব নালাগে বুলি আমাৰ বিধায়ক সকলৰ পৰায়ে হওঁক বা অন্যান্য সকলৰ পৰা হওঁক প্ৰতিদিনে কমেও ৫/৬ খন আবেদন পাওঁ। বহুটো মোৰ বন্ধু বিধায়কে আহি কয় যে এইখন আমাৰ ঐতিহ্যপূৰ্ণ বিদ্যালয়, এইখন আপোনালোকে Amalgamate কৰিব বিচাৰিছে! এতিয়া কথা হ'ল যে আমি কিছুমান নিয়ম বান্ধি দিছো আৰু এই নিয়ম বিলাকৰ ভিতৰত হৈছে এখন বিদ্যালয়ত যদি ছাত্ৰ-ছাত্ৰী সংখ্যা বেছি তেতিয়া হলে সেইখন বিদ্যালয়ৰ লগত যি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কম সেই বিদ্যালয়খন আমাৰ যিটো আইন বা Norms ভিতৰত পৰিলে তেখেত সকলক এখেত সকলৰ লগত একত্ৰিত কৰা হব। এই ক্ষেত্ৰত অসুবিধাটো আহি পৰে মই বুজি পাওঁ এটা আবেগ জড়িত হৈ আছে, এটা অনুভূতি জড়িত হৈ আছে, কিন্তু আবেগ অনুভূতিৰে অলপ আগতে কেইবাজনো বক্তাই কৈছে যে আজি এনেকুৱা হয়, মই মোৰ নিজৰ সৰু অভিজ্ঞতা কৈছো আপোনালোকে জানে যে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত শিক্ষকক প্ৰশিক্ষণ দিবলৈ মাত্ৰ আমাৰ ডিব্ৰুগড়ত এখন প্ৰশিক্ষণ কেন্দ্ৰ আছে। গোটেই অসমৰ বাবে এইটো একমাত্ৰ প্ৰশিক্ষণ কেন্দ্ৰ। মই কেইদিন মানত আগতে ডিব্ৰুগড় লৈ যোৱাত সেই প্ৰশিক্ষণ কেন্দ্ৰলৈ গৈছিলো আৰু তাত যি গৰাকী অধ্যাক্ষা আছে তেখেতৰ লগত কথা-বাৰ্তা হোৱা সময়ত তেখেতৰ সৰু ছোৱালী জনীও আহিছিল তেতিয়া মই শুধিছিলো "যে মা তুমি কোন শ্ৰেণীত পঢ়া" তেতিয়া সেই ছোৱালী জনীয়ে ক'লে যে মই Kinder garden ত পঢ়ো। এতিয়া প্ৰশ্ন হল যে যি গৰাকী শিক্ষয়ত্ৰীয়ে আমাৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী সকলক প্ৰশিক্ষণ দিয়ে কিন্তু তেখেতৰ নিজৰ ছোৱালীক কিন্তু ইংৰাজী মাধ্যমত পঢ়াইছে আৰু এইটো আমাৰ কাৰণে এটা চিন্তাৰ বিষয়। অলপ আগতে আমাৰ মাননীয় সদস্য শ্ৰী সত্যব্ৰত কলিতাই তেখেতৰ বক্তব্যত কেইবাটাও প্ৰশ্ন উত্থাপন কৰিছে আৰু তেখেতৰ প্ৰশ্ন সমূহৰো উত্তৰটো মই পাইছো। তেখেতে কৈছে যে আমাৰ যিখন গুৱাহাটী বিশ্ববিদ্যালয় আছে, এই বিশ্ব বিদ্যালয়খনত আমি কোনো উপাচাৰ্য্য নিযুক্তি দিব পৰা নাই (Vice Chancellor)। এই কথাটো তেখেতো জানে; মইও জানো আৰু সমগ্ৰ অসমে জানে যে এই গোটেই উপাচাৰ্য্যৰ প্ৰক্ৰিয়াটো কোনোৱা এটা পক্ষই High Court ৰ মজিয়ালৈকে লৈ গৈছে। তাৰ ফলত গোটেই প্ৰক্ৰিয়াটো স্থবিৰ হৈ পৰিছে। এতিয়া সেইটোৰ বাবে চৰকাৰ দোষী নহয়,

চৰকাৰৰ দায়িত্ব আছে আমি আমাৰ দায়িত্ব সম্পৰ্কে সজাগ আৰু আমি আমাৰ দায়িত্ব পালন কৰিম কিন্তু যদি প্ৰত্যকটো বস্তুতে ব্যক্তিগত স্বাৰ্থ, দলীয় স্বাৰ্থ বা বহুটো ক্ষেত্ৰত কিছু অন্যান্য উদ্দেশ্যৰে এই ধৰণৰ এটা বাধাৰ সৃষ্টি কৰা হয়, তেতিয়া হ'লে এইটো আমাৰ শিক্ষা ব্যৱস্থাৰ কাৰণে কোনো সুখবৰ নহয়। মই বাৰে বাৰে কৈছে যে গুৱাহাটী উচ্চ ন্যায়লয়ত সৰ্বাধিক গোচৰ থকা বিভাগটোৱে হৈছে শিক্ষা বিভাগ। অথচ এই শিক্ষা বিভাগৰ লগত আমাৰ উত্তৰ পুৰুষ সকলৰ ভৱিষ্যত জড়িত হৈ আছে। বহুটো সময়ত আমাৰ উত্তৰ পুৰুষ সকলৰ ভৱিষ্যতক পনবন্দী কৰি কিন্তু ব্যক্তিগত স্বাৰ্থক বা সামূহিক স্বাৰ্থক তেখেত সকলে উৰ্ধত ৰাখিছে আৰু কেই দিন পিছতে আমাৰ মেট্ৰিক পৰীক্ষা আছে আৰু তাৰ পিছতে আমাৰ Higher Secondary পৰীক্ষা আছে। সেইদিনাখনো মই এই কথাটো বিনম্ৰতাৰে অনুৰোধ কৰিছিলো যে আমি একো একো জন ৰাজনৈতিক ব্যক্তি আমাৰ একো একোটা বিষয় সম্পৰ্কে মত থাকিব পাৰে, দ্বিমত থাকিব পাৰে আৰু এই সম্পৰ্কে আমি বিভিন্ন দৃষ্টি ভংগী লব পাৰো। কিন্তু সদায় এনেকুৱা ধৰণৰ একো একোটা প্ৰসংগ উত্থাপন হয়, তেতিয়া একমাত্ৰ চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক কিয় জড়িত কৰা হয়। এই কথাটো আমি অলপ আমাৰ ৰাজনৈতিক স্বাৰ্থৰ উৰ্ধত গৈ চিন্তা কৰিব লাগিব। কিহৰ কাৰণে সকলোৱে আজিলৈকে কোনোৱা DONBOSCO হওক বা Private School য়েই হওক, তেওঁ লোকৰ কোনোবা ছাত্ৰ - ছাত্ৰীক আপুনি দেখিছেনে যে মেট্ৰিক পৰীক্ষাৰ আগতে হৈ মুৰ্দাবাদ, জিন্দাবাদ কৰি আছে ? গতিকে এই ক্ষেত্ৰত আমাৰ অভিভাৱক সকলে, বিধায়ক সকলেও ৰাইজক প্ৰতিনিধিত্ব কৰি আহিছে। আমি আমাৰ ৰাজনৈতিক চিন্তা-চৰ্চা আমি ৰাখিব পাৰো। ফুকলীয়া ৬,৭ বছৰীয়া লৰা ছোৱালীক যদি আমি ৰাজপথলৈ লৈ আহো সেই লৰা ছোৱালী খিনিয়ে ৰাজনীতিৰ কি কথা বুজিব ? প্ৰত্যেকটো বিষয়ত মত দ্বিমত থাকিব পাৰে, তেখেত সকলৰ এটা দৃষ্টিভঙ্গী থাকিব পাৰে আমাৰো এটা দৃষ্টি-ভংগী থাকিব পাৰে। কিন্তু তাতকৈ ডাঙৰ দৃষ্টিভঙ্গী হ'ব লাগে যে আমাৰ নবপ্ৰজন্মৰো। ভৱিষ্যতে তেখেত সকলেও ভাল হোৱাটো বিচাৰে আৰু আমিও ভাল হোৱাটো বিচাৰো। সেইবাবে মই সদনৰ মজিয়াত বিনম্ৰতাৰে, কৰযোৰে মই সকলোলৈকে অনুৰোধ কৰিছো অন্ততঃ চৰকাৰী মাধ্যমৰ যিসকল ছাত্ৰ-ছাত্ৰী আছে তেখেত সকলৰ ভৱিষ্যতক লৈ অনাহকত এনেকুৱা বিষয়ত জড়িত নকৰিব। এসময়ত আমিও কিন্তু ৬ টা বছৰ, মই নিজেও যেতিয়া কলেজ, ইউনিভাৰচিটিত পঢ়ি আছিলো, ময়ো কিন্তু এটা আবেগৰ কাৰণে, এটা উদ্দেশ্যৰ কাৰণে সোণোৱালী দিনবোৰ উৎসৰ্গীত কৰিছিলো। কিন্তু আজি মই নিজে অনুভৱ কৰো যিসকলে আমাক সন্মুখত ৰাখি এই ধৰণৰ বিষয়টো লৈ আমাক তেখেত সকলে উত্ৰাৱল কৰি ৰাখিলে, সেই সমস্যাৰো সমাধান নহল। আজি শিক্ষা মন্ত্ৰী হিচাপে মই অনুগ্ৰহ কৰি কওঁ যে আপোনালোকে কেৱল চৰকাৰী মাধ্যমৰ ছাত্ৰ-ছাত্ৰী সকলক আপোনালোকৰ পণবন্দী নকৰিব। কালিলৈ যদি যুৱক এজনে হায়াৰ চেকেণ্ডেৰীত ভাল ফলাফল কৰিব নোৱাৰে নাইবা ফেল কৰে পৰহিলৈ তেওঁ কিন্তু ভাল কলেজ বা শিক্ষানুষ্ঠানত স্থান নাপায় । সেই স্থান নোপোৱাৰ পাচত পৰবৰ্তী সময়ত তেখেতৰ ভৱিষ্যত কি হব সেই সম্পৰ্কত কিন্তু কোনেও চিন্তা কৰা নাই, যেনেকৈ ৮০ ৰ দশকত আমাৰ কাৰণে কোনেও চিন্তা নকৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, কিছু ক্ষেত্ৰত অলপ আগতে সত্যব্ৰত কলিতা ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছিল আৰু সেই প্ৰশ্নটোৰ লগত ময়ো একমত। তেখেতে কৈছিল, যিবোৰ ব্যক্তিগত বিদ্যালয় সেই বিদ্যালয় বোৰত দুহেজাৰ, চাৰিহেজাৰ বা তাতকৈ অলপ বেছি বেতন পায়। তাৰ পৰিবৰ্তে আমাৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষক সকলক চল্লিশ, পঞ্চাশ হাজাৰ টকাকৈ দৰমহা দিয়া হয়। ইমানখিনি দৰমহা দিয়াৰ পাচতো আমাৰ শিক্ষক সকলে কিয় ভাল দক্ষতা দেখুৱাব পৰা

নাই ? এই কথাটো চিন্তা কৰিয়েই আমাৰ আগৰ যি চৰকাৰ, সেই চৰকাৰে অনুভৱ কৰিছিল যে যিসকল শিক্ষক শিক্ষা ব্যৱস্থালৈ আহি আছে তেখেত সকলৰ এটা গুণগত পৰীক্ষা হোৱাৰ প্ৰয়োজন আছিল আৰু সেই বাবেই তেখেত সকলে টেট পৰীক্ষা পাতিছিল। এজন মানুহ শিক্ষক হবলৈ তেখেতৰ যি যোগ্যতা থাকিব লাগে সেই যোগ্যতা আছেনে নাই এইটো পৰীক্ষাকৰণৰ বাবে এটা সুন্দৰ ব্যৱস্থা বুলি মই অনুভৱ কৰো। এই ব্যৱস্থাৰ মাধ্যমেৰে যিসকল আহিছে তেখেত সকলৰ এটা এলিজিবিলিটি নিৰ্ধাৰিত হোৱাৰ পাচতহে তেখেতসকল আহিছে। চৰকাৰী চাকৰি দিয়াৰ ক্ষেত্ৰত তেখেত সকলে যি ব্যৱস্থা গ্ৰহণ কৰিছিল, বিশ্বৰ অন্যান্য প্ৰান্তৰ লগত খোজ মিলাই তেখেত সকলেও শিক্ষক নিযুক্তিৰ যি পক্ৰিয়া সেই পক্ৰিয়া মতে তেখেত সকলে চুক্তিৰ ভিত্তিতঠিকাভিত্তিক নিযুক্তি দিছিল। আজি বিভিন্ন সময়ত বিভিন্ন আন্দোলন হয়। বিভিন্ন সময়ত শিক্ষকে শিক্ষকতা বাদ দি ৰাজপথত বহি নিয়মীয়াকৰণৰ কাৰণে মুৰ্দাবাদ, জিন্দাবাদ কৰি আছে । মই তেখেত সকলক এটা প্ৰশ্ন কৰিব বিচাৰিছো যে আপোনালোকে যিদিনাখন এই ঠিকাভিত্তিক শিক্ষক হিচাপে নিযুক্তি পত্ৰখন লৈছিলে, সেইদিনাখনেই আপোনালোকে জানে যে আপোনালোকক ঠিকাভিত্তিত এটা নিৰ্দিষ্ট সময়ৰ বাবে এটা নিৰ্দিষ্ট বেতনত নিযুক্তি দিয়া হৈছিল। সেইসময়ত যদি আপোনালোকৰ এইটো গ্ৰহণযোগ্য আছিলেই পৰৱৰ্তী সময়ত ইয়াৰ বিৰুদ্ধাচৰণ কৰাৰ কোনো যুক্তিযুক্ততা থকা বুলি মই নাভাবো। ঠিক তেনেদৰে মাননীয় অধ্যক্ষ মহোদয় মই কৈছোৰেই যে মই শিক্ষা মন্ত্ৰী হিচাপে বহুতো সময়ত পলিচি মেটাৰৰ ফাইল চাবলৈ সময় নাপাওঁ। মই কোনো ধৰণৰ তেনেকুৱা নীতিগত চিন্তাচৰ্চা কৰিবলৈও সময় নাপাওঁ। কিয়নো মই জনতা ভৱনত বহাৰ লগে লগে মোক জাঙোৰ মাৰি ধৰে আৰু এই জাঙোৰ মাৰি ধৰা সকলৰ শতকৰা ৯০ ভাগেই আহে বদলি কৰণৰ বাবে। আমাৰ বিধায়ক সকলৰ পৰা মোলৈ যিমান ৰিকমেণ্ডেচন আহে, তাৰ সৰহ ভাগেই আহে বদলিকৰণৰ বাবে। এই বিলাকৰ বহুতৰে ক্ষেত্ৰত যুক্তিযুক্ততা আছে। তেওঁলোকৰ অভাৱ অভিযোগ বোৰ সঠিক আৰু আমি পদক্ষেপো লওঁ। কিন্তু কিছু ক্ষেত্ৰত মই যেতিয়া তেখেত সকলক প্ৰশ্ন কৰো তেখেত সকলৰ মুখত কোনো উত্তৰ নাথাকে।

আজি কেইদিনমান আগতে ডিব্ৰুগড়ৰ এগৰাকী যুৱতী আহি কৈছে যে "মইঁ (গোৱালপাৰা, ধুবুৰীৰ) ভিতৰুৱা চৰাঞ্চলত এটাত চাকৰি কৰো, বহুত কেইখন নদী পাৰ হৈ যাব লাগে, থকাৰ ঠাই নাই গতিকে মই তাত চাকৰি কৰিব নোৱাৰো আৰু সেইবাবে মোক ঘৰৰ কাষৰ কোনো অঞ্চললৈ বদলি কৰি দিলে ভাল হয়"। মই কলো যে - আপুনি অন–লাইন মাধ্যমেৰে আবেদন কৰিছিল, তেতিয়া কোন জিলাত নিযুক্তিৰ বাবে আবেদন কৰিছিল ? তেখেতে কলে, (গোৱালপাৰা, ধুবুৰীৰ বুলি কলে মই পাহৰি গলো) তেতিয়া মই কলো আপুনি ডিব্ৰুগড়ৰ ছোৱালী হৈ কিয় ধুবুৰী বা গোৱালপাৰা জিলাত নিযুক্তিৰ বাবে আবেদন কৰিছিল ? চাৰ, মোক চাকৰি লাগে আৰু সেই জিলাত চাকৰিৰ সংখ্যা বেছি থকাৰ কাৰণে মই তাত আবেদন কৰিছিলো। তেতিয়া মোৰ মনত এটা প্ৰশ্ন জাগিল যে আপুনি আপোনাৰ সুৰক্ষা বিচাৰিছে, চাকৰিটো আপোনাৰ ঘৰৰ ওচৰতে হোৱাটো বিচাৰিছে। ভাল কথা মোৰ তাত একো কবলৈ নাই। কিন্তু এইযে দূৰবৰ্তী বিদ্যালয়ত যিখিনি ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লয়, সেই ছাত্ৰ-ছাত্ৰী সকলৰ কি ভবিষ্যত নাই নেকি। চৰাঞ্চলৰ কথা কয়, চৰাঞ্চলৰ যিখিনি ছাত্ৰ-ছাত্ৰী আছে মই তেওঁলোকৰো শিক্ষামন্ত্ৰী। মই কোনো এটা বিশেষ শ্ৰেণীৰ শিক্ষামন্ত্ৰী নহয়, সমগ্ৰ অসমৰে শিক্ষামন্ত্ৰী। আপুনি যেতিয়া কোনো এটা ঠাইত চাকৰি কৰিম বুলি লিখিত ভাৱে আবেদন কৰি চাকৰি লৈছে পৰৱৰ্তী সময়ত আপুনি যি অজুহাতেই নিদিয়ক কিয় পৰৱৰ্তী সময়ত আপোনাক ঘৰৰ ওচৰৰ স্কুলত নিযক্তি দিয়াৰ কোনো যুক্তিযুক্ততা নাই।

অধ্যক্ষ মহোদয়, কথাখিনি হয়তো কিছু ক্ষেত্ৰত অপ্ৰিয় হব পাৰে, অপ্ৰিয় হলেও কিন্তু কথাখিনি সত্য আৰু মই ভাবো আমি কিমানখন স্কুলত আন্তঃগাঁঠনিৰ বাবে টকা দিলো, আমি এই স্কুল খনত কিমানজন শিক্ষকক নিযুক্তি দিলো এইবোৰ কথাত কৈ আমি আমাৰ সদনত এই কথাবোৰো চিন্তা কৰাৰ প্ৰয়োজন আৰু এইবিলাক কথা সদনত উত্থাপিত হব লাগে আৰু চৰ্চিত হব লাগে।

माननीय অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই চি, কে, ডি কলেজৰ লাইব্ৰেৰীয়ান গৰাকীৰ কথা উল্লেখ কৰিছে। তেখেতে লাইব্ৰেৰীয়ান গৰাকীৰ ক্ষেত্ৰত যিটো প্ৰসংগ আনিছে এই ক্ষেত্ৰত আমি লাইব্ৰেৰীয়ান গৰাকীক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছো, তেখেতে উত্তৰ দিছে, আমি তেখেতৰ উত্তৰত সন্তুষ্ট হোৱা নাই আৰু তেখেতক এসপ্তাহৰ ভিতৰত চাচপেঞ্চন কৰা হব। মই আকৌ এবাৰ সদনৰ ওচৰত বিনম্ৰতাৰে কৈছো যে যিখিনি কথা মই কৈছো মোৰ অন্তৰৰ কথা, এইখিনি কথা কোনো বিতৰ্কৰ সৃষ্টি হবৰ বাবে কোৱা নাই আৰু এই কথাখিনি কোৱাৰ প্ৰয়োজন এটা আছিল বাবে মই কৈছো। মই বিনম্ৰতাৰে সৈতে আকৌ যিসকলে কৰ্তন প্ৰস্তাৱ আনিছে তেখেত সকলক অনুৰোধ কৰিম যে - আপোনালোকে অনুগ্ৰহ কৰি শিক্ষা ব্যৱস্থাটোক আৰু ফলপ্ৰসু কৰিবলৈ এই কৰ্তন প্ৰস্তাৱটো আপোনালোকে উঠাই লব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সময় আবেলি দুই বাজিছে। মই সকলো কৰ্তন প্ৰস্তাৱ গিল'টিনত দিব লাগিব। গতিকে মই সকলোবোৰ প্ৰস্তাৱ including 26 আৰু 71, 3, 5, 6, 7, 8, 9, 11, 12, 14, 16, 17, 19, 20, 25, 27, 29, 30, 32, 33, 37, 38, 39, 41, 42, 43, 44, 45, 48, 49, 51, 52, 55, 56, 57, 58, 59, 60, 62, 64, 65, 66, 67, 70, 72, 74, 75, 76, 77 আৰু 78 সদনত অনুমোদনৰ বাবে আগবঢ়ালো।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱ কেইটাৰ সপক্ষে আছে

তেখেত সকলে কওঁক "হয়"

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱ কেইটাৰ বিপক্ষে আছে

তেখেত সকলে কওঁক "নহয়"।

মই ভাবো "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে", "হয়ৰ সপক্ষে"

মঞ্জুৰী নং 26 আৰু 71, 3, 5, 6, 7, 8, 9, 11, 12, 14, 16, 17, 19, 20, 25, 27, 29, 30, 32, 33, 37, 38, 39, 41, 42, 43, 44, 45, 48, 49, 51, 52, 55, 56, 57, 58, 59, 60, 62, 64, 65, 66, 67, 70, 72, 74, 75, 76, 77 আৰু 78 গৃহীত হ'ল বুলি মই ঘোষণা কৰিলো।

এতিয়া "অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১৯" খন সদনত বিতৰণ কৰিব। এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্তমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১৯" সদনত উত্থাপন কৰিবৰ বাবে মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰিবৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। এতিয়া ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০১৯ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখত এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

Under the provision of Article 207(1) of the Constitution of

India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Appropriation (No. I) Bill, 2019 in the Assam Legislative Assembly.

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব ।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্তমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, “অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১৯” মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা সদনত পঢ়ি দিব।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোনামা, “অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১৯”

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰাজভৱনৰ পৰা পুনৰ বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ ৰাজ্যপাল মহোদয়ে আৰু এটা বাণী পঠিয়াইছে। বাণীটো মই পঢ়ি দিছো।

Under the provision of Article 207(3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that the Assam Appropriation (No. I) Bill, 2019 be taken into consideration by the Assam Legislative Assembly.

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্তমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, “অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১৯” বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰি লো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিছো।

প্ৰস্তাৱটো হৈছে “অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১৯” বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে

তেখেত সকলে কওঁক “হয়”

যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে

তেখেত সকলে কওঁক “নহয়”।

মই ভাৱো “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে” প্ৰস্তাৱটো গৃহীত হৈছে।

এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো সদনত উত্থাপন কৰিলো।

প্ৰশ্নটো হৈছে ৰিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ’ব

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে

তেখেত সকলে কওঁক “হয়”

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে

তেখেত সকলে কওঁক “নহয়”।

মই ভাৱো “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”

ৰিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ’ব।

এতিয়া মই বিধেয়কখনৰ ১নং দফা সংক্ষিপ্ত নাম সদনত উত্থাপন কৰিলো।

প্ৰশ্নটো হৈছে বিধেয়কখনৰ ১নং দফা সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ’ব

যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে

তেখেত সকলে কওঁক “হয়”
যিসকল মাননীয় সদস্য/সদস্যা ইয়াৰ বিপক্ষে আছে
তেখেত সকলে কওঁক “নহয়”।
মই ভাৱো “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”
বিধেয়কখনৰ ১নং দফা সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ’ল বুলি মই ঘোষণা কৰিছো।
এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, বিত্তমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, “অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১৯” পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্ৰস্তাৱটো অনুমোদন বাবে সদনত উত্থাপন কৰিলো। প্ৰস্তাৱটো হৈছে - “অসম বিনিয়োজন (নং ১) বিধেয়ক, ২০১৯” পাৰিত কৰা হওঁক।
যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে
তেখেত সকলে কওঁক “হয়”
যিসকল মাননীয় সদস্য/সদস্যা প্ৰস্তাৱটোৰ বিপক্ষে আছে
তেখেত সকলে কওঁক “নহয়”।
মই ভাৱো “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”, “হয়ৰ সপক্ষে”
প্ৰস্তাৱটো পাৰিত কৰা হৈছে আৰু বিধেয়কখনো পাৰিত কৰা হৈছে।

মই সদন স্থগিত কৰাৰ আগতে এটা সৰু ঘোষণা কৰিব বিচাৰিছো।
২০১৯-২০ বিত্তীয় বৰ্ষৰ বাবে বাজেট প্ৰাক্কলন অহা ইং ৬-২-২০১৯ তাৰিখ বুধবাৰে বিধান সভাত উত্থাপিত হ’ব। এইবাৰ বাজেট সম্পৰ্কীয় সকলো তথ্য পেনড্ৰাইভ যোগে সদনৰ সকলো মাননীয় সদস্য/সদস্যাক দিয়া হ’ব। অৱশ্যে বিত্ত মন্ত্ৰীৰ বাজেট ভাষণ, Budget at a glance আৰু FRBM Act ৰ ওপৰত ষ্টেটমেণ্ট আদি ছপা কৰি দিয়া হ’ব।

পেনড্ৰাইভৰ পৰা কি ধৰণে সকলো তথ্য ডাউনলোড কৰিব পৰা যাব তাৰ ওপৰত মাননীয় সকলো সদস্য/সদস্যাক এটা আভাস দিবলৈ আজি বিয়লি ৫ বজাত গোপীনাথ বৰদলৈ সভা কক্ষত এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

উক্ত অনুষ্ঠানত সকলো সদস্য/সদস্যাকে অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

**এতিয়া মই সদন কাইলৈ পুৱা ৯.৩০ বজালৈ স্থগিত ৰাখিছো।**